AS-01-3.3

# দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান
# Institute of Distance and Open Learning
# গুৱাহাটী বিশ্ববিদ্যালয়
# Gauhati University

অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)

**M. A. in Assamese (01)**

পাঠ্যবিষয় ঃ ৩.৩ **(Course: 3.3)**

## অসমীয়া চুটিগল্প
## (Assamese Short Stories)

## বিষয়সূচী (Contents) :


পাঠ্যবিষয়ৰ পৰিচয় **(Course Introduction)**

প্ৰথম বিভাগ ঃ অসমীয়া চুটিগল্পৰ বিৱৰ্তন
দ্বিতীয় বিভাগ ঃ লক্ষ্মীনাথ বেজবৰুৱা ঃ 'কাশীবাসী'
তৃতীয় বিভাগ ঃ ৰমা দাশ ঃ 'অবুজ মায়া'
চতুৰ্থ বিভাগ ঃ যোগেশ দাস ঃ 'পৃথিৱীৰ অসুখ'
পঞ্চম বিভাগ ঃ মহিম বৰা ঃ 'এখন নদীৰ মৃত্যু'
ষষ্ঠ বিভাগ ঃ ভবেন্দ্ৰনাথ শইকীয়া ঃ 'ঢোৰা সাপ'
সপ্তম বিভাগ ঃ হোমেন বৰগোহাঞি ঃ 'ভয়'
অষ্টম বিভাগ ঃ মামণি ৰয়ছম গোস্বামী ঃ 'সংস্কাৰ'

**Contributor:**

| | |
|---|---|
| Dr. Dilip Bora (Unit: 1) | Department of MIL, Gauhati University |
| Dr. Anuradha Sarma (Units: 2 & 3) | Department of MIL, Gauhati University |
| Dr. Niranjan Kalita (Units: 4 & 5) | Department of Assamese, S. B. Deurah College, Guwahati |
| Dr. Barnali Kalita (Unit: 6) | Department of Assamese, Mangaldoi College |
| Mrinal Jyoti Goswami (Units: 7 & 8) | Academic Consultant, KKHSOU, Guwahati |

**Content Editing:**

| | |
|---|---|
| Dr. Dilip Bora | Department of MIL, Gauhati University |

**Revision & Re-editing:**

| | |
|---|---|
| Dr. Baikuntha Rajbongshi | Dept. of Assamese, Pragjyotish College, Guwahati |

**Course Coordination:**

| | |
|---|---|
| Dr. Kandarpa Das | Director, IDOL, Gauhati University |
| Dr. Upen Rabha Hakacham | Department of Assamese, Gauhati University |
| Dr. Apurba Kr. Deka | Assistant Professor in Assamese, IDOL, Gauhati University |

**Cover Page Design:**

| | |
|---|---|
| Bhaskar Jyoti Goswami | IDOL, Gauhati University |


August, 2012

© Institute of Distance and Open Learning, Gauhati University. All rights reserved. No part of this work may be reproduced in any form, by mimeograph or any other means, without permission in writing from the Institute of Distance and Open Learning, Gauhati University. Further information about the Institute of Distance and Open Learning, Gauhati University courses may be obtained from the University's office at IDOL Building, Gauhati University, Guwahati-14. Published on behalf of the Institute of Distance and Open Learning, Gauhati University by Dr. Kandarpa Das, Director and printed at Maliyata Offset Press, Mirza. Copies printed 1000.

**Acknowledgement**

The Institute of Distance and Open Learning, Gauhati University duly acknowledges the financial assistance from the Distance Education Council, IGNOU, New Delhi for preparation of this material.

## অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম

অসমীয়া বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম (Programme) চাৰিটা ষাণ্মাসিকত সম্পন্ন হ'ব। প্ৰত্যেকটো ষাণ্মাসিকত পাঁচোটাকৈ পাঠ্যবিষয় (Course) থাকিব। প্ৰথম আৰু দ্বিতীয় ষাণ্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় আৰু তৃতীয় ষাণ্মাসিকৰ প্ৰথম চাৰিটা পাঠ্যবিষয় উমৈহতীয়া। সকলো বিদ্যাৰ্থীয়ে এই পাঠ্যবিষয়সমূহ অধ্যয়ন কৰিব লাগিব। তৃতীয় ষাণ্মাসিকৰ পঞ্চম পাঠ্যবিষয়টো আৰু চতুৰ্থ ষাণ্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় দুটা শাখাত বিভক্ত হ'ব — সাহিত্য শাখা (ক) আৰু ভাষা শাখা (খ)। বিদ্যাৰ্থীসকলে যিকোনো এটা শাখাৰ পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব।

সমগ্ৰ পাঠ্যক্ৰমৰ সৰ্বমুঠ নম্বৰ ঃ **১৬০০**। প্ৰতিটো পাঠ্যবিষয়ৰ বাবে মুঠ নম্বৰ থাকিবঃ **৮০**। পাঠ্যবিষয়সমূহৰ মূল্যায়ন দুই ধৰণে হ'ব - আভ্যন্তৰীণ আৰু মূল পৰীক্ষা। দুয়োটা শিতানত নম্বৰ থাকিব এনেধৰণে —

আভ্যন্তৰীণ ঃ **১৬** (মুঠ নম্বৰৰ ২০ শতাংশ)।

মূল পৰীক্ষা ঃ **৬৪** (মুঠ নম্বৰৰ ৮০ শতাংশ)।

মূল পৰীক্ষাত বৰ্ণনাধৰ্মী আৰু চমু প্ৰশ্ন অথবা চমু টোকা —এই দুই ধৰণৰ প্ৰশ্ন থাকিব। দুয়ো প্ৰকাৰৰ প্ৰশ্নৰ বাবে নম্বৰৰ গঠন তলত দিয়া ধৰণৰ ঃ

| | | |
|---|---|---|
| বৰ্ণনাধৰ্মী প্ৰশ্ন | ঃ | **৪৮।** |
| চমু প্ৰশ্ন / চমু টোকা | ঃ | **১৬।** |

এই পাঠ্যক্ৰমৰ মূল্যায়ন **'Credit and Grading'** পদ্ধতিৰে সম্পন্ন হ'ব। প্ৰতিটো পাঠ্যবিষয়ৰ **'Credit Point'** হ'ল ৮ ।

ষাণ্মাসিক অনুসৰি এই পাঠ্যক্ৰম তলত দিয়া ধৰণৰ —

**প্ৰথম ষাণ্মাসিক**

**পাঠ্যবিষয়** ১.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদি আৰু মধ্যযুগ)
**পাঠ্যবিষয** ১.২ অসমীয়া কবিতা
**পাঠ্যবিষয** ১.৩ প্ৰাচ্য সাহিত্য সমালোচনা
**পাঠ্যবিষয** ১.৪ অসমৰ সংস্কৃতি
**পাঠ্যবিষয** ১.৫ ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়

**দ্বিতীয় ষাণ্মাসিক**

**পাঠ্যবিষয** ২.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আধুনিক যুগ)
**পাঠ্যবিষয** ২.২ অসমীয়া নাটক
**পাঠ্যবিষয** ২.৩ পাশ্চাত্য সাহিত্য সমালোচনা
**পাঠ্যবিষয** ২.৪ সাহিত্যৰ তত্ত্ব আৰু ধাৰা
**পাঠ্যবিষয** ২.৫ সংস্কৃত সাহিত্যৰ বুৰঞ্জী

**তৃতীয় ষান্মাসিক**

**পাঠ্যবিষয়** ৩.১ অসমীয়া গদ্য
**পাঠ্যবিষয়** ৩.২ অসমীয়া উপন্যাস
**পাঠ্যবিষয়** ৩.৩ অসমীয়া চুটিগল্প
**পাঠ্যবিষয়** ৩.৪ লিপি আৰু পাঠ-সমীক্ষা
**পাঠ্যবিষয়** ৩.৫ (ক) তুলনাত্মক সাহিত্য আৰু অনুবাদ প্ৰসঙ্গ
৩.৫ (খ) ভাষাবিজ্ঞান আৰু ইয়াৰ অধ্যয়ন ক্ষেত্ৰ

**চতুৰ্থ ষান্মাসিক**

**পাঠ্যবিষয়** ৪-১ (ক) ভক্তি সাহিত্য
৪-১ (খ) মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ
**পাঠ্যবিষয়** ৪-২ (ক) সংস্কৃত সাহিত্য
৪-২ (খ) ভাৰতীয় আৰ্যভাষাৰ তুলনামূলক ব্যাকৰণ
**পাঠ্যবিষয়** ৪-৩ (ক) পাশ্চাত্য সাহিত্য
৪-৩ (খ) অসমীয়া ভাষাৰ ঐতিহাসিক বিকাশ আৰু ইয়াৰ সাম্প্ৰতিক গাঁথনি
**পাঠ্যবিষয়** ৪-৪ (ক) ভাৰতীয় সাহিত্য অধ্যয়ন
৪-৪ (খ) সমাজ-ভাষাবিজ্ঞান, উপভাষা-বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা
**পাঠ্যবিষয়** ৪-৫ (ক) বিশেষ লিখকৰ নিৰ্বাচিত ৰচনা
৪-৫ (খ) অসমৰ তিব্বত-বৰ্মীয় ভাষা আৰু ভাষাতত্ত্ব

---

## পাঠ্যবিষয় ৩.৩
## অসমীয়া চুটিগল্প

**গোট ১ ঃ** অসমীয়া চুটিগল্পৰ গতি প্ৰকৃতি
লক্ষ্মীনাথ বেজবৰুৱাৰ ‘কাশীবাসী’

**গোট ২ ঃ** ৰমা দাসৰ ‘অবুজ মায়া’
যোগেশ দাসৰ ‘পৃথিৱীৰ অসুখ’

**গোট ৩ ঃ** মহিম বৰাৰ ‘এখন নদীৰ মৃত্যু’,
ভবেন্দ্ৰনাথ শইকীয়াৰ ‘ঢোৰাসাপ’

**গোট ৪ ঃ** হোমেন বৰগোহাঞিৰ ‘ভয়’,
মামনি ৰয়চম গোস্বামীৰ ‘সংস্কাৰ’

# পাঠ্যবিষয়
# অসমীয়া চুটিগল্প

চুটিগল্প আধুনিক যুগৰ সৃষ্টি। চুটিগল্পৰ উদ্ভৱ সম্পৰ্কে আলোচনা কৰিবলৈ গৈ প্ৰায়বোৰ বিশেষজ্ঞই ইয়াৰ পৰিসৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। অৰ্থাৎ চুটিগল্প চুটি হোৱাতো বাঞ্ছনীয়। ইয়াৰ মূল কাৰণ হ'ল আধুনিক সময়ত বাঢ়ি অহা মানুহৰ ব্যস্ততা। এই ব্যস্ততাৰ লগত সমতা ৰক্ষা কৰি কম সময়তে সাহিত্য পাঠৰ গভীৰ আনন্দ প্ৰদান কৰিবলৈকে এই শ্ৰেণীৰ সাহিত্যৰ জন্ম।

চুটিগল্পক সম্পূৰ্ণভাৱে আধুনিক সময়ৰ সাহিত্য-ৰূপ বুলি বিবেচনা কৰা হয় যদিও বহুতে কয় যে মানুহৰ আদিম গল্প কোৱাৰ প্ৰবৃত্তিৰ পৰাই ইয়াৰ উদ্ভৱ। অৰ্থাৎ তাহানিৰ সাধুকথাৰ ওপৰতে ভেজা দি আধুনিক সময়ৰ লগত খাপ খোৱাকৈ গঢ়ি লোৱা এক নৱতম শৈলী। চুটিগল্পৰ অভ্যন্তৰত পিছে সাধুকথাৰ ধাৰণাটোৱে প্ৰেৰণা হিচাপে কাম কৰিলেও আধুনিক চুটিগল্প আংগিক, কলা-কৌশল আৰু বিষয়বস্তুৰ ফালৰ পৰা সম্পূৰ্ণ পৃথক।

ইটালীৰ গিয়োভানি বোকাচ্চিওৰ ডেকামেৰণৰ মাজেৰে আৰম্ভ হোৱা এই নতুন সাহিত্য ৰূপটিয়ে ৰ‍্যবল, স্তাদাল, বালজাক, চেকভ, অ' হেনৰী, পুশকিন, এলেন পো আদিৰ হাতত বিকাশ লাভ কৰে আৰু সমসাময়িক আলোচনী তথা সংবাদপত্ৰৰ মাজেৰে জনপ্ৰিয় হৈ প্ৰতিষ্ঠা লাভ কৰে।

অসমত সাধুকথাৰ সংকলনেৰে যাত্ৰা আৰম্ভ কৰা লক্ষ্মীনাথ বেজবৰুৱাই লাহে লাহে সাধুকথাৰ পৰা আঁতৰি আহি চুটিগল্পধৰ্মী ৰচনাৰে এইবিধ সাহিত্যৰ বাট কাটি দিয়ে। পৰৱৰ্তী সময়ত শৰৎ চন্দ্ৰ গোস্বামী, নগেন্দ্ৰ নাৰায়ণ চৌধুৰীকে ধৰি বিভিন্নজনে ইয়াক প্ৰতিষ্ঠা কৰাত আগভাগ লয়। অসমত চুটিগল্পক জনপ্ৰিয় কৰি তোলাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰে আৱাহন আৰু ৰামধেনু আলোচনীয়ে। এই বিভাগটিত বেজবৰুৱাৰ পৰা আৰম্ভ কৰি আৱাহন আৰু ৰামধেনুৰ মাজেৰে অসমীয়া চুটিগল্পৰ বিবৰ্তনৰ এটি ৰূপৰেখা দাঙি ধৰা হৈছে। পাঠ্যক্ৰমত নিৰ্দিষ্ট কৰি দিয়া সাতটা চুটিগল্পৰ আলোচনা ইয়াত সন্নিৱিষ্ট কৰা হৈছে। গল্পকেইটা হ'ল ক্ৰমে— লক্ষ্মীনাথ বেজবৰুৱাৰ 'কাশীবাসী'; ৰমা দাশৰ 'অবুজ মায়া'; যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ'; মহিম বৰাৰ 'এখন নদীৰ মৃত্যু'; ভবেন্দ্ৰনাথ শইকীয়াৰ 'ঢোৰা সাপ'; হোমেন বৰগোহাঞিৰ 'ভয়' আৰু মামনি ৰয়চম গোস্বামীৰ 'সংস্কাৰ'। মুঠ আঠোটা বিভাগত এই কাকতখনৰ বিষয়বস্তু সন্নিৱিষ্ট কৰা হৈছে।

## প্ৰথম বিভাগ
# অসমীয়া চুটিগল্পৰ বিৱৰ্তন

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ অসমীয়া চুটিগল্পৰ উদ্ভৱ
১.৪ আৱাহন যুগৰ অসমীয়া চুটিগল্প
১.৫ ৰামধেনু যুগৰ আৰু তাৰ পৰৱৰ্তী সময়ৰ অসমীয়া চুটিগল্প
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৮ প্ৰসঙ্গ পুথি (Reference/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

চুটিগল্পৰ আধুনিক সময়ৰ সৃষ্টি। আধুনিকতাৰ বিকাশৰ লগে লগে দীঘলীয়া লেখনিৰ প্ৰতি মানুহৰ আগ্ৰহ কমিবলৈ ধৰে। তদুপৰি কাকত আলোচনী আদিয়েও এনে দীঘলীয়া ৰচনা প্ৰকাশ কৰিব নোৱাৰে। গতিকে কম পৰিসৰৰ মাজতে পাঠকক ৰসাস্বাদন কৰাবলৈ চুটিগল্পৰ দৰে ৰচনা অপৰিহাৰ্য হৈ উঠে। অসমতো তেনে পটভূমিতে 'জোনাকী'ৰ পাতত চুটিগল্পৰ সূচনা হয়। তাৰ পিছত ক্ৰমে আৱাহন আৰু ৰামধেনুৰ পাতত শক্তিশালী ৰূপ পৰিগ্ৰহ কৰা অসমীয়া চুটিগল্প ক্ৰমে সমৃদ্ধিৰ বাটেদি আগুৱাই আছে। এই দীৰ্ঘ সময়ছোৱাৰ ভিতৰত ন ন শৈলী আৰু বিষয়বস্তুৱে অসমীয়া চুটিগল্পৰ চিন্তন আৰু মননৰ প্ৰসাৰ ঘটাইছে। অসমীয়া চুটিগল্পৰ মাজলৈ অহা বিভিন্ন ধাৰা আৰু এই ধাৰাবোৰক লৈ বিভিন্ন গল্পেৰে ইয়াকে প্ৰবাহমান কৰি ৰখা গল্পকাৰসকলৰ সাধাৰণ পৰিচয় এই বিভাগৰ মূল বিষয়বস্তু। সীমিত পৰিসৰৰ মাজত ইয়াৰ যথাসম্ভৱ এটি আভাস দাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগৰ মূল লক্ষ্য হ'ল অসমীয়া চুটিগল্পৰ বিৱৰ্তনৰ ধাৰা সম্পৰ্কে আপোনালোকক অৱগত কৰোৱা। ইয়াৰ অধ্যয়নৰ মাজেৰে আপোনালোকে —

- অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে জানিবলৈ পাব;
- আৱাহন আৰু ৰামধেনু যুগৰ গল্পকাৰসকলৰ বিষয়ে বৰ্ণনা দিব পাৰিব;
- সাম্প্ৰতিক গল্পকাৰসকলৰ বিষয়ে সাধাৰণ আভাস লাভ কৰিব পাৰিব;
- অসমীয়া চুটিগল্পৰ মাজত স্পষ্ট হৈ উঠা বিভিন্ন ধাৰাবিলাকৰ উমান পাব পাৰিব; আৰু
- অসমীয়া চুটিগল্পৰ বিভিন্ন ধাৰাবোৰৰ বৈশিষ্ট্যসমূহ উপলব্ধি কৰিব পাৰিব।

## ১.৩ অসমীয়া চুটিগল্পৰ উদ্ভৱ

মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ আৰু ইংৰাজৰ অসম দখল আদি ঘটনাৱলীৰ মাজেৰে আগবঢ়া অসমৰ সমাজ জীৱনত সাহিত্য চৰ্চাৰ গতি একেবাৰে স্থবিৰ হৈ পৰিছিল। ১৮৪৬ চনত ওলোৱা অৰুনোদই কাকতে এই স্থবিৰতা দূৰ কৰি এক গতি আনিবৰ চেষ্টা কৰিছিল, কিন্তু অৰুনোদই কাকতে আমাৰ প্ৰাচীন সাহিত্যৰ বাটেৰে বাট বোলা নাছিল। অৰুনোদইৰ মাজেৰেই পাশ্চাত্য চিন্তা-ভাৱনাৰ লগত এক পৰিচয় আৰম্ভ হৈছিল আৰু নতুন ধৰণৰ ৰচনাই ভূমুকি মাৰিছিল। অৰুনোদইৰ পাততে উপন্যাসধৰ্মী ৰচনাই প্ৰকাশ লাভ কৰিছিল যদিও গল্প ৰচনাৰ প্ৰয়াস আৰম্ভ হোৱা নাছিল। পিছৰ সময়ছোৱাৰ 'আসাম বন্ধু' কাকতত দুই এটা গল্পধৰ্মী লেখা প্ৰকাশ হৈছিল যদিও তাক গল্প বুলিব নোৱাৰি।

সৃষ্টিশীল সাহিত্যৰ এই ৰূপটোৱে প্ৰথমে ভূমুকি মাৰে জোনাকী কাকতত। জোনাকীত বেজবৰুৱাদেৱে 'কন্যা' গল্পৰে এইবিধ ৰচনাৰ পাতনি মেলিছিল আৰু ক্ৰমে 'পণ্ডিত মহাশয়', 'চেনিচম্পা', 'পুত্ৰবান পিতা' আদি প্ৰকাশ কৰি গল্প ৰচনাৰ এক প্ৰেক্ষাপট নিৰ্মাণ কৰিছিল। তেওঁৰ জোনাকীত প্ৰকাশিত গল্পৰাজি কলা-কৌশলৰ ফালৰ পৰা সম্পূৰ্ণ নিখুঁত নহয় যদিও সাধুকথাৰ পৰা আঁতৰি আহি 'গল্প'ৰ ওচৰ চাপিছিল। বেজবৰুৱাদেৱে গল্পৰ মাজেৰে সমাজৰ বিভিন্ন দিশ পোহৰলৈ অনাৰ চেষ্টা কৰিছিল আৰু তেওঁৰ গল্পবোৰত এক সংস্কাৰকামী মনোভাৱ ফুটি উঠিছিল।

জোনাকীয়ে দেখুৱা বাটেৰেই 'বাঁহী' 'আলোচনী' 'মিলন' আদি আলোচনীয়েও গল্প প্ৰকাশৰ দিশত গুৰুত্ব দিছিল। বেজবৰুৱাৰ পিছতেই গল্প লিখিবলৈ আৰম্ভ কৰিছিল শৰৎ চন্দ্ৰ গোস্বামীয়ে। 'গল্পাঞ্জলি', 'ময়না', 'বাজিকৰ' আৰু 'পৰিদৰ্শন' তেওঁৰ গল্পৰ পুথি। অসমীয়া চুটিগল্পক কলাত্মক ৰূপ দান কৰাৰ ক্ষেত্ৰত শৰৎ চন্দ্ৰ গোস্বামীয়েও এক সমাজ সচেতন মনোভাৱ লৈ গল্প ৰচনা কৰিছে। তেওঁৰ গল্পৰ বিষয়বস্তু সাধুকথাধৰ্মী বিষয়বস্তুৰ পৰা ভালেখিনি আঁতৰি আহিল আৰু বাস্তৱ জীৱনৰ মাজত সোমাই পৰিল। মানুহৰ মনৰ মাজত দ্বন্দ্ব আৰু ব্যক্তি তথা সমাজৰ মাজৰ দ্বন্দ্বই তেওঁৰ গল্পত বিশেষভাৱে ব্যাপ্তি লাভ কৰিছে। তেওঁৰ গল্পৰ বান্ধোন আটিল, ভাষা সহজ, অনাড়ম্বৰ, কিন্তু বাক চাতুৰ্যৰে ভৰপুৰ। তেওঁৰ বেছিভাগ গল্পতে কাৰুণ্যই এক প্ৰধান ভাব হিচাপে ঠাই পাইছে। মানুহৰ অন্যায়-অবিচাৰ, হৃদয়হীনতা আৰু নিয়তিৰ নিষ্ঠুৰতাৰ বলী মানুহৰ জীৱনলৈ অহা কাৰুণ্যক তেওঁ অতি সবলভাৱে দেখুৱাইছে। 'বনৰীয়া প্ৰণয়', 'সন্যাসিনী', 'নদৰাম' আদি মানুহৰ জৈৱিক কামনা-বাসনাৰ ওপৰত আধাৰিত গল্প। নদৰামৰ চৰিত্ৰই গল্পত চৰিত্ৰৰ বৈশিষ্ট্য সম্পৰ্কে এক বিশেষ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে।

শৰৎ চন্দ্ৰ গোস্বামীৰ পিছতে গল্প ৰচনাত হাত দিয়া ব্যক্তিজন হ'ল দণ্ডিনাথ কলিতা। 'সাতসৰী' নামৰ গল্পৰে গল্পকাৰ হিচাপে প্ৰতিষ্ঠিত হোৱা কলিতাই উপন্যাস ৰচনাত অধিক গুৰুত্ব দিয়াৰ বাবেই গল্পৰ দিশটো নিস্প্ৰভ হৈ থাকিল। তথাপি অসমীয়া চুটিগল্পৰ উদ্ভৱকালৰ এজন গল্পকাৰ হিচাপে আমি তেওঁৰ অৱদান অস্বীকাৰ কৰিব নোৱাৰোঁ। সমাজৰ আগবঢ়া শ্ৰেণীটোৰ ব্যক্তিকেন্দ্ৰিকতা আৰু তাৰ ফলত সাধাৰণ মানুহৰ জীৱনলৈ নামি অহা দুৰ্যোগেই কলিতাৰ গল্পৰ ঘাই উপজীব্য। কলিতাৰ গল্পৰ প্লটত কোনো জটিলতা নাই, বক্তব্যও অতি পোনপটীয়া। তেওঁৰ গল্পত জাত-পাতৰ বিচাৰ, সামাজিক বৈষম্য আদিয়ে মুখ্য স্থান পাইছে যদিও কলা-কৌশলৰ অভাৱ আৰু চৰিত্ৰ ৰূপায়ণত থকা শিথিলতাৰ বাবে তেওঁৰ গল্পই যথাৰ্থ ৰূপ নাপালে। তথাপি বেজবৰুৱা আৰু গোস্বামীৰ সহযোগী হিচাপে তেওঁ সদায়েই স্মৰণীয়।

প্ৰাক্ আৱাহন যুগৰ আন এজন গল্পকাৰ হ'ল সূৰ্য কুমাৰ ভূঞা। ভূঞাৰ গল্প সংকলনটিৰ নাম 'পঞ্চমী', গল্পও মাত্ৰ পাঁচোটা। তথাপি এই পাঁচোটা গল্পৰ মাজেদিয়েই গল্প সাহিত্যৰ ইতিহাসত তেওঁ নিজৰ স্থান ৰাখি থৈ গৈছে। সমাজ সংস্কাৰৰ সচৰাচৰ ধাৰাটোৰ পৰা আঁতৰি আহি তেওঁ মানবীয় প্ৰেম, প্ৰীতি, ঈৰ্ষা, অসূয়া, স্নেহ, ভালপোৱা আদি বিচিত্ৰ অনুভূতিৰ প্ৰকাশতহে অধিক গুৰুত্ব প্ৰদান কৰিছিল। উদ্ভৱ কালৰ গল্প লেখকসকলৰ ভিতৰত চৰিত্ৰৰ মনোজগতৰ সন্ধান বিচৰাত ভূঞাই কিছু অগ্ৰণী ভূমিকা লোৱা বুলিব পাৰি। চৰিত্ৰসমূহৰ মাজৰ মানসিক দ্বন্দ্ব, নকৈ গঢ় লৈ উঠা মধ্যবিত্ত সমাজ আৰু গ্ৰাম্য জীৱনৰ মাজৰ দ্বন্দ্ব আদি তেওঁ সাৰ্থকভাৱে ফুটাই তোলাৰ চেষ্টা কৰিছিল। নৰ-নাৰীৰ প্ৰেমৰ গভীৰতা প্ৰকাশ কৰাৰ ক্ষেত্ৰতো ভূঞাই কিছু নতুনত্ব দেখুৱাব পাৰিছিল। স্পষ্ট প্ৰকাশভংগীৰে তেওঁৰ গল্পই আৱাহন যুগৰ বাট-কটাত সহায় কৰিছিল।

জোনাকী যুগ বা উদ্ভৱকালীন সময়ৰ আন এজন গল্পকাৰ হ'ল নকুল চন্দ্ৰ ভূঞা। 'বাঁহী' আৰু 'চেতনা'ত গল্প লিখিবলৈ আৰম্ভ কৰা ভূঞাদেৱে সমস্যাকেন্দ্ৰিক বিষয়বস্তুৰ পৰিবৰ্তে সচৰাচৰ ঘটি থকা ঘটনাৰ ওপৰত বিশেষ জোৰ দিয়া দেখা যায়। ভূঞাদেৱক পিছে উদ্ভৱকালীন সময়ৰ গল্পকাৰ বুলিলেও তেওঁ 'আৱাহন'ৰ পাততো গল্প লিখিছিল আৰু তাতহে তেওঁৰ গল্পই পূৰ্ণতা পাইছিলগৈ। প্ৰথম অৱস্থাত 'চোৰাংচোৱাৰ চ'ৰা' আৰু 'গল্পৰ শৰাই' শীৰ্ষক সংকলন দুটাৰ গল্পবোৰত তেওঁৰ প্ৰতিভাৰ স্ফূৰণহে ঘটিছিল মাত্ৰ, পক লোৱাগৈ নাছিল। আৱাহনৰ পাততো তেওঁৰ 'গোহাঁইদেউ', 'ছোৱালীৰ গা-ধন', 'অভিনেতাৰ কথা', 'কাৰ ভুল' আদি বহুবোৰ গল্প প্ৰকাশ হৈছিল যদিও গুণগত দিশৰ পৰা সিবোৰক আৱাহন যুগৰ গল্প বোলা টান। কিন্তু ইয়াতে তেওঁৰ 'মেক-ফেৰি' নামৰ এটা সাৰ্থক গল্পও প্ৰকাশ পাইছিল। গল্পক শিল্প হিচাপে সমৃদ্ধ কৰাৰ ক্ষেত্ৰত ভূঞাৰ বিশেষ বৰঙণি আছে বুলিব নোৱাৰি, কিন্তু উদ্ভৱকালীন সময়ৰ লেখক হিচাপে তেওঁৰ অৱদান নিশ্চয় লক্ষণীয়।

জোনাকী যুগৰ মূল কথা হ'ল এই নতুন শিল্পৰ ভেটি নিৰ্মাণ কৰা। অসমীয়া সাহিত্যলৈ নতুনকৈ অহা এই সাহিত্য-ৰূপৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জোনাকীযুগে যথাযোগ্য ভূমিকা পালন কৰিছে বুলি ন-দি ক'ব পাৰি। প্ৰথম কথা জোনাকীৰ সময়ছোৱাতে সাধুকথাৰ পৰা আঁতৰি আহি এইবিধৰ সৃষ্টিশীল ৰচনাই প্ৰকৃত অৰ্থত চুটিগল্পৰ বৈশিষ্ট্যবোৰ আয়ত্ব কৰিব পাৰিছে। বিষয়বস্তুৰ ক্ষেত্ৰতো সাধুকথাধৰ্মী বিষয়বস্তুৰ পৰিবৰ্তে বাস্তৱৰ বিষয়বস্তুলৈ দৃষ্টি প্ৰসাৰিত কৰিছে আৰু আংগিকৰ ক্ষেত্ৰতো ভালেখিনি পৰিপক্কতা লাভ কৰিছে। ব্যক্তি জীৱনৰ দ্বন্দ্ব তথা সমাজ আৰু ব্যক্তিৰ মাজৰ দ্বন্দ্ব তথা নৰ-নাৰীৰ মাজৰ প্ৰেম আদি বিষয়বোৰে গুৰুত্ব পাবলৈ আৰম্ভ কৰিছে। তথাপি এই গোটেইবোৰকে আমি চালুকীয়া অৱস্থা বুলিয়েই ক'ব লাগিব। দৰাচলতে অসমীয়া চুটিগল্পই পূৰ্ণতা পাইছে আৱাহনৰ পাততহে।

**আত্মমূল্যায়ন প্ৰশ্ন**

উদ্ভৱকালীন সময়ত অসমীয়া চুটিগল্পৰ মূল বৈশিষ্ট্যৰাজি কি কি? (৫০ টা শব্দৰ ভিতৰত উত্তৰ কৰক)

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

## ১.৪ আৰাহন যুগৰ অসমীয়া চুটিগল্প

আৰাহন সম্পৰ্কত দীননাথ শৰ্মাই কৈছিল — "১৯২১ চনত ভাৰত জুৰি বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী জাতীয় আন্দোলনৰ সোঁত বৈ গৈছিল। তাৰ ঢৌৱে পূৱ-প্ৰান্তৰ অসমকো প্লাৱিত কৰিছিল। বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰামত অসমীয়াৰ জাতীয় চেতনা বহুগুণে বাঢ়ি যায়। এই নৱ চেতনাই আমাৰ সাহিত্যত নতুন তেজৰ সঞ্চাৰ কৰে। আৱাহন এই মহৎ চেতনাৰ অৱশ্যম্ভাৱী সৃষ্টি।" — শৰ্মাদেৱৰ এই মন্তব্যতে আৰাহন যুগৰ প্ৰেক্ষাপট স্পষ্ট হৈ উঠিছে। অৰ্থাৎ ভাৰতৰ জাতীয় আন্দোলনে কঢ়িয়াই অনা নব্য-চেতনাৰ লগত সমান্তৰালভাৱে অহা নাৰী স্বাধীনতা, স্বদেশ প্ৰেম, জাতীয় চেতনা, মধ্যবিত্তৰ নানান সমস্যা আদিক আৰাহনে গুৰুত্ব দিছিল বা অনিবাৰ্যভাৱেই আৰাহনক সেইবোৰে প্ৰভাৱিত কৰিছিল। গতিকে আৰাহন যুগৰ গল্পৰ পটভূমিত এই সকলোবোৰ দিশ পৰিস্ফূট হৈ পৰিছিল। উচ্চ শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰে এই যুগৰ গল্পকাৰসকলক ইংৰাজী সাহিত্যৰ লগত বাৰুকৈয়ে চিনাকী কৰি দিছিল। গতিকে ফ্ৰয়েডীয় মনস্তত্ত্বকে ধৰি ন ন চিন্তা ভাবনায়ো আৰাহন যুগতে ভুমুকি মাৰিছিল।

আৰাহন যুগৰ গল্পকাৰসকলৰ ভিতৰত আমি প্ৰথমেই নাম ল'ব লাগিব নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ। আৰাহনৰ জন্মদাতা চৌধুৰীদেৱে কাহিনী প্ৰধান গল্পৰ মাজেৰে নিজস্ব এক ৰচনাশৈলীৰ পৰিচয় দাঙি ধৰিছে। সমকালীন গোৱালপাৰাৰ বিলোপ প্ৰায় জমিদাৰী প্ৰথা, জনজাতীয় সমাজ, সমাজৰ ৰক্ষণশীলতা আৰু কু-সংস্কাৰৰ বলি হোৱা মানুহৰ জীৱন আৰু প্ৰেম প্ৰণয়, আদিয়েই তেওঁৰ গল্পৰ মূল কথা। কাহিনী প্ৰধান বা বৰ্ণনাধৰ্মী হোৱাৰ বাবে তেওঁৰ বেছিভাগ গল্পই দীঘলীয়া। পুৰুষ প্ৰধান সমাজত নাৰীৰ জীৱনৰ প্ৰতিচ্ছবি তেওঁ 'মধুমালতী', 'অসবৰ্ণ আইন' আদি গল্পত স্পষ্ট। আনহাতে জনজাতীয় সমাজৰ প্ৰতিচ্ছবিৰে পৰিপূৰ্ণ তেওঁৰ উল্লেখনীয় গল্প হ'ল 'টুণী', 'লাভ', ধন ভৰাল আদি গল্প। চৌধুৰীয়ে বৰ্ণনা প্ৰধান গল্পবোৰৰ মাজেদিও চৰিত্ৰৰ মনৰ কথা ক'বলৈ যত্ন কৰিছে। তেওঁৰ গল্প নিটোল বুলিব নোৱাৰি, কিন্তু আৰাহনৰ পাতত গল্পক এক গত লগাই দিয়াত তেওঁৰ বৰঙণি কোনেও নুই কৰিব নোৱাৰে।

'আলোচনী' নামৰ আলোচনীখনতে গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰা লক্ষীনাথ ফুকনে গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰে আৰাহনৰ পাতত। তেওঁৰ গল্প সংকলনসমূহ হ'ল 'মালা', ওফাইডাং', আৰু 'মৰমৰ মাধুৰী'। তেওঁৰ 'মেধী' 'টাইপিষ্টৰ জীৱন' আদি উল্লেখনীয় গল্প। ফুকনে আৰাহনৰ সময়ৰপৰা ৰামধেনুৰ যুগলৈকে দীঘলীয়া সময় ধৰি গল্প ৰচনা কৰিছিল। তেওঁৰ গল্পৰ গাঁথনি শিথিল, কিন্তু ভাষা অতি প্ৰাঞ্জল নিভাঁজ গ্ৰাম্য উপমাধৰ্মী ভাষাৰ প্ৰয়োগে তেওঁৰ গল্পসমূহক এক সুকীয়া স্বাদ দিছে।

আৰাহনৰ যুগটোক নিজৰ সৃষ্টিশীল প্ৰতিভাৰে ধন্য কৰা আন আন গল্পকাৰসকল হ'ল— মহীচন্দ্ৰ বৰা, লক্ষীধৰ শৰ্মা, হলীৰাম ডেকা, ৰমা দাশ, বীণা বৰুৱা, ত্ৰৈলোক্যনাথ গোস্বামী, ৰাধিকা মোহন গোস্বামী, কৃষ্ণ ভূএগ্ৰা, ইত্যাদি। আন বহু গল্পকাৰেই দুই এক বৰঙণিৰে আৰাহন যুগটোক সমৃদ্ধ কৰিছে, সকলোৰে আলোচনা সম্ভৱ নহয়। কিন্তু আৰাহন যুগৰ প্ৰতিনিধি হিচাপে আমি উল্লেখিত গল্পকাৰসকলৰ নাম ল'বলৈ লাগিব। ইয়াৰে ভিতৰত মহীচন্দ্ৰ বৰুৱাই বেজবৰুৱাই প্ৰতিষ্ঠা কৰি থৈ যোৱা হাস্য-ব্যংগৰ ধাৰাটোক শক্তিশালী ৰূপ দিয়াৰ প্ৰচেষ্টা চলাইছিল। অৱশ্যে তেওঁৰ গল্পত হাস্যৰসতকৈ ব্যংগৰ মাত্ৰাহে বেছি। বৰাৰ এক সমাজ সচেতন মন আছিল আৰু আছিল সূক্ষ্ম পৰ্যবেক্ষণ। নিভাঁজ ভাষাৰ মোহময়ী শক্তিৰে তেওঁৰ গল্পসমূহ সমৃদ্ধ। 'উকীলৰ জন্ম ৰহস্য' বৰাৰ প্ৰকাশিত গল্প পুথি।

'ব্যৰ্থতাৰ দান' নামৰ গল্প সংকলনটোৰে প্ৰতিষ্ঠা লাভ কৰা লক্ষীধৰ শৰ্মাৰ বেছিভাগ গল্পই আৱাহনৰ পাততে প্ৰকাশ পাইছিল। শৰ্মাৰ চৰিত্ৰবোৰ কল্পনাৰ সৃষ্টি হ'লেও তাক গল্পকাৰে নিজৰ দক্ষতাৰে জীৱন্ত কৰি তুলিছিল। হোমেন বৰগোঁহাঞিয়ে কৈছে— "মানৱ মুক্তিৰ এক বিৰাট সংগ্ৰামত তেওঁ নিজে লিপ্ত আছিল আৰু তেওঁৰ কল্পনাৰ সৃষ্টি চৰিত্ৰবোৰ আছিল সেই সংগ্ৰামৰ পথত তেওঁৰ সংগী।" লক্ষীধৰ শৰ্মাৰ গল্পত গঠন কৌশল আৰু অভ্যন্তৰৰ ভাৱ প্ৰতিফলনৰ ক্ষেত্ৰত ভালেখিনি পৰিপক্কতা দেখা যায়। তেওঁৰ বক্তব্য স্পষ্ট পোনপটীয়া আছিল যদিও সি কাহিনী আৰু চৰিত্ৰ দুয়োটাকে প্ৰাণৱন্ত ৰূপত ফুটাই তুলিছিল।

হলীৰাম ডেকা আৱাহন যুগৰ এগৰাকী বিশিষ্ট গল্পকাৰ। হলীৰাম ডেকাই অসমীয়া চুটিগল্পত অগতানুগতিক পটভূমি আৰু বিষয়বস্তুৰে ভালেখিনি পৰিবৰ্তন সাধিছিল। বিশেষকৈ সময়ৰ দ্ৰুত পৰিবৰ্তনৰ ছবিৰে তেওঁৰ গল্প সমৃদ্ধ। মানুহৰ জীৱনৰ আভ্যন্তৰীণ জগতখনৰ গভীৰ বিশ্লেষণ ডেকাৰ গল্পত অতি সাৰ্থকভাৱে প্ৰতিফলিত হৈছে। ব্যক্তিৰ মনোজগতৰ ওপৰত অধিক গুৰুত্ব দিয়াত জীৱনৰ লগত সাহিত্যৰ সম্পৰ্ক গভীৰ হৈ পৰিল। গল্পত বিশদ বিৱৰণৰ পৰিবৰ্তে সংক্ষিপ্ত বৰ্ণনাৰ মাজেৰে পূৰ্ণতাৰ ছবি অংকনৰ প্ৰয়াস ডেকাৰ গল্পত দেখা যায়। হোমেন বৰগোঁহাঞিদেৱে সেয়েহে মন্তব্য কৰিছে যে "হলীৰাম ডেকাৰ ৰচনাতেই অসমীয়া গল্পৰ বয়োঃপ্ৰাপ্তিৰ লক্ষণো দেখা গৈছে।"

'ৰমা দাশৰ শ্ৰেষ্ঠ গল্প', 'জাহ্নৱী' আৰু 'বৰ্ষা যেতিয়া নামে', নামেৰে তিনিখন গল্প পুথিৰ প্ৰণেতা ৰমা দাশ আৱাহন যুগৰ এজন গতানুগতিক গল্পকাৰ। অৱশ্যে তেওঁৰ গল্প কোৱাৰ এক নিজস্ব শৈলী আছে। ৰমা দাশে নৰ-নাৰীৰ প্ৰেম বিষয়ক নানান গল্প ৰচনা কৰিছে যদিও চৰিত্ৰবোৰৰ ভিতৰলৈ সাৰ্থকভাৱে সোমাব পৰা নাই। সেয়েহে বৰঙণিৰ ফালৰপৰা যথেষ্ট হ'লেও শৈল্পিক গুণৰ ফালৰ পৰা দাশৰ গল্পই কোনো বিশেষ মান্যতা দাবী কৰিব নোৱাৰে।

আৱাহনৰ পাতৰ পৰা ৰামধেনুৰ পাতলৈকে গল্প লিখা বীণা বৰুৱা এজন প্ৰসিদ্ধ গল্পকাৰ। 'আঘোণীবাই' আৰু 'পট পৰিবৰ্তন' তেওঁৰ প্ৰকাশিত গল্প পুথি। 'পট পৰিবৰ্তনত' তেওঁ নকৈ গঢ় লৈ উঠা মধ্যবিত্ত শ্ৰেণীটোৰ জীৱন চৰিত আৰু 'আঘোণীবাই' নামৰ সংকলনটিত পৰম্পৰাগত গ্ৰাম্য সমাজখনৰ চিত্ৰ চিত্ৰিত কৰিছে। বীণা বৰুৱাই গল্পৰ কথন ৰীতিত এক নতুন মাত্ৰা সংযোজন কৰে। বিষয়বস্তুৰ শিল্পসন্মত পৰিকল্পনা তেওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য। গল্পকাৰ বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্মনামত লিখা এই গল্পবোৰত তেওঁৰ গৱেষক হিচাপে থকা সূক্ষ্ম পৰ্যবেক্ষণৰ স্বৰূপ স্পষ্ট হৈ আছে।

ত্ৰৈলোক্যনাথ গোস্বামীৰ প্ৰকাশিত পুথি পাঁচখন — 'অৰুণা', 'মৰীচিকা', 'শিল্পীৰ জন্ম', 'জীৱনৰ জীয়া দুই' আৰু 'গল্প সংগ্ৰহ'। গোস্বামীৰ গল্পত বঞ্চিত নিপীড়িতসকলৰ জীৱনৰ ছবি অতি সাৰ্থকভাৱে অংকিত হৈছে। সমাজৰ প্ৰচলিত কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰ বিৰুদ্ধেও তেওঁ সজাগ। গোস্বামীৰ ভাষা অতি প্ৰাঞ্জল আৰু পোনপটীয়া। তেওঁৰ গল্পৰ চৰিত্ৰ চিত্ৰণো অতি বলিষ্ঠ।

ৰাধিকা মোহন গোস্বামীৰ গল্প এতিয়াও আলোচনীৰ পাততে সিঁচৰিত হৈ আছে। তেওঁৰ কেইটামান গল্প শিল্পগুণৰ ফালৰ পৰা অতি সমৃদ্ধ। হোমেন বৰগোঁহাঞিয়ে কৈছে — 'গোস্বামীৰ গল্প সংখ্যাত সৰহ নহয় যদিও সাহিত্যিক গুণ আৰু সামাজিক তাৎপৰ্যৰ ফালৰ পৰা তেওঁৰ গল্পকেইটা অসমীয়া সাহিত্যত বিশেষভাৱে চিত্ৰিত হ'বৰ যোগ্য। গোস্বামীৰ গল্পৰ ভাষাৰ মাজত

সাৰলীলতা আৰু লালিত্য উল্লেখনীয় উপাদান। তেওঁৰ গল্পত ঐতিহ্যপ্ৰীতি আৰু আধুনিক চিন্তা দুয়োটাই সমানে উজ্জ্বল।

কৃষ্ণ ভূঞাৰ গল্পৰ অন্যতম বৈশিষ্ট্য হ'ল সংক্ষিপ্ত বৰ্ণনা। চুটিগল্পৰ সংক্ষিপ্ততা সম্পৰ্কে তেওঁ যথেষ্ট সজাগ আছিল। তেওঁ কাহিনীধৰ্মী বৰ্ণনাৰ পৰা অসমীয়া চুটিগল্পক আঁতৰাই অনাৰ চেষ্টা কৰিছিল। বিষয়বস্তুৰ অভিনৱত্ব আৰু ৰচনাৰীতিৰ বিশিষ্টতাৰ বাবে তেওঁৰ গল্প শৈল্পিকভাৱে যথেষ্ট আগবঢ়া বুলিব পাৰি।

আৱাহন যুগৰ গল্পকাৰসকলৰ ভিতৰত আমি মুনীন বৰকটকী, উমেশ চন্দ্ৰ শইকীয়া, দীননাথ শৰ্মা, উমাকান্ত শৰ্মা, গোবিন্দ চন্দ্ৰ পৈৰা, ইন্দিবৰ গগৈ, প্ৰেম নাৰায়ণ দত্ত আদিৰ নামো ল'ব লাগিব। এইসকল গল্পকাৰেও নিজা নিজা বৈশিষ্ট্যৰে ভালেমান গল্প ৰচনা কৰি আৱাহন যুগটোক সমৃদ্ধ কৰি থৈ যায়।

আৱাহন যুগৰ গল্পত দেশৰ স্বাধীনতাই অনা নানা বিধ চিন্তা-চেতনাৰ স্ফুৰণ ঘটিছে। সমকালীন জাতীয় সমস্যা, নাৰী স্বাধীনতা, গভীৰ মানৱীয় দৃষ্টিভংগী, নতুন মধ্যবিত্ত শ্ৰেণীৰ চৰিত্ৰ, আধুনিকতাৰ ফলত পৰম্পৰাগত সমাজলৈ অহা সংকট, নাৰী স্বাধীনতা, সামাজিক কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰোধিতা আৰু প্ৰতিশীল দৃষ্টিভংগী আদি নানাবোৰ দিশ প্ৰতিভাত হৈ উঠিছে। এই সকলোবোৰকে বুকুত বান্ধি আংগিক আৰু কথন ভংগীৰে অসমীয়া চুটিগল্পই এই যুগতে সমৃদ্ধিৰ বাটেদি খোজ পেলাবলৈ আৰম্ভ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া চুটিগল্পই আৱাহন যুগত কোনবোৰ বিষয়বস্তুক সামৰি লৈছিল? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................................
..................................................................................................................
..................................................................................................................

### ১.৫ ৰামধেনু যুগৰ আৰু তাৰ পৰৱৰ্তী সময়ৰ অসমীয়া চুটিগল্প

অসমীয়া চুটিগল্পত আৱাহন যুগৰ পিছত এক শক্তিশালী পৰিৱৰ্তন আহে ৰামধেনুৰ পাতত। ইতিমধ্যে সমাজ জীৱনলৈ অহা পৰিৱৰ্তনে ৰামধেনু যুগৰ গল্পকাৰসকলক বাৰুকৈয়ে প্ৰভাৱিত কৰিলে। ১৯৩৯ চনৰ দ্বিতীয় মহাসমৰৰ অস্থিৰতা আৰু তাণ্ডৱে প্ৰচলিত মূল্যবোধ আৰু চিন্তা-চেতনাক জোকাৰি গ'ল। সমান্তৰালভাৱে ভাৰতবৰ্ষত চলা বিয়াল্লিশৰ গণ আন্দোলনে ভাৰতীয় সমাজক আৰু অশান্ত কৰি তুলিলে। এফালে যেনেকৈ অশান্তি বাঢ়িল আনফালে জাতীয় চেতনাই প্ৰবল ৰূপ ধৰিলে। ভাৰতীয় মানুহৰ মনত এক নতুন উদ্দীপনাৰো সৃষ্টি হ'ল। অসমৰ সমাজ জীৱনতো নানান পৰিৱৰ্তন ঘটিব ধৰিলে। বিয়াল্লিশৰ আন্দোলনৰ অহিংস আৰু সশস্ত্ৰ দুয়োটা ধাৰাৰ প্ৰভাৱ, নতুনকৈ অহা ৰাজনৈতিক চেতনা, প্ৰব্ৰজনৰ সমস্যা, নতুনকৈ অহা মাক্সবাদী চিন্তা-ধাৰণা আদিয়ে অসমীয়া গল্পকাৰসকলৰ মনত ঠাই পাবলৈ ধৰিলে। ক্ৰমান্বয়ে

বাঢ়ি অহা কৃষক সমস্যা, সদ্য স্বাধীন দেশখনত খোপনি পোতা সুবিধাবাদী শ্ৰেণীটোৰ ভূমিকা, বঞ্চিতসকলৰ দুৰ্দ্দশা আদিৰ চিত্ৰয়ো গল্পত ঠাই পালে। যুদ্ধোত্তৰ যুগটো বা ৰামধেনুৰ যুগটোৰ আধাতকৈ গুৰুত্বপূৰ্ণ দিশটো আছিল মূল্যবোধৰ সংকট। আৱাহন যুগৰ ৰোমাণ্টিকতাৰ ঠাইত বাস্তৱমুখী চিন্তাই ৰামধেনু যুগৰ গল্পকাৰসকলক প্ৰভাৱিত কৰিলে। নৰ-নাৰীৰ প্ৰেম সম্পৰ্কতো নতুন মূল্যবোধ আহিল। পূৰ্বৰ স্বৰ্গীয় প্ৰেমৰ ঠাই ল'লে প্ৰেমৰ বাস্তৱ, জৈৱিক ৰূপটোৱে। তাৰ বৈবিধ্যৰ স'তে গল্পকাৰসকল পৰিচিত হ'ল আৰু প্ৰেম জনিত এনে সমস্যাবোৰৰ ফ্ৰয়েডীয় মনস্তত্ত্বৰ আধাৰত বিচাৰ কৰাৰ প্ৰৱণতা বাঢ়িল। গল্পৰ বিষয়বস্তুৰ মাজলৈ অহা এনে পৰিবৰ্তনে আংগিকৰো ভালেখিনি পৰিবৰ্তন সাধিলে। এই সকলো পৰিবৰ্তনেৰে সমৃদ্ধ হৈ অসমীয়া চুটিগল্পই ৰামধেনুৰ পাতত আশাতীত পৰিপক্কতা লাভ কৰিলে।

ৰামধেনু যুগটোক সমৃদ্ধ কৰা গল্পকাৰসকলৰ ভিতৰত চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, মহিম বৰা, লক্ষ্মীনন্দন বৰা, মেদিনী চৌধুৰী, হোমেন বৰগোঁহাঞি, ভবেন্দ্ৰনাথ শইকীয়া, চন্দ্ৰপ্ৰসাদ শইকীয়া, সৌৰভ কুমাৰ চলিহা, পদ্ম বৰকটকী, শীলভদ্ৰ, নগেন শইকীয়া, নিৰোদ চৌধুৰী, মামণি ৰয়চম গোস্বামী, আদিয়েই প্ৰধান।

ৰামধেনু যুগৰ আটাইতকৈ জনপ্ৰিয় গল্পকাৰ হিচাপে আত্মপ্ৰতিষ্ঠা কৰা গল্পকাৰজন হ'ল চৈয়দ আব্দুল মালিক। 'পৰশমণি', 'ৰঙাঘৰ', 'মৰম মৰম লাগে', 'মৰহা পাপৰি', 'শিল আৰু শিখা', 'এজনী নতুন ছোৱালী', 'শিখৰে শিখৰে', 'পোৱাগাঁৱত পহিলা ব'হাগ', 'প্ৰাণাধিকা', 'ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ' আদি তেওঁৰ প্ৰকাশিত গল্প পুথি। সংখ্যাৰ ফালৰ পৰাও মালিকেই সম্ভৱত সৰহ সংখ্যক গল্প লিখা ব্যক্তি। তেওঁৰ গল্পৰ মাজত সমাজ সচেতনতা আছে, অসহায় নিপীড়িতজনৰ প্ৰতি সহানুভূতিশীল মনোভাৱ আছে আৰু নৰ-নাৰীৰ জীৱনৰ বিভিন্ন সমস্যাৰ প্ৰতিফলন। নৈতিকতা আৰু মানৱীয় প্ৰমূল্য তেওঁৰ গল্পৰ মাজত স্পষ্ট। চুটি চুটি বাক্য আৰু সাৱলীল বৰ্ণনাৰে মালিকৰ প্ৰায়বোৰ গল্পই সুখপাঠ্য। প্ৰথম ছোৱাৰ গল্পত সযত্ন অনুশীলনৰ অভাৱ আছে যদিও তেওঁৰ বহুবোৰ গল্পই শ্ৰেষ্ঠতা দাবী কৰিব পাৰে।

জ্ঞানপীঠ বঁটা বিজয়ী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য এজন সামাজিকভাৱে দায়বদ্ধ লিখক। তেওঁৰ উল্লেখনীয় গল্পপুথি হ'ল 'সাতসৰী' আৰু 'কলং আজিও বয়'। ৰামধেনু যুগৰ গল্পকাৰসকলৰ ভিতৰত তেওঁ এখন সুকীয়া আসনৰ অধিকাৰী। সমাজ-বাস্তৱতাক অতি প্ৰকটভাৱে তেওঁ গল্পত তুলি ধৰিছে। তেওঁৰ গল্পত নৰ-নাৰীৰ যৌন মনস্তত্ত্বৰ সফল প্ৰয়োগ আন এক লক্ষণীয় দিশ। নাট্যগুণসমৃদ্ধ গল্পবোৰত প্ৰকাশৰ সংযম আন এক উল্লেখনীয় দিশ।

'পপীয়া তৰা', 'আন্ধাৰৰ আঁৰে আঁৰে', 'হেজাৰ লোকৰ ভিৰ', 'পৃথিৱীৰ অসুখ', 'ত্ৰিবেণী' আদি গল্পপুথিৰে প্ৰতিষ্ঠা লাভ কৰা যোগেশ দাস ৰামধেনু যুগৰ বিশিষ্ট গল্পকাৰ। তেওঁ নিজেই কৈছে "দীঘল চুটিৰ কথা, টেকনিকৰ কথা মই বৰকৈ নাভাবোঁ। মই চুটিগল্পক মানৱ মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সংঘাতৰ সাহিত্যিক প্ৰকাশৰ সৰ্বশ্ৰেষ্ঠ মাধ্যম বুলি ভাবোঁ।" সেয়েহে তেওঁৰ গল্পত আংগিক টেকনিক আদিৰ দিশত ভালেমান ত্ৰুটি থকা বুলি সমালোচকসকলে মন্তব্য কৰে। কিন্তু সৰল বাক-ভংগীৰে অজটিল বিষয় একোটাক অতি সুন্দৰভাৱে তুলি ধৰি তেওঁ ভালেকেইটা মোহনীয় গল্প উপহাৰ দি গৈছে।

মহিম বৰাৰ গল্প গ্ৰাম্য জীৱনৰ ওপৰত আধাৰিত। বৰাদেৱেও গল্পৰ টেকনিক, সুসংহত কাহিনী আদিৰ প্ৰতি বিশেষ লক্ষ্য নকৰে। পৰিবেশৰ ওপৰত অধিক গুৰুত্ব দিয়া বৰাৰ গল্পত ভাষাৰ সাৱলীলতা আৰু বৰ্ণনাৰ প্ৰাণস্পৰ্শিতাই এক বেলেগ মাত্ৰা সংযোজন কৰে। তেওঁৰ

'কাঠনিবাৰীৰ ঘাট', 'টোপ', 'তিনিৰ তিনি গ'ল' আদি বিখ্যাত গল্প। 'কাঠনিবাৰীৰ ঘাট', 'বহুভূজী ত্ৰিভুজ', 'মই পিপলি আৰু পূজা', 'এখন নদীৰ মৃত্যু', 'ৰাতি ফুলা ফুল', আদি তেওঁৰ প্ৰকাশিত গল্প সংকলন।

'পাতাল ভৈৰৱী' উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰা লক্ষ্মীনন্দন বৰাৰ গল্পপুথি হ'ল— 'দৃষ্টিৰূপা', 'মন মাটি মেঘ', 'অচিন কইনা', 'কঠিন মায়া', 'মাজত তৃষাৰে নৈ', 'গোপন গধূলি' ইত্যাদি। বৰাৰ গল্পত গ্ৰাম্য জীৱনৰ দুখ-সুখ, হা-হুতাশৰ ছবি অতি প্ৰাঞ্জলভাৱে বৰ্ণিত হৈছে। বৰা আধুনিক আৰু টেকনিকৰ প্ৰতি সচেতন গল্পকাৰ। মেদিনী চৌধুৰীৰ গল্পত সমাজৰ নিস্পেষিত শ্ৰেণীটোৰ প্ৰতি গভীৰ সহানুভূতি ফুটি উঠা দেখা যায়। বৰ্ণনাত অধিক গুৰুত্ব দিয়া চৌধুৰীৰ ভাষাৰ ওপৰত থকা দখল মন কৰিবলগীয়া। সমাজ-বাস্তৱৰ নিখুঁত ছবিয়ে তেওঁৰ গল্পবোৰক অধিক সুখপাঠ্য কৰি তুলিছে।

যুদ্ধোত্তৰ কালৰ এজন শক্তিশালী গদ্য লেখক হ'ল হোমেন বৰগোহাঞি। তেওঁৰ গল্পত ফ্ৰয়েডীয় মনস্তত্ত্ব আৰু অস্তিত্ববাদী দৰ্শনৰ কিঞ্চিত প্ৰভাৱ দেখা যায়। জীৱনৰ নিগূঢ় সত্যৰ অন্বেষণ তেওঁৰ গল্পৰ এক গুৰুত্বপূৰ্ণ দিশ। পিছৰ কালত ৰচিত গল্পবোৰত বাস্তৱ চেতনাই বলিষ্ঠ ৰূপত আত্মপ্ৰকাশ কৰিছে। 'বিভিন্ন কোৰাছ', 'প্ৰেম আৰু মৃত্যুৰ কাৰণে' আদি তেওঁৰ উল্লেখনীয় সংকলন।

ভবেন্দ্ৰনাথ শইকীয়া ৰামধেনু যুগৰ এজন সুনিপুন গল্পকাৰ। নাটকীয় উপস্থাপন আৰু সূক্ষ্ম পৰ্যবেক্ষণৰ বাবে তেওঁৰ গল্পই এক সুকীয়া মৰ্যদা লাভ কৰিছে। পৰিবেশ সৃষ্টিৰ ক্ষেত্ৰতো শইকীয়াৰ দক্ষতা লক্ষণীয়। 'প্ৰহৰী', 'গহ্বৰ', 'বৃন্দাবন', 'সেন্দুৰ', 'শৃংখল', 'সান্ধ্য ভ্ৰমণ' আদি তেওঁৰ উল্লেখনীয় সংকলন। শব্দৰ মিতব্যয়িতাৰ বাবে শইকীয়াৰ গল্পই পাঠকক অতি নিবিড়ভাৱে বান্ধি ৰাখিব পাৰে।

নৈতিক প্ৰমূল্যৰ ওপৰত অধিক গুৰুত্ব দি গল্প ৰচনা কৰা গল্পকাৰসকলৰ ভিতৰত চন্দ্ৰপ্ৰসাদ শইকীয়াৰ নাম উল্লেখনীয়। চৰিত্ৰ চিত্ৰণত এক গভীৰ অন্তৰ্দৃষ্টি থকা শইকীয়াই সাধাৰণতে মধ্যবিত্ত মানসিকতাৰ বিভিন্ন দিশ ফুটাই তুলিবৰ যত্ন কৰিছে। 'মায়ামৃগ', 'এদিন', 'নাচপতি ফুল', 'অংগীকাৰ' আদি শইকীয়াৰ প্ৰকাশিত গল্পপুথি।

ৰামধেনুৰ পাততে খ্যাতিমান হৈ উঠা সৌৰভ কুমাৰ চলিহা। কলেজীয়া জীৱনতে 'অশান্ত ইলেকট্ৰন' নামৰ গল্পৰ বাবে খ্যাত হৈ পৰা চলিহাই আংগিকৰ ওপৰত যথেষ্ট গুৰুত্ব দি গল্প ৰচনা কৰিছে। মনোজগতৰ ক্ৰিয়াশীলতাৰ ওপৰত চলিহা অধিক নিৰ্ভৰশীল। তেওঁৰ গল্পত 'চেতনাস্ৰোত'ৰ এক অনুৰণন স্পষ্ট হৈ আছে।

এইসকল গল্পকাৰৰ বাদেও 'অশ্লীল', 'ৰীতাৰ প্ৰেম', 'বিয়াৰ প্ৰথম নিশা' আদি গল্প পুথিৰে প্ৰতিষ্ঠা হোৱা পদ্ম বৰকটকী; 'অনেক আকাশ', 'জলছবি' আদি গল্পপুথিৰে প্ৰকাশ লাভ কৰা নিৰুপমা বৰগোঁহাঞি, 'নিশিগন্ধা', 'হংসমিথুন' আদিৰে গল্পকাৰ হিচাপে পৰিচিত লাভ কৰা নিৰোদ চৌধুৰী আদিৰ বৰঙণিও উল্লেখনীয়। ইয়াৰ লগতে ৰামধেনু যুগতে পৰিচিতি লাভ কৰা — শীলভদ্ৰ, নগেন শইকীয়া, প্ৰবীনা শইকীয়া, মামণি ৰয়চম গোস্বামী, মহেন্দ্ৰ বৰঠাকুৰ, অপূৰ্ব শৰ্মা আদিৰ নামো আমি ল'ব লাগিব।

### আত্মমূল্যায়ন প্ৰশ্ন

ৰামধেনু যুগটোৰ গল্পসমূহলৈ অহা পৰিবৰ্তনৰ কাৰণ কি? (৬০ টা শব্দৰ ভিতৰত উত্তৰ কৰক)

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

ৰামধেনু যুগটো ভালেমান সমালোচকে ১৯৭০ চনলৈকে ধৰিছে। সেই হিচাপে সত্তৰৰ দশকৰ পিছত আৰু ভালেসংখ্যক গল্পকাৰে আত্মপ্ৰকাশ কৰিছে আৰু নিজৰ নিজৰ সৃষ্টিশীল লেখনিৰে অসমীয়া গল্প সাহিত্যক চহকী কৰিছে।

এই সময়ছোৱাতে বিশেষভাৱে খ্যাতি লাভ কৰা গল্পকাৰসকল হ'ল — শীলভদ্ৰ, নগেন শইকীয়া, অতুলানন্দ গোস্বামী, অপূৰ্ব শৰ্মা, কুমুদ গোস্বামী, হেমন্ত কুমাৰ শৰ্মা, মহেন্দ্ৰ বৰঠাকুৰ, অনিমা দত্ত, ভদ্ৰেশ্বৰ ৰাজখোৱা, অৰুণ গোস্বামী, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য, ৰবীন্দ্ৰ বৰা, উদয়াদীত্য ভঁৰালী, ভূপেন শৰ্মা, বিপুল খাটনিয়াৰ, নয়ন মেধি, হৰেকৃষ্ণ ডেকা, অশ্বিনী কুমাৰ শৰ্মা, যমুনা শৰ্মা চৌধুৰী, দেবব্ৰত দাস, ফুল গোস্বামী, পূৰবী বৰমূদৈ, ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, প্ৰণতি গোস্বামী, অৰুপা পটঙ্গীয়া, কুল শইকীয়া, মনোজ কুমাৰ গোস্বামী, বিতোপন বৰবৰা, ইমৰাণ হুছেইন, ৰাজীব বৰুৱা, মৌচুমী কন্দলী, অনুৰাধা শৰ্মা পূজাৰী, মাইনী মহন্ত, নবনীতা গগৈ, হৰপ্ৰিয়া বাৰুকিয়াল বৰগোঁহাঞি, বন্দিতা ফুকন আদি। এইসকল গল্পকাৰৰ উপৰিও আৰু বহুত গল্পকাৰেই আধুনিক অসমীয়া গল্পৰ ধাৰাটো সমৃদ্ধ কৰি ৰাখিছে। সকলোৰে উল্লেখ এই ক্ষুদ্ৰ পৰিসৰৰ মাজত সম্ভৱ নহয়। ইয়াত মাত্ৰ অসমীয়া চুটিগল্পৰ বিবৰ্তনৰ এক ৰূপৰেখাহে দিবৰ যত্ন কৰা হৈছে।

## ১.৬ সাৰাংশ (Summing Up)

চুটিগল্প আধুনিক কালৰ কলা, সেই হিচাপে অৰুনোদইৰ মাজেৰে আধুনিক সাহিত্যৰ বাট কটা অসমীয়া সাহিত্যত চুটিগল্পৰ উদ্ভৱ হয়গৈ জোনাকী যুগত। জোনাকীৰ পাতত প্ৰকাশিত বেজবৰুৱাৰ 'কন্যা' নামৰ গল্পটোকে প্ৰথম অসমীয়া গল্প বুলি ধৰিব পাৰিব। তাৰ পিছতো বহুবোৰ গল্প ৰচনা কৰি বেজবৰুৱাই গল্প ৰচনাৰ বুনিয়াদ নিৰ্মাণ কৰি দি যায়। তেওঁৰ বেছিভাগ গল্পই সাধুকথাধৰ্মী যদিও সাধুকথাৰ গণ্ডীৰ পৰা ওলাই অহাৰ এক প্ৰচেষ্টা তাত স্পষ্ট। বেজবৰুৱাৰ পিছতে শৰৎ চন্দ্ৰ গোস্বামী, দণ্ডিনাথ কলিতা, সূৰ্যকুমাৰ ভূঞা আদিয়েও গল্প ৰচনাত হাত দিয়ে। এইসকল গল্পকাৰে উদ্ভৱ কালৰ অসমীয়া গল্পক সমৃদ্ধ কৰিছিল।

দৰাচলতে অসমীয়া চুটিগল্পই যথাৰ্থ বিকাশ লাভ কৰে আৱাহনৰ পাতত। আৱাহনৰ পাতৰ গল্পত সাধুকথাৰ পৰা সম্পূৰ্ণ আঁতৰি আহি চুটিগল্পৰ মাজলৈ সোমাই যোৱাৰ প্ৰয়াস দেখা যায়। নগেন্দ্ৰ নাৰায়ণ চৌধুৰীকে ধৰি লক্ষীধৰ শৰ্মা, হলিৰাম ডেকা, ৰমা দাশ আদিৰ গল্পৰে আৱাহন যুগটো সমৃদ্ধ হৈ আছে। আৱাহনৰ পাতত সমৃদ্ধি লাভ কৰিলেও অসমীয়া চুটিগল্পই পূৰ্ণতা পায়গৈ ৰামধেনুৰ পাতত। চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টচাৰ্য, যোগেশ দাস, মহিম বৰা, ভবেন্দ্ৰনাথ শইকীয়া, সৌৰভ কুমাৰ চলিহা, লক্ষ্মীনন্দন বৰা আদি বহুকেইজন

প্ৰতিভাশালী গল্পকাৰৰ গল্পৰে ৰামধেনু যুগটো মহীয়ান হৈ আছে। এই সময়ছোৱাৰ ভিতৰত বিষয়বস্তু, আংগিক আৰু কলা-কৌশলতো ভালেখিনি নতুনত্ব আহিছে।

## ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। অসমীয়া চুটিগল্পৰ উদ্ভৱ কালটোৰ লক্ষণবোৰ আলোচনা কৰক।

২। উদ্ভৱকালীন সময়ৰ অসমীয়া চুটিগল্পৰ গল্পকাৰ আৰু তেওঁলোকৰ গল্প সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

৩। আৱাহন যুগৰ গল্পৰ মূল বৈশিষ্ট্য কি আছিল? উদাহৰণ সহ আলোচনা কৰক।

৪। 'ৰামধেনু যুগৰ গল্পকাৰ আৰু গল্প' শীৰ্ষক এটি প্ৰবন্ধ লিখক।

## ১.৮ প্ৰসঙ্গ পুথি (Reference/Suggested Readings)


ত্ৰৈলোক্য নাথ গোস্বামী : *আধুনিক গদ্য সাহিত্য*

প্ৰহ্লাদ কুমাৰ বৰুৱা : *অসমীয়া চুটিগল্পৰ অধ্যয়ন*

হোমেন বৰগোহাঞি : *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড)


* * *

## দ্বিতীয় বিভাগ
## লক্ষ্মীনাথ বেজবৰুৱা ঃ 'কাশীবাসী'

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ অসমীয়া চুটিগল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱা
২.৪ লক্ষ্মীনাথ বেজবৰুৱাৰ 'কাশীবাসী'
২.৫ সাৰাংশ (Summing Up)
২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৭ প্ৰসঙ্গ পুথি (Reference/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

কলিকতাৰ পৰা প্ৰকাশিত জোনাকী নামৰ অসমীয়া আলোচনীখনে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক ভাৰধাৰা কঢ়িয়াই আনে। এই আলোচনীৰ যোগেদি অসমীয়া সাহিত্যলৈ নতুন নতুন ৰূপৰ প্ৰৱেশ ঘটে। জোনাকীৰ বুকুতে লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰচেষ্টাত লোক-সমাজত প্ৰচলিত মৌখিক সাধুকথাসমূহে লিখিত ৰূপ লাভ কৰিছিল। পৰৱৰ্ত্তী কালত বেজবৰুৱাৰ হাততে অসমীয়া চুটিগল্প সাহিত্যৰ জন্ম হয়। যি সময়ত বেজবৰুৱাই চুটিগল্প ৰচনাত হাত দিছিল সেই সময়ত পাশ্চাত্য সাহিত্যতো চুটিগল্পৰ পূৰ্ণ বিকাশ হৈছিল বুলি ক'ব নোৱাৰি। অসমীয়া চুটিগল্প সাহিত্যৰ প্ৰথম পথিকৃত বেজবৰুৱাৰ ৰচিত বহু চুটিগল্পই সাধুকথা ধৰ্মী। অৰ্থাৎ এই ৰচনাসমূহ সাধুকথা আৰু চুটিগল্পৰ মাজৰ স্তৰৰ এক শ্ৰেণীৰ সাহিত্য কৰ্ম। তৎসত্বেও পাশ্চাত্যৰ আৰ্হিত আৰম্ভ হোৱা চুটিগল্প সাহিত্যত বেজবৰুৱাৰ স্থান যুগমীয়া। তেওঁৰ ভালেমান গল্পতে চুটিগল্পৰ বিভিন্ন আংগিকে সাৰ্থক ৰূপত ভূমুকি মাৰিছে। বিভিন্ন দিশৰ পৰা 'কাশীবাসী' গল্পটোও উল্লেখনীয়। এই বিভাগত আমি গল্পটোৰ বিভিন্ন দিশ বিচাৰ কৰি চোৱাৰ প্ৰয়াস কৰিছোঁ।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটোত 'কাশীবাসী' গল্পটোৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। আলোচনাটি অধ্যয়ন কৰি আপোনালোকে —

- 'কাশীবাসী' গল্পটোৰ বিষয়বস্তু বিচাৰ কৰিব পাৰিব;
- 'কাশীবাসী' গল্পৰ কাহিনীভাগ বৰ্ণনা কৰিব পাৰিব; আৰু
- 'কাশীবাসী' গল্পৰ চৰিত্ৰ আৰু ইয়াৰ অন্যান্য দিশবোৰ ফঁহিয়াই চাব পাৰিব।

## ২.৩ অসমীয়া চুটিগল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱা

পৃথিৱীৰ বিভিন্ন দেশত হোৱাৰ দৰেই অসমীয়া সাহিত্যতো আলোচনীক কেন্দ্ৰ কৰিয়েই চুটিগল্পৰ উন্মেষ হয়। লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ জনক। জোনাকী আলোচনীত সাধুকথাসমূহক লিখিত ৰূপ দিয়া বেজবৰুৱাই তাৰেই প্ৰেৰণাৰে চুটিগল্প ৰচনাত ব্ৰতী হয়। সেয়ে তেওঁৰ ৰচিত বহু চুটিগল্পকে সাধুকথাৰ পৰিমাৰ্জিত ৰূপ বুলি কোৱাত বিশেষ আপত্তি নাথাকে।

সাধুকথাধৰ্মী হোৱা বাবে সময়ত বেজবৰুৱাৰ গল্পসমূহৰ পৰিৱেশ অস্বাভাৱিক আৰু অতিৰঞ্জিত। দৰাচলতে জোনাকী আলোচনীত বেজবৰুৱাই চুটিগল্পৰ পৰীক্ষা-নিৰীক্ষাহে চলাইছিল। কিন্তু বেজবৰুৱাৰ নিখুঁত কলা-কৌশলৰ প্ৰতিফলন নঘটা গল্প কেইটিৰ বাহিৰেও আন কেইটিমান সাৰ্থক চুটিগল্পই বেজবৰুৱাক গল্পকাৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। 'ভদৰী', 'জয়ন্তী', 'মুক্তি', 'ধোঁৱা খোৱা' আৰু 'কন্যা' আদি গল্প ইয়াৰ উৎকৃষ্ট নিদৰ্শন।

বেজবৰুৱাৰ চুটিগল্পসমূহৰ এক লক্ষণীয় বৈশিষ্ট্য তেওঁৰ সমাজ চেতনা। উনবিংশ শতিকাৰ শেষ ভাগৰ অন্তঃসাৰ শূন্য, ভাঙোনমুখী অসমীয়া সমাজখন বেজবৰুৱাৰ নখ দৰ্পণত আছিল আৰু তেওঁৰ গল্পসমূহত সেইখন সমাজৰে প্ৰতিফলন ঘটিছে। সংস্কাৰৰ চেতনা, আৰ্থ সামাজিক জীৱন সম্পৰ্কত উপলব্ধি, সামন্তবাদী প্ৰতিভূ স্বৰূপ ক্ষমতাশলী ব্যক্তিসকলৰ আভিজাত্যৰ ভণ্ডামি আদি বিভিন্ন দিশ তেওঁৰ গল্পসমূহৰ মাজত প্ৰতিফলিত হৈছে।

হাস্য আৰু ব্যংগ ভাৱৰ প্ৰকাশ বেজবৰুৱাৰ গল্পসমূহৰ এক লক্ষণীয় বৈশিষ্ট্য। তীব্ৰ হাস্য-ব্যংগৰ যোগেদি সমাজ তথা ব্যক্তিৰ দোষবোৰ আঙুলিয়াবলৈ যাওঁতে বহু সময়ত তেওঁৰ গল্পত আঙ্গিকৰ প্ৰতি সচেতনতাৰ অভাৱো অনুভূত হয়। কেতিয়াবা হাস্য আৰু কৌতুকৰ ওপৰতে অধিক গুৰুত্ব আৰোপ কৰি ৰচনা কৰা হাস্য ৰসাত্মক গল্পই পাঠকৰ মনোযোগ আকৰ্ষণ কৰে। পাশ্চাত্য সাহিত্যত চেকভ, গোগল আদি গল্পকাৰৰ গল্পৰ মাজতো হাস্য-ব্যংগৰ প্ৰতিফলন ঘটিছে। কিন্তু তেওঁলোকৰ হাস্য-ব্যংগৰ মাজত জীৱনৰ কাৰুণ্য আৰু বৈচিত্ৰ্য প্ৰদৰ্শনৰ প্ৰচেষ্টাৰ বিপৰীতে, বেজবৰুৱাৰ হাস্য-ব্যংগই পাঠকক অনাবিল আনন্দৰ যোগান ধৰে। বহু সময়ত কৌশলগতভাৱে হাস্য ৰসৰ যোগান ধৰিবলৈ গৈ গল্পৰ সূত্ৰ দীঘলীয়া কৰাৰ বাবে বেজবৰুৱাৰ গল্পসমূহৰ স্বাভাৱিক প্ৰকাশত ব্যাঘাত জন্মে আৰু তাৰ বাস্তৱ গুৰুত্বও বিনষ্ট হোৱা দেখা যায়।

নাৰীৰ প্ৰতি শ্ৰদ্ধাশীল আৰু সহানুভূতিশীল দৃষ্টিভঙ্গী বেজবৰুৱাৰ কেতবোৰ গল্পৰ মাজত প্ৰকাশ পাইছে। এই শ্ৰেণীৰ গল্পসমূহত সমাজ জীৱনত প্ৰচলিত কু-সংস্কাৰ, ৰীতি-নীতি আদিৰ প্ৰভাৱত নিপীড়িত নাৰীসকলৰ পিষ্ট জীৱনৰ কৰুণ চিত্ৰ চিত্ৰিত হৈছে। 'ভদৰী', 'নকওঁ', 'পাটমুগী' আদি এই বিষয়ৰ উল্লেখযোগ্য গল্প।

বেজবৰুৱাৰ কিছুমান গল্প ইঁতৰ প্ৰাণীক লৈ ৰচিত। পাশ্চাত্য সাহিত্যতো ইঁতৰ প্ৰাণীক কেন্দ্ৰ কৰি গল্প ৰচনা হৈছে। চেকভৰ 'The Lament' নামৰ গল্পটো এটা ঘোঁৰা আৰু তাৰ চালকক কেন্দ্ৰ কৰি ৰচিত। সঙ্গী স্বৰূপ ঘোঁৰাৰ আগত ব্যক্ত কৰা বক্তব্যসমূহৰ মাজত চালকজনৰ ভাৱজগত চিত্ৰিত হৈছে। বেজবৰুৱাৰ 'ঋণ', 'মাৰ্জাৰি' আদি জীৱ-জন্তু বিষয়ক গল্প যদিও এইবোৰৰ মাজত তেনে সুকীয়া ভাৱৰ ইঙ্গিত পোৱা নাযায়।

বেজবৰুৱাৰ গল্পত কোনো দেশী বা বিদেশী গল্পকাৰ অথবা সাহিত্যিকৰ প্ৰভাৱ পৰিছে নেকি? এই প্ৰশ্নৰ উত্তৰত ক'ব পাৰি যে তেওঁৰ গল্পত ৰবীন্দ্ৰ নাথ ঠাকুৰ, ত্ৰৈলোক্য নাথ মুখাৰ্জী, কালী প্ৰসন্ন সিংহ, দীনবন্ধু মিত্ৰ আদি বঙ্গীয় লেখকসকলৰ প্ৰভাৱ অনুভূত হয়। তদুপৰি ফ্ৰয়েদীয় যৌন মনস্তত্বৰ ব্যাখ্যা বেজবৰুৱাৰ গল্পত লক্ষ্য কৰা যায়। তাৰেই নিদৰ্শন 'পাটমুগী' গল্প।

আকৌ পাশ্চাত্যৰ বাস্তববাদী সাহিত্যৰ ধাৰা এটিও বেজবৰুৱাৰ গল্পৰ মাজত পৰিলক্ষিত হয়। পৰীক্ষা-নিৰীক্ষাৰ মাজেদি আগবাঢ়িলেও বেজবৰুৱাক বহু দিশৰ পৰাই অসমীয়া চুটিগল্পৰ প্ৰবৰ্তক বুলিৰ পাৰি। বিশেষকৈ 'জাতিৰামৰ জাত', 'নিস্তাৰিণীদেৱী', 'ৰতনমুণ্ডা' আদি গল্পত তেওঁ যি সচেতন সমাজ-বীক্ষা দেখুৱাইছে সি পৰৱৰ্তী সময়ৰ বহু গল্পকাৰককে অনুপ্ৰাণিত কৰিছে। তদুপৰি গল্পত অসমীয়া গদ্যক অতি সাৰ্থকভাৱে প্ৰয়োগ কৰাৰ কৌশলো বেজবৰুৱাই দেখুৱাই থৈ গৈছে। সংখ্যাৰ ফালৰ পৰাও বেজবৰুৱাৰ গল্প তাকৰ নহয়। যদিও সকলোবোৰকে আমি আধুনিক চুটিগল্প বুলিব নোৱাৰো, তথাপি অসমীয়া গল্প সাহিত্যৰ প্ৰেক্ষাপট নিৰ্মাণত তেওঁৰ গল্পৰাজিৰ ভূমিকা কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

## ২.৪ লক্ষ্মীনাথ বেজবৰুৱাৰ 'কাশীবাসী'

'কাশীবাসী' গল্পটোৰ বিষয়বস্তু সাধাৰণ আৰু অজটিল। এগৰাকী দুৰ্ভগীয়া নাৰীৰ জীৱনৰ কাৰুণ্য গল্পটোৰ মূল উপজীব্য। পুহমহীয়া শীতাৰ্ত ৰাতিপুৱা এটিত কাশীৰ দশাশ্বমেধ ঘাটত গংগা স্নানৰ উদ্দেশ্যে উপস্থিত হোৱা গল্পকাৰ আৰু তেওঁৰ কোনো এক বন্ধুৰ সাক্ষাৎ হয় এগৰাকী অশীতিপৰ বৃদ্ধাৰ সৈতে। সুদীৰ্ঘ দিনৰ মূৰত আপোন দেশৰ মানুহ লগ পাই এইগৰাকী অসমীয়া বৃদ্ধাই তেওঁলোকৰ আগত অতীতৰ কৰুণ কাহিনী বিৱৰি কয়। ভৰালী বৰুৱাৰ জীয়ৰী আৰু দুলীয়া বৰুৱাৰ বোৱাৰী এইগৰাকী নাৰী মানৰ আক্ৰমণতে মানৰ হাতত বন্দী হয়। কোম্পানীৰ মধ্যস্থতাত যেতিয়া এইগৰাকী পোন্ধৰ বছৰীয়া নাৰীয়ে মানৰপৰা মুক্তি লাভ কৰি স্বগৃহলৈ উভতি আহে, তেতিয়া মানৰ হাতত বন্দী হোৱা বাবে ভ্ৰষ্টা বুলি পৰিয়ালৰ লোকে তেওঁক গ্ৰহণ কৰিবলৈ অমান্তি হয়। পত্নীৰ প্ৰতি সহানুভূতি থকা স্বত্বেও 'মহাদৈত্য' ৰূপী জাতৰ ভয়ত তেওঁৰ স্বামীয়েও তেওঁক আশ্ৰয় দিবলৈ অস্বীকাৰ কৰিলে। সমাজ আৰু পৰিয়ালৰ পৰা বৰ্জিতা এইগৰাকী নাৰীয়ে শেষত কাশীধামত আশ্ৰয় লয়।

'কাশীবাসী' গল্পৰ পটভূমি কাশীধাম আৰু এখন বঙালী সমাজ। কিন্তু গল্পটোত চিত্ৰিত হৈছে পৰম্পৰাগত অন্ধ সংস্কাৰেৰে আবৃত অসমীয়া সমাজখনৰ অবিচাৰ আৰু সংকীৰ্ণ মানসিকতা। এজন সমাজ সচেতন গল্পকাৰ হিচাপে 'কাশীবাসী' গল্পত বেজবৰুৱাৰ স্বকীয় বৈশিষ্ট্য প্ৰতিফলিত হৈছে। সমাজৰ পৰম্পৰাগত ৰীতি-নীতিৰ বলি হৈ এগৰাকী কোমল বয়সীয়া নাৰীৰ জীৱনলৈ নামি অহা বিপৰ্য্যয়ৰ চিত্ৰ গল্পটোত চিত্ৰিত হৈছে। অন্ধ সংস্কাৰত নিমজ্জিত যিখন সমাজত স্বামীয়ে বিবাহিতা স্ত্ৰীক সুৰক্ষা দিবলৈ অক্ষম — এই অক্ষমতাৰ মূলতে জাত নষ্ট হোৱাৰ ভয়। গল্পটোত বেজবৰুৱাৰ সমাজ সংস্কাৰৰ মনোভাৱ ব্যঞ্জিত হৈছে।

বৰ্ণনাধৰ্মিতা বেজবৰুৱাৰ গল্পৰ এক লক্ষণীয় দিশ। 'কাশীবাসী' গল্পটোও বৰ্ণনাধৰ্মী। ইয়াত গতানুগতিকভাৱে কাহিনীটো বিবৃত হৈছে। বৰ্ণনাৰ পুংখানুপুংখতা বেজবৰুৱাৰ গল্পত প্ৰায়েই লক্ষ্য কৰা যায়। আলোচ্য গল্পটিত কাশীধামৰ গংগাৰ পাৰত শীতাৰ্ত ৰাতিপুৱাটিৰ বৰ্ণনাত এই বৈশিষ্ট্য ফুটি ওলাইছে।

চুটিগল্পৰ সীমিত পৰিসৰৰ মাজত সাধাৰণতে চৰিত্ৰৰ প্ৰকাশ হয়, বিকাশ নহয়। এনে প্ৰকাশৰ বাবে প্ৰয়োজন প্ৰতীক, ব্যঞ্জনা, সংযত ভাষা আৰু ইংগিতময়তা। আলোচ্য গল্পটিত চৰিত্ৰৰ প্ৰকাশ কোনো ভাব ব্যঞ্জনা অথবা প্ৰতীক আদিৰ মাজেৰে হোৱা নাই। এগৰাকী নাৰীয়ে পোনপতীয়াকৈ অতীতৰ কৰুণ স্মৃতি দুগৰাকী সুহৃদ শ্ৰোতাৰ আগত বৰ্ণনা কৰিছে। ইয়াত চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত কোনো সূক্ষ্ম দৃষ্টি-ভঙ্গী গ্ৰহণ কৰা হোৱা নাই। সমাজৰ অন্ধ সংস্কাৰ আৰু তাৰ ফলশ্ৰুতিত ব্যক্তি জীৱনলৈ নামি অহা কাৰুণ্যই গল্পটিৰ মূল বক্তব্য বিষয়।

গল্পটোৰ প্ৰাৰম্ভতে বেজবৰুৱাই অতি সফলভাৱে তেওঁৰ বৰ্ণনাৰ স্বাভাৱিক দক্ষতাৰে আমাক লৈ গৈছে গঙ্গাৰ পাৰলৈ।

"পুৱাৰ আকাশত ৰ'দ বিৰিঙাইছে। চৰাই চিৰিকটিবোৰ কল্‌কলাই চেক্ চেকাই চাৰিউফালে উৰি বিয়াদান দিছে গঙ্গাৰ সোঁত ধীৰ গম্ভীৰভাৱে এনেকৈ বলিছে যে সোঁত বলিছে বুলি দূৰৰপৰা উমানকে ধৰিব নোৱাৰি।"...

"স্নান কৰিবলৈ যোৱাসকলৰ কোনোৱে পানীত নামি মন্ত্ৰ মাতিছে, কোনোৱে জোবোৰা মাৰি বামলৈ উঠিছে, কোনোৱে জোবোৰাৰ অন্তত পানীতে থিয় হৈ ওলাই অহা বেলিৰ ফালে মুখ কৰি সন্ধ্যা-আহ্নিক কৰিছে..."

গল্পৰ আৰম্ভণিৰ নিখুঁত বৰ্ণনাই এনে এক পটভূমি তৈয়াৰ কৰিছে যেন গঙ্গাৰ শীতল জলে মনৰ সকলো অপৰিচ্ছন্নতাক ধুই নিকা কৰি পেলাইছে। এক শান্ত, সমাহিত অৱস্থা। জাত-পাত, উচ্চ-নীচৰ কোনো ভেদ নাই। এফেৰি পুণ্যৰ বাবে আটাইয়ে যেন মাতৃস্নান কৰি পৰম শান্তি লাভ কৰিছে।

কিন্তু হঠাতে পটভূমি সলনি কৰি তেওঁ আমাক টানি আনিছে বাস্তৱৰ জীয়া অভিজ্ঞতাৰ মাজলৈ। তাত তেওঁ লগ পাইছে এগৰাকী অসমীয়া বুঢ়ীক। বুঢ়ীয়ে বহুত দিনৰ মূৰত এজন অসমীয়া লোকক পাই নিজৰ জীৱন কাহিনী বৰ্ণনা কৰিছে।

সাধাৰণভাৱে চালে গল্পটো এটা গতানুগতিক ধৰণৰ কাহিনী। ইয়াত বৰ্ণনাৰো কোনো চাতুৰ্য নাই। কিন্তু বুঢ়ীৰ কাহিনীৰ মাজেৰেই বেজবৰুৱাই আমাৰ ওচৰত বুৰঞ্জীৰ এটা গুৰুত্বপূৰ্ণ অধ্যায়ৰ পাতবোৰ মেলি ধৰিছে। ইয়াতেই নিহিত হৈ আছে বেজবৰুৱাৰ গল্পৰ বৰ্ণনা কৌশল। গল্পটোৰ মূল উদ্দেশ্য গঙ্গাস্নান নহয় বা গঙ্গাৰ পাৰত লগ পোৱা বৃদ্ধা গৰাকীৰ জীৱন কাহিনী কথনো নহয়। গল্পটোৰ মূল উদ্দেশ্য হ'ল অসমৰ সমাজ ইতিহাসৰ এটা গুৰুত্বপূৰ্ণ অধ্যায় উন্মোচন কৰি দিয়া। সেয়েহে বুঢ়ীৰ জীৱনৰ কাহিনীৰ মাজেৰে তাকে বিস্তৃতভাৱে দাঙি ধৰা হৈছে। তাৎপৰ্যপূৰ্ণভাৱে গল্পটোৰ নাম দিয়া হৈছে 'কাশীবাসী'। অৰ্থাৎ মানুহৰ সমাজত অৱহেলিত হোৱা বৃদ্ধাই আশ্ৰয় লাভ কৰিছেগৈ ঈশ্বৰৰ স্থান কাশীধামত। তেওঁ জাত-পাতৰ এই ভণ্ড সামাজিক বিচাৰক ঈশ্বৰৰ স্থানলৈ নি পেংলাই কৰিছে। গল্পটোৰ ক'তোৱেই তেওঁ জাত-পাতৰ বিৰুদ্ধে এষাৰো মন্তব্য কৰা নাই। কিন্তু অনিবাৰ্যভাৱে সিয়েই হ'ল গল্পটোৰ মূল কথা। গল্পটোত নাৰীৰ প্ৰতি হোৱা সামাজিক অবিচাৰক অতি নিঃকৰুণ ৰূপত দাঙি ধৰা হৈছে আৰু কোনো বাক্যবান প্ৰয়োগ নকৰাকৈয়ে তাৰ অন্তঃসাৰশূন্যতাক তুলি ধৰা হৈছে পটভূমিৰ মাজেৰে। ইয়াতেই চুটিগল্প হিচাপে কাশীবাসীৰ সফলতা।

**আত্মমূল্যায়ন প্ৰশ্ন**

কাশীবাসী গল্পটোৰ মূল বক্তব্য কি? (৬০ টা শব্দৰ ভিতৰত উত্তৰ লিখক )

............................................................................................................

............................................................................................................

............................................................................................................

## ২.৫ সাৰাংশ (Summing Up)

জোনাকী কাকতত, লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত অসমীয়া চুটিগল্পৰ উন্মেষ হয়। অসমৰ প্ৰাচীন সাধুকথাসমূহক লিখিত ৰূপ দিয়া বেজবৰুৱাই সাধুকথা আৰু চুটিগল্পৰ মাজত বিশেষ পাৰ্থক্য ৰক্ষা কৰা নাছিল। হাস্য-ব্যঙ্গ ভাৱৰ প্ৰকাশ, সমাজ সংস্কাৰৰ মনোভঙ্গী, নাৰীৰ প্ৰতি সহানুভূতিশীল মনোভাৱ, ফ্ৰয়েদীয় মনস্তত্ত্বৰ প্ৰকাশ আদি বিশেষত্বৰে বেজবৰুৱাৰ চুটিগল্পসমূহ মনোগ্ৰাহী। স্বাভাৱিক আৰু সাৱলীল ভাষা বেজবৰুৱাৰ গল্পসমূহৰ প্ৰধান আকৰ্ষণ।

সাধাৰণ, অজটিল কথন ভঙ্গীৰে এগৰাকী নাৰীৰ কাৰুণ্য 'কাশীবাসী' নামৰ গল্পটোত বিবৃত হৈছে। তাৰ মাজতে প্ৰতিফলিত হৈছে সমাজৰ অন্ধ সংস্কাৰৰ ছবি।

## ২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। 'চুটিগল্পৰ সংহতি, ব্যঞ্জনা আদিৰ পৰিবৰ্তে বেজবৰুৱাৰ গল্পসমূহ বিশ্লেষণধৰ্মী— কাশীবাসী গল্পৰ আধাৰত কথাযাৰিৰ তাৎপৰ্য্য ব্যাখ্যা কৰা।

২। অসমীয়া চুটিগল্পৰ জনক বেজবৰুৱাৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ কি?

৩। কাশীবাসী গল্পটোৰ মূল তাৎপৰ্য তোমাৰ ভাষাত লিখা।

## ২.৭ প্ৰসঙ্গ পুথি (Reference/Suggested Readings)


শৈলেন ভৰালী ঃ *আধুনিক অসমীয়া সাহিত্য ঃ দুটি তৰঙ্গ*

মহেশ্বৰ নেওগ (সম্পা.) ঃ *ভূমিকা, অসমীয়া গল্পগুচ্ছ*

অতুল চন্দ্ৰ হাজৰিকা (সম্পা.) ঃ *জোৰণি, বেজবৰুৱাৰ গ্ৰন্থাৱলী*, ১ ম খণ্ড


* * *

## তৃতীয় বিভাগ
## ৰমা দাশ ঃ 'অবুজ মায়া'

**বিভাগৰ গঠন ঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ অসমীয়া চুটিগল্পৰ উদ্ভৱ, বিকাশ, সমৃদ্ধিত আৱাহন যুগ
৩.৪ চুটিগল্পকাৰ হিচাপে ৰমা দাশ
৩.৫ 'অবুজ মায়া' চুটিগল্পৰ বিষয়বস্তু
৩.৬ 'অবুজ মায়া'ৰ কাহিনী আৰু ঘটনাবিন্যাস
৩.৭ 'অবুজ মায়া'ৰ চৰিত্ৰায়ণ
৩.৮ 'অবুজ মায়া' গল্পটোৰ তত্ব আৰু বৈশিষ্ট্য
৩.৯ সাৰাংশ (Summing Up)
৩.১০ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

আগৰ বিভাগটিত লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প 'কাশীবাসী'ৰ বিশ্লেষণ কৰি অহা হৈছে। এই বিভাগটিত ৰমাদাশৰ 'অবুজ মায়া' গল্পটিৰ বিশ্লেষণ আগবঢ়োৱা হ'ব।

ৰমা দাশ আৱাহন যুগৰ এজন গতানুগতিক গল্পকাৰ। 'ৰমা দাশৰ শ্ৰেষ্ঠ গল্প'; 'জাহ্নৱী' আৰু 'বৰ্ষা যেতিয়া নামে' নাম তিনিখন গল্পপুথিৰে অসমীয়া গল্প সাহিত্যৰ ভঁৰাললৈ বৰঙনি আগবঢ়োৱা দাশৰ গল্প কোৱাৰ এটা নিজস্ব শৈলী আছে। নৰ-নাৰীৰ প্ৰেম আৰু যৌনতা তেওঁৰ গল্পৰ প্ৰধান উপযোগ্য। তেওঁৰ এটা উল্লেখযোগ্য গল্প হ'ল 'অবুজ মায়া'। এই বিভাগটিত 'অবুজ মায়া' গল্পটিৰ বিষয়বস্তু, কাহিনী-বিন্যাস, চৰিত্ৰ আদি দিশবোৰৰ পৰ্যালোচনা কৰা হৈছে।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰি আপোনালোকে —

- আৱাহন যুগৰ কি কি বিশেষ বিশেষত্বই অসমীয়া চুটিগল্পক বিশেষ মাত্ৰা আৰু আয়তন প্ৰদান কৰিলে তাক বিচাৰ কৰিব পাৰিব;
- আৱাহন যুগৰ প্ৰতিনিধিস্থানীয় গল্পকাৰ ৰমা দাশৰ অসমীয়া কথা-সাহিত্যৰ অগ্ৰগতিৰ ভূমিকা আৰু স্থান সম্পৰ্কে ফঁহিয়াই চাব পাৰিব; আৰু
- ৰমা দাশৰ 'অবুজ মায়া' গল্পটোৰ বিষয়বস্তু, ঘটনা বিন্যাস আৰু চৰিত্ৰসমূহ বিশ্লেষণ কৰিব পাৰিব।

## ৩.৩ অসমীয়া চুটিগল্পৰ উদ্ভৱ, বিকাশ আৰু সমৃদ্ধিত আৱাহন যুগ

অসমীয়া আধুনিক সাহিত্যৰ ইতিহাসত ভালেকেইখন যুগধৰ্মী আলোচনী সংবাদ-পত্ৰই বিশেষ স্থান দখল কৰি আহিছে। 'জোনাকী'ৰ কাব্য পৰিক্ৰমাৰ পিছত 'আৱাহন' (১৯২৯) যুগত গল্প-উপন্যাসৰ যোগেদি নতুন নতুন বিষয়বস্তু আৰু জীৱন-জগত সম্পৰ্কে লিখকৰ নতুন দৃষ্টিভংগী আৰু বিচাৰ-বিশ্লেষণৰ সূত্ৰপাত হয় বুলি ক'ব পাৰি। ইতিপূৰ্বে বেজবৰুৱাই সাধুকথাৰ কুকি, জোনবিৰি, সুৰভি, ককাদেউতা আৰু নাতি ল'ৰা, বুঢ়ী আইৰ সাধু আৰু জুনুকা নামৰ গল্পপুথিকেইখনৰ মাজেৰে অসমীয়া সমাজৰ সকলো দিশ অংকন কৰি ৰবীন্দ্ৰনাথ ঠাকুৰৰ সমগোত্ৰীয় আসন লাভ কৰিছে।

ইয়াৰ পিছত বাস্তৱবোধ আৰু ৰোমাণ্টিক ভাবধাৰা দুয়োটাৰে যুগল মিশ্ৰণত নগেন্দ্ৰ নাৰায়ণ চৌধাৰী, দীননাথ শৰ্মা আদিৰ নেতৃত্বত কুৰি শতিকাৰ তৃতীয় দশকৰ পৰা বিশ্বমুখী ভাবধাৰা আহৰণ কৰি অসমীয়া চুটিগল্পই এক নতুন ব্যাপ্তি লাভ কৰিলে। ঘাইকৈ তৎকালীন পৃথিৱীত তোলপাৰ লগোৱা ডাৰউইনৰ ক্ৰমবিকাশৰ সূত্ৰ, মাৰ্ক্সৰ সাম্যবাদ, ফ্ৰয়দৰ যৌন মনস্তত্ব আদিৰ প্ৰভাৱ অসমীয়া গল্পত সোমাল। মাৰ্ক্সীয় দৰ্শনৰ নতুন তত্ব সমাজবাদে বিশ্বৰ এচাম সচেতন লিখক সৃষ্টি কৰাৰ বিপৰীতে জাৰ্মান মণিষী ফ্ৰয়দে আৱিষ্কাৰ কৰিলে মানুহৰ বিপৰীত লিংগৰ প্ৰতি সহজাত আকৰ্ষণ অৰ্থাৎ বিভিন্ন লিবিড'ৰ কথা। মহাত্মা গান্ধীৰ স্বদেশী আন্দোলন, জাতি নিৰ্মাণৰ মৌলিক নীতিসমূহেও গল্পকাৰক নতুন জীৱনদৃষ্টি দান কৰিলে। মোপাছা, চেখভৰ মনস্তাত্বিক বিশ্লেষণে নতুন মাত্ৰা আনিলে। নগেন্দ্ৰ নাৰায়ণ চৌধাৰী, নকুল চন্দ্ৰ ভূঞা, শৰৎ চন্দ্ৰ গোস্বামী, হলিৰাম ডেকা, দীননাথ শৰ্মা, লক্ষীধৰ শৰ্মা, মহিচন্দ্ৰ বৰা, ৰাধিকামোহন গোস্বামী, উমাকান্ত শৰ্মা আৰু ৰমা দাশৰ দৰে নেতৃস্থানীয় গল্পকাৰসকলে ব্যক্তি হৃদয়ৰ মুকলি প্ৰকাশৰ লগতে সামাজিক আদৰ্শ প্ৰতিষ্ঠাৰ প্ৰয়াস কৰিলে। জাতি-ধৰ্ম-ভাষাক আশ্ৰয় কৰি গঢ়ি উঠা শ্ৰেণী বৈষম্য, কু-সংস্কাৰ আদি বিষয়ক উপজীব্য হিচাপে লৈ লক্ষীধৰ শৰ্মা, হলিৰাম ডেকা আদিয়ে গল্প ৰচনা কৰাৰ বিপৰীতে কৃষ্ণ ভূঞা, ৰমা দাশৰ দলটোৱে আমেৰিকা, ফ্ৰান্স, ৰাছিয়াৰ গল্পৰ লগত অসমীয়া পাঠকক পৰিচয় কৰি বিষয়বস্তুৰ নতুন আস্বাদন দিলে। মানুহৰ চেতনাৰ আঁৰত থকা নগ্নতাক পোহৰলৈ অনাৰ প্ৰয়াসেৰে চৰিত্ৰ বিশ্লেষণ হৈ পৰিল ক্ষুৰাধাৰ। প্ৰেম, সতীত্ব আদি পুৰণি মূল্যবোধৰ নতুন ব্যাখ্যা আৰম্ভ হ'ল। তথাকথিত আধুনিকতাৰ ভোগ সৰ্বস্ব স্থূলৰূপটো দাঙি ধৰাৰ সমান্তৰালকৈ ৰমা দাশে সৰু সৰু মানুহৰ জীৱনৰ চকুত নপৰা দিশবোৰো সহানুভূতিৰে প্ৰকট কৰি তুলিলে। আধুনিকতাৰ প্ৰলেপত নতুনকৈ সৃষ্টি হোৱা নগৰীয়া মধ্যবিত্তৰ ৰোমাণ্টিক কল্পনা, অবৈধ প্ৰেম, যৌন লালসা আদি বিষয়বোৰৰ স্থূলতা ৰমা দাশৰ গল্পৰ অন্যতম উপজীব্য নুবুলি নোৱাৰি।

## ৩.৪ চুটিগল্পকাৰ হিচাপে ৰমা দাশ

১৯০৯ খ্ৰীষ্টাব্দত গুৱাহাটীত জন্ম গ্ৰহণ কৰা ৰমা দাশৰ পিতৃ হৈছে গুৱাহাটী জৰ্জকোৰ্টৰ চিৰস্তাদাৰ যজ্ঞৰমা দাশ আৰু মাতৃ হৰেশ্বৰী দাস। ১৩ বছৰ বয়সতে ঘাট মাউৰা হোৱা ৰমা দাশে ভগ্নীপতি হৰিনাথ পাঠকৰ আশ্ৰয় তত্বাৱধানত থাকি ধুবুৰী হাইস্কুলৰ পৰা ১৯২৮ খ্ৰীষ্টাব্দত কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত অসমীয়াত সৰ্বোচ্চ নম্বৰ লাভ কৰি মেট্ৰিকুলেচন পাচ কৰে। কটন কলেজৰ আই. এ. (১৯৩০) আৰু প্ৰেচিডেন্সি কলেজৰ (১৯৩৩) গ্ৰেজুৱেট ৰমা দাশে স্কুলীয়া কালতে নুট হামচুন, মো-পাঁছা, বালজাক, ডষ্টভয়েস্কি, ৰোমা

ৰোলা, ডিকেন্স পঢ়ি মেট্ৰিক দি উঠি সেইসকলৰ কিছুমান গল্পৰ অসমীয়া ভাঙনি কৰিবলৈ লয়। অনুবাদৰ মাজেদি গল্প ৰচনা কৰাৰ কৌশল আয়ত্ত কৰা দাশে পিছলৈ মৌলিক গল্প সৃষ্টিত ব্ৰতী হয়। গুৱাহাটীৰ পাণবজাৰৰ পৈতৃক ঘৰৰ কাষতে অম্বিকাগিৰী ৰায়চৌধুৰীৰ ‘চেতনা’ আৰু ‘অৰুণা প্ৰেছ’ৰ সৈতে তেওঁৰ নিবিড় সম্পৰ্ক স্থাপন হোৱাৰ সমসাময়িকভাৱে অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য, বাণীকান্ত কাকতি, হলিৰাম ডেকা, শৰৎ চন্দ্ৰ গোস্বামী, নকুল চন্দ্ৰ ভূঞা আদিৰ নিকট সান্নিধ্য লাভ তেওঁৰ উন্মেষণশীল প্ৰতিভাৰ বাবে ৰূপসিঁচাৰ কাঠিস্বৰূপ আছিল। জাৰ্মান লিখক পলহেছিৰ ‘Fury’ গল্পৰ ছাঁ লৈ মূল গল্পৰ ভূমধ্য সাগৰক উত্তৰ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰলৈ সলনি কৰি ‘সমৰ্পণ’ নামৰ ৰাম দাশৰ যিটো গল্প ‘আৱাহন’ত ওলাইছিল, গল্পটো পঢ়ি পোনতে ৰোমাঞ্চিত হৈ পৰা বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে হেনো মৃদু ধমকেৰে তেওঁক ‘ছাঁ’ লৈ লেখা বাবে বিযোদগাৰ কৰিলে আৰু অনুবাদৰ পণ্ডশ্ৰম এৰি মৌলিক গল্প ৰচনাত ব্ৰতী হ’বলৈ সোঁৱৰাই দিছিল। কবিৰ অনুপ্ৰেৰণাতে ৰমা দাশে শ্বিলঙত চাকৰি সূত্ৰে থাকিবলৈ লৈ পোনতে লিখি উলিয়ালে ‘অতীত’, ‘জীৱনৰ এৰাতি’, ‘দুৰ্যোগৰ ৰাতি’, ‘প্ৰীতি উপহাৰ’, ‘জাহ্নৱী’ আদি গল্প। জীৱিতাৱস্থাত তেওঁৰ ‘ৰামদাশৰ শ্ৰেষ্ঠ গল্প’, ‘বৰ্ষা যেতিয়া নামে’ আৰু ‘জাহ্নৱী’ নামে গল্প সংকলন কেইটা প্ৰকাশ হোৱাৰ পিছত মৰণোত্তৰভাৱে ‘অচল টকা’ আৰু শেষত ‘ৰমা দাশৰ গল্প সমগ্ৰ’ ছপা হৈ ওলায়। তেওঁৰ নিৰৱচ্ছিন্ন সাধনাৰ ফল ‘শব্দতত্ব’ নামৰ বিশাল কলেৱৰৰ অপ্ৰকাশিত অভিধানখন সম্পূৰ্ণ কৰোঁতে প্ৰয়োজন হৈছিল হেনো দুকুৰি বছৰৰো অধিক। অসমীয়া শব্দৰ আঁতিগুৰি বিচাৰ কৰি তাৰে সৈতে জনজাতীয় ভাষাসমূহৰ শব্দবোৰৰ সম্বন্ধ ফঁহিয়াই দেখুওৱাটো একপ্ৰকাৰৰ অসাধ্য সাধনেই আছিল।

ৰমা দাশৰ মৌলিক গল্পৰ সংখ্যা একত্ৰিশটা আৰু অনুবাদ গল্প হ’ল দহটা। বিদেশী গল্পৰ অনুবাদ অথবা ছাঁ লৈ লিখা গল্প হৈছে ‘আপদীয়া ৰাতি’, ‘বেহেলাদাৰ’, ‘চিত্ৰকৰ’, ‘সপোন কুঁৱৰী’, ‘দো-ধাৰা’, ‘নিমন্ত্ৰণ’, ‘প্ৰত্যাৱৰ্তন’, ‘পিতা’, ‘সম্পূৰ্ণ’ আৰু ‘প্ৰণয়িনী’। ‘আৱাহন’ যুগৰ শেষৰ ফালে ভুমুকি মাৰিয়েই সমসাময়িক গল্প লিখকৰ সমাজ-চেতনাৰ মূল সুৰ পৰিহাৰ কৰি মানৱ চৰিত্ৰৰ নিভৃত কোণৰ গোপন দিশবোৰ উদঘাটন কৰিবলৈ ল’লে। সেয়ে তেওঁ প্ৰেম, বিদ্বেষ, ঘৃণা, হিংসা, পাপবোধ, অনুশোচনা আদি হৃদয় বৃত্তিবিলাকক প্ৰধান উপজীৱ্য হিচাপে লৈ ঘাইকৈ দেহাশ্ৰিত প্ৰেমকে নতুন আকৃতি দান কৰিলে। লক্ষীধৰ শৰ্মাই যিখন মধ্যবিত্ত সমাজৰ বুকুৰ পৰা ললিতা, সুব্ৰতা আদি বিদ্ৰোহী আদৰ্শবাদী চৰিত্ৰৰ জন্ম দি বৈপ্লৱিক চিন্তা-চেতনাৰ অংকুৰ মেলিছিল, সেই একেখন সমাজৰ চিত্ৰ আৰু চৰিত্ৰক ৰমা দাশে সমতলিক ৰূপত তুলি ধৰা নাই। তাৰ বিপৰীতে তেওঁ ভোগপ্ৰৱণ, মধ্যবিত্ত শ্ৰেণীটোৰ আধুনিকতাৰ প্ৰতি মোহাচ্চন্ন দৈহিক লালসা পৰিপূৰ্ণ সমাজখনৰ অন্তসাৰশূন্যতাৰ স্বৰূপহে প্ৰকট কৰি তুলিছে। এই প্ৰসংগত হোমেন বৰগোহাঞিয়ে ‘ৰমা দাশৰ গল্প সমগ্ৰ’ৰ মুখবন্ধত অতিশয় যুক্তিসংগতভাৱে অভিমত দিছে এইবুলি ঃ

> ‘এই সমাজৰ পুৰুষসকল মৌ-মাখিৰ নিচিনা; তিৰোতাসকল ‘Those beautiful idle women blossoming before one's eye like flowers of flesh.’ৰমা দাশৰ আগতে এইখন সমাজ ছবি ইমান নিখুঁত আৰু জীৱন্ত ৰূপত আন কোনেও দাঙি ধৰা নাছিল।’ ...ৰমা দাশৰ গল্পবোৰ অতি জনপ্ৰিয় হোৱাৰ প্ৰধান কাৰণ নিশ্চয় এই আছিল যে অলস ধনী শ্ৰেণীৰ প্ৰণয়-বিলাসৰ এই বৰ্ণময় চিত্ৰই ডেকা-গাভৰু পাঠকৰ চকুত মোহাঞ্জন সানি দিছিল; সেইবোৰ হৈ পৰিছিল তেওঁলোকৰ ইচ্ছা পূৰণৰ অৱলম্বন।

বিষয়বস্তুৰ বৈচিত্ৰ্য আৰু প্ৰকাশভংগীৰ স্বকীয়তাই তেওঁৰ গল্পক দিছে সুকীয়া আবেদন আৰু ভিন্নস্বাদ। আবেগসঞ্চাৰী ভাষাৰে চৰিত্ৰৰ মানসিক প্ৰকৃতি প্ৰকাশ কৰাৰ লগে লগে পৰিবেশকো জীৱন্ত কৰিব পৰাটো ৰমা দাশৰ গল্পকথনৰ অন্যতম কৌশল। কাহিনীৰ শেষবিন্দুলৈ পাঠকৰ কৌতূহল জাগ্ৰত কৰি ৰাখিবলৈ তেওঁ প্ৰায়ে অৱলম্বন কৰে নাটকীয় ইংগিতধৰ্মী ভাষা। 'অবুজ মায়া' গল্পটো এনে ভাষাৰে ঠাহ খাই আছে—

(ক) ৰাতিও কেতিয়াবা বিছনাত শুই শুই ভাবিছিলোঁ যে সেউতী বাইৰ মাত-কথা আৰু চকুহাল যেনে মৰম সনা, কেতিয়াবা তেওঁৰ বুকুৰ মাজত শুবলৈ পোৱাহেঁতেন বোধকৰোঁ আইতাৰ বুকুৰ মাজত শোৱাতকৈও আৰু বেছি ভাল লাগিলহেঁতেন।

(খ) আজিও মোৰ চকুৰ আগেদি, সেই ডালিমজোপাৰ তলত, তাঁতশালৰ ওচৰত থকা, সেউতী বাইৰ সেই সকৰুণ চকুযুৰি, একেদৰে ভাঁহি যোৱা যেন লাগে।

ৰমা দাশে ৰ'দ-বতাহ-বৰষুণ-জোনাক-আন্ধাৰ আদি প্ৰাকৃতিক নিৰ্জীৱ বাস্তৱক মানৱ চৰিত্ৰৰ সৈতে এনেদৰে ৰজিতা খুৱাই ব্যৱহাৰ কৰে যে সেইবোৰ চৰিত্ৰ একোটাৰ অবিচ্ছেদ্য অংগ হৈ উঠে। তেওঁৰ গল্পত ঘটনা-স্থান-কাল ৰূপ ত্ৰিঐক্যৰ সংহতি আন এক বৈশিষ্ট্য।

'প্ৰেম আৰু ছেক্স— এই দুটাই হ'ল ৰমা দাশৰ গল্পৰ প্ৰধান উপজীব্য।' —সমালোচক হোমেন বৰগোহাঞিয়ে কৈছে যদিও প্ৰেমক প্ৰেমৰ বাবে অথবা যৌনতাক যৌনতাৰ বাবে ব্যৱহাৰ নকৰি মানৱ জীৱনৰ অপৰিহাৰ্যতা প্ৰতিপন্ন কৰিবলৈ বিচৰাত তেওঁৰ দৃষ্টিভংগীৰ মৌলিকতা ধৰা পৰে। অৱশ্যে ৰোমাণ্টিক সন্মোহনৰ আবিলতা হৈছে তেওঁৰ গল্পৰ সফলতাৰ চাবি-কাঠি। 'বৰ্ষা যেতিয়া নামে', 'অচল টকা', 'মৰাসুঁতি', 'ছলে-বলে-কৌশলে', 'প্ৰায়শ্চিত্ত', 'জাহ্নৱী', 'প্ৰেম আৰু পৃথিৱী', 'জীৱনৰ এৰাতি' আদি দাসৰ গল্পসমূহৰ আৱেদন সুদূৰপ্ৰসাৰী।

'আৱাহন' আৰু ৰমা দাশ সম্পৰ্কে আলোচনীখনৰ ঘাই হোতা ডাঃ দীননাথ শৰ্মাই 'অসম বাণী'ত ১৯৬০ খ্ৰীষ্টাব্দৰ ১ জুলাইত লিখিছিল যে — 'কলিকতাত পঢ়িবলৈ অহা ছাত্ৰ আছিল ৰমা দাশ। তেওঁ আহি উপস্থিত হ'ল 'আৱাহন'ত। লগত আনিলে নতুন গল্পৰ ধাৰা। দাশৰ গল্পৰ বাবে পঢুৱৈ ৰাইজ উন্মুখ হৈ পৰিল।' *মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য* (১৯৭৪) নামৰ গ্ৰন্থত সন্নিৱিষ্ট 'অসমীয়া চুটিগল্পৰ আংগিক' নামৰ প্ৰবন্ধত আব্দুল মালিকে কৈছে যে— 'বিষয়বস্তুৰ লগত খাপ খোৱা ভাষা, মনোগ্ৰাহী বৰ্ণনা, গল্পৰ আৰম্ভণি, মধ্যৱৰ্ত্তী অৱস্থা আৰু সামৰণিৰ কলাসুলভ চিত্ৰ আৰু বৰ্ণনা তেওঁৰ গল্পৰ এক বিশেষ আকৰ্ষণ।' আব্দুল মালিকে ৰমা দাশৰ গল্পক 'এছথেটিক ক্ৰিয়েচন' আখ্যা দিছে।

মুঠতে পুৰণি আদৰ্শৰ প্ৰতি আস্থাহীনতা, নগৰীয়া মধ্যবিত্ত নৰ-নাৰীৰ মাজত ভোগাকাংক্ষ্যাৰ প্ৰাবল্য, আদৰ্শ প্ৰেমৰ মূল্যবোধ আৰু নৈতিক শুচিতাৰ বিপৰীতে উদ্দাম যৌন-লালসা, বিবাহিত নাৰী-পুৰুষৰ অবৈধ যৌন সম্পৰ্ক আদিৰ চিত্ৰ হৈছে দাশৰ 'জাহ্নৱী', 'অশৰীৰী', 'বিশেষ এৰাতি', 'প্ৰেম আৰু পৃথিৱী', 'মৰাসুতি' নামৰ গল্পকেইটা। ইয়াৰ বিপৰীতে কৈশোৰৰ মধুময় স্মৃতিয়ে অতৰ্কিতে জীৱনক পৰিচালিত কৰি মানসিক আনন্দ আৰু ধুমুহাৰ মাজত ব্যক্তিক যে অস্থিৰ কৰি তোলে, তাৰ নিখুঁত প্ৰতিফলন ঘটিছে 'অবুজ মায়া'ৰ দৰে দুই-এটা গল্পত। প্ৰেমৰ নৈসৰ্গিক শোভা আৰু ৰস আস্বাদন কৰি মানৱ চৰিত্ৰৰ গৰিমা এনে গল্পত ফুটাই তোলা হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰমা দাশৰ গল্পৰ প্ৰধান উপজীব্য কি?

........................................................................................................................

........................................................................................................................

........................................................................................................................

## ৩.৫ 'অবুজ মায়া'ৰ বিষয়বস্তু

বাল্যকালৰ নষ্টালজিয়াই বিশ্বসাহিত্যক সমৃদ্ধ কৰাৰ দৃষ্টান্ত তেনেই কম নহয়। মানৱ জীৱনৰ বৰ্তমান হৈছে অতিক্ৰমী অহা সময়ৰ ধূসৰ-সজীৱ স্মৃতি, অভিজ্ঞতা-উপলব্ধিৰেই বৰ্ণময় প্ৰকাশ। মানৱচিত্তত অবিৰত বৈ থাকে এক চেতনা প্ৰৱাহ। জীৱনৰ নিৰ্মিতিত ত্ৰিকালৰ মূৰ্ত্ত-বিমূৰ্ত্ত অস্তিত্ব অহৰহ অনুভৱ কৰা যায়; অন্যথা জীৱনৰ সৈতে বিচ্ছিন্ন হোৱা হ'লে তিনিওটা কালৰে কোনো স্বকীয়তা আৰু সামূহিক সৌন্দৰ্য পৰিস্ফুট নহ'লহেঁতেন। এই সত্যটোকে 'অবুজ মায়া' গল্পটোত ৰমা দাসে আটিল কথনশৈলীৰে উপস্থাপন কৰিবলৈ লওঁতে সৃষ্টিধৰ্মিতাৰ পৰিচয় দিছে।

লিখকে 'সোণ' নামৰ এজন অবুজ বালকৰ লগৰীয়াৰ সৈতে দিনৰ দিনটো অলৌ-তলৌকৈ ঘূৰি প্ৰাকৃতিক আনন্দ উপভোগ কৰাৰ চিত্ৰখন তুলি ধৰিছে। ধূসৰ অতীতৰ দিওঁ-নিদিওঁকৈ ধৰা দিয়া স্মৃতিক আঁকুহি আনি গল্পটো আৰম্ভ কৰোঁতে তেওঁ স্পষ্টকৈ বয়সৰ কথা নকৈ বা কালচিহ্ন নকৰি পৰোক্ষভাৱে প্ৰাক কৈশোৰ অৱস্থাৰ সম্ভেদ দিছে আদিতেই এনেদৰেঃ 'যেতিয়া ভৰ দুপৰীয়া আমৰ তলে তলে জামৰ তলে তলে ঘূৰি ফুৰাটোৱে জীৱনৰ একমাত্ৰ ডাঙৰ উত্তেজনা আছিল; যেতিয়া ফৰিংফুটা জোনাকৰ ৰাতি আকাশৰ চপৰা-চপৰি শুকুলা মেঘৰ গাত সঁচাকৈয়ে ঐৰাৱত হাতীৰ খোজ দেখিবলৈ পাইছিলোঁ— গল্পটো ঠিক সেই সময়ৰ। তেনে এক অফুৰন্ত ল'ৰালি কালত কত বিচিত্ৰ অভিজ্ঞতা নোহোৱাকৈ থাকে মানুহৰ— যিবোৰৰ বেছিভাগেই হয়তো পাহৰণিৰ গৰ্ভত বিলীন হৈ যায়। দুই এটাইহে বুকুত খুন্দা মাৰে জীয়া ঢল হৈ মাজে-সময়ে। সোণহঁতৰ দলটোৱেও উন্মুক্ত হৈ ঘূৰি ফুৰি য'ত কেঁচা আম, কৰ্জা টেঙাৰ সোৱাদ লয়গৈ— সেয়া হৈছে 'সেউতী বাই' বোলা মানুহ এগৰাকীৰ এৰাবাৰী হেন জয়াল পৰিবেশেৰে আৱৰা এটি চৌহদ— য'ত থাকে তেওঁ অকলে। বাইজনীৰ উদং ঘৰ; ৰিক্ত সংসাৰ। সমাজৰ পৰা বহিষ্কৃত তেওঁ। তেওঁ হেনো এসময়ত ব্যভিচাৰী জীৱন কটাইছিল। ঘৰ-সংসাৰ নাপাতি গাটো চুৰা খেদোৱা বাইজনী সেয়ে কুলক্ষিণী, কলংকিনী, অসতী। ভদ্ৰ সমাজৰ কোনো লোকৰ পদাৰ্পণ নঘটে এতিয়া আদবয়সীয়া সেউতীৰ ঘৰত। গাত যৌৱন থাকোঁতে তেওঁক অসতী সজোৱা সমাজখনৰ এতিয়া শেনচকু। সোণহঁতে লুকাই-চুৰকৈ আহি বাইৰ মিঠা সান্নিধ্যত মুগ্ধ হোৱা, বাইৰ ঘৰৰ ধুনীয়া মেকুৰী পোৱালীটো নি সোণে ঘৰত পুহিবলৈ ইচ্ছা কৰা, বায়ে সোণক বুকুত সাৱটি লৈ পুত্ৰবৎ মৰম কৰা, আইতাকৰ কঠোৰ শাসনে সেউতীৰ সান্নিধ্য লাভৰ পৰা বঞ্চিত কৰা সোণক অধিক জেদী কৰি তোলা, সেউতীৰ ঘৰৰ পৰা ওভোটাৰ পথত ভয়ত বিতত হৈ সোণ- এমাহ শয্যাগত হ'ব লগা হোৱা আদি পৰিস্থিতিবোৰ গল্পকাৰে ক্ষীপ্ৰভাৱে বৰ্ণনা কৰি গৈছে।

সোণৰ আইতাকৰ অন্ধবিশ্বাসৰ নিঃকৰুণ বলি হ'ব লগা হ'ল সেউতী বাই মানুহজনী। অহুকাণে-পহুকাণে সোণ সান্নিপাত জ্বৰত আক্ৰান্ত হৈ থকা শুনি এপলক চোৱাৰ আশাৰে

বেদনা-আঙুৰ গুটি কোচত ভৰাই অনা সেউতী সোণহঁতৰ নঙলামুখৰ পৰাই অকল লাঞ্ছিত হৈ উভতি যাব লগা হোৱা নাই; পুলিচৰ দ্বাৰা চক্ৰান্ত কৰি তেওঁক অঞ্চলটোৰ পৰাই উৎখাত কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰা হ'ল আইতাকৰ নেতৃত্বত। সেউতীয়ে মুকুটৰ হাতত সোণলৈ বুলি মেকুৰী পোৱালীটো উপহাৰ দি অপত্য স্নেহৰ চিনাকি দি নিজে আত্মহত্যা কৰিছে। সমাজৰ বিহদৃষ্টিত এনেদৰে জাহ যাব লগা হোৱা সেউতীবাইৰ জীৱনৰ কাৰুণ্যই হৈছে গল্পটোৰ প্ৰধান বিষয়বস্তু আৰু সেউতীবায়ে হৈছে কাহিনীৰ ঘাই উপজ্জীব্য।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰধান চৰিত্ৰ 'সোণ' প্ৰকৃততে কোন?

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ৩.৬ 'অবুজ মায়া'ৰ কাহিনী আৰু ঘটনা বিন্যাস

গল্পটোৰ কথাবস্তু বা কাহিনীৰ উৎসস্থল হৈছে গুৱাহাটীৰ পাণবজাৰৰ এটি পৰিত্যক্ত অঞ্চল। লিখকৰ চেঙেলীয়া বয়সৰেই কথা। তেওঁৰ বয়স ন-দহ বুলি ধৰিলে সময়টো ১৯২০ খ্ৰীষ্টাব্দৰ পিছলৈ ঠেলিব নোৱাৰি। অৰ্থাৎ প্ৰায় শতিকাপূৰ্ব এৰাবাৰী, পাণ-তামোল, গছ-গছনি, পিতনি-জাৰণিৰে পৰিপূৰ্ণ সেৰেঙা বসতিময় গুৱাহাটীৰ কথা। তেনে এক সোণালী সুদিনত সোণে লগৰীয়া মুকুটহঁতৰ লগত ঘূৰি-ফুৰি বিনন্দীয়া সুখ লৈছিল— আম-জাম-ৰবাব টেঙা খাই। পাণবজাৰৰ পৰা উত্তৰে ৰেল লাইনৰ দাঁতি কাষতে আছিল কেওকিছু নোহোৱা সমাজ বহিষ্কৃত শ্মশানৰ ফুলস্বৰূপ সেউতী বাইৰ ঘৰ। বাইৰ সান্নিধ্যসুখত আপোনপাহৰা হোৱা ল'ৰাহঁতৰ দলটোৰ প্ৰমুখস্বৰূপ সোণৰ বাইৰ প্ৰতি আকৰ্ষণৰ অন্যতম কাৰণ আছিল পোহনীয়া মেকুৰীটোৰ মৰম লগা পোৱালী এটা। সেইটো সোণক লাগে। বাইয়ো সন্মত। কিন্তু ৰগৰত জগৰ লগা দি বাধা আহিল সোণৰ বুঢ়ী আইতাকৰ পৰা। সোণৰ নিস্পাপ হেপেহুৱা মনক কুঠাৰাঘাত কৰি আইতাকে সেউতী বাইৰ ঘৰলৈ যোৱাটো একপ্ৰকাৰ বন্ধ কৰি দিলে। সোণৰ ল'ৰালি মন গৰ্জি উঠে আৰু সেউতী বাইৰ মেকুৰী পোৱালীটো অনাটো চৰম প্ৰত্যাহ্বান আৰু সন্মানৰ বিষয় হৈ উঠিল। এনেতে ঘটিল অথন্তৰটো। সেউতী বাইৰ সেমেকা শুকান বুকুৰ স্নেহউজ্জ্বল উম লৈ ওলাই আহোঁতে এদিন জয়াল হাবিতলীয়া বাটত অদ্ভুৎ নামবিহীন দৃশ্য দেখি ভয়ত বিতত হৈ সোণ যি ধাচকৈ বাগৰি পৰিল, তাৰ পৰিণতিত সান্নিপাত জ্বৰ আৰু এমাহ শয্যাগত হ'ব লগা হ'ল।

মৃত্যুৰ লগত যুঁজি থকা সোণৰ খবৰটো বনজুইৰ দৰে বিয়পি গৈ সেউতী বায়ে পালে আৰু উধাতু খাই সোণক চাবলৈ আহি অপমান-লাঞ্ছনাৰে নঙলামুখৰ পৰাই আঁতৰি যাব লগা হ'ল। সিমানতে শেষ নহ'ল। বাইৰ ওপৰত সমাজৰ নিদাৰুণ আক্ৰোশ। সোণৰ আইতাক, মাক-দেউতাকে বাইক সমাজৰ আৱৰ্জনা, অসতী-কলংকিনী সাজি সোণৰ অস্বাভাৱিক পৰিণতিৰ বাবে তেওঁক ডাইনী জগৰীয়া সাজি পুলিচৰ হতুৱাই বাইৰ ঘৰ লণ্ড-ভণ্ড কৰালে আৰু খেদি দিব বিচাৰিলে। তেওঁৰ কথা শুনে কোনে? অৱশেষত নিজেই সোণৰ মংগল কামনা কৰি ঘৰৰ ভিতৰতে চিপজৰী লৈ আপোনঘাতী হ'ল। মৰাৰ আগতে মুকুটৰ হতুৱাই সোণক মেকুৰী

পোৱালীটো দিবলৈ নাপাহৰিলে। বাইৰ ওপৰত চলা অত্যাচাৰৰ নিদাৰুণ কাহিনী সোণে মুকুটৰ পৰাই শুনিলে। সেউতী বাই গুচি গ'ল; কিন্তু থৈ গ'ল স্নেহৰ অমিয়া জোকাৰ। সেউতী বাইৰ প্ৰতি সৌ তাহানিতে ওপজা অবুজ মায়াৰ উত্তাপ লিখকে সুদীৰ্ঘ কাল ধৰি সংগোপনে ধাৰণ কৰি ৰাখিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

'অবুজ মায়া'— প্ৰকৃততে কাৰ? সেউতীৰ নে সোণৰ নে দুয়োৰো?

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

## ৩.৭ 'অবুজ মায়া'ৰ চৰিত্ৰ বিন্যাস

সোণ, আইতা আৰু সেউতী বাই— তিনিটা ভিন্ন চৰিত্ৰক ভিন ভিন দৃষ্টিকোণৰ পৰা লিখকে অৱলোকন কৰিছে যদিও গল্পটোৰ কেন্দ্ৰীয় আকৰ্ষণ হৈছে সেউতী বাই। অপত্য স্নেহেৰে পৰিপূৰ্ণ মমতাময় নাৰী হৃদয়। অজ্ঞাত কোনো ৰহস্যময় কাৰণত সেউতী বাই ঘৰখনত অকলে থাকে। সংগী মাথো তাঁতশালখন আৰু মাকজনীৰে সৈতে লোদোৰ-পোদোৰ মেকুৰী পোৱালী কেইটা। চুবুৰীটোৰ ল'ৰা সোণহঁতক সেউতীয়ে মৰম কৰিব খুজিও থমকি ৰয় প্ৰচণ্ড সংকোচবোধত। কাৰণ সমাজে তেওঁক এঘৰীয়া কৰি থৈছে। অপৰাধ বিবাহপূৰ্ব অৱস্থাতেই সেউতীয়ে হেনো গাভৰু দেহৰ মৰম আন দহজনক বিলাইছিল। জানি-শুনি চুৰা যোৱা গাটো নোৱাই-ধোৱাই নিবলৈ কোন মতা মানুহ বাৰু আগবাঢ়ি আহিব? সেউতীৰো মাহ-হালধি সানি কাৰোবালৈ অপেক্ষা কৰাৰ সৌভাগ্য জীৱনত নহ'ল। তাতে তেওঁৰ আক্ষেপো নাছিল। কাৰো অপকাৰ নকৰাকৈ, আনৰ লাও-কোমোৰালৈ চকু নিদিয়াকৈ তাঁত-সুত বৈ দুহাতৰ জোৰত চলিছিল সুন্দৰকৈ। এনেতে এজাক ল'ৰাৰ কলৰৱ, প্ৰাণচঞ্চল উপস্থিতিয়ে তেওঁক জীয়াই থকাৰ প্ৰেৰণা যোগালে যদিও সেউতীৰ বিধি হ'ল বাম। সেউতীৰ দৰে অসতী মানুহজনীৰ ঘৰলৈ গ'লে সোণহঁত বেয়া হ'ব— সোণৰ আইতাক-মাকৰ ধাৰণা। আইতাকে তেওঁৰ ঘৰলৈ আহিবলৈ বাধা দিয়াৰ কাৰণ জানিব খোজাত সেউতীয়ে সোণক কৈছে ঃ

> "মোৰ ইয়ালৈ আহিলে মানুহৰ পাপ লাগে। সিহঁতৰ জাতি যায়, ধৰ্ম যায়। আৰু বোধকৰো ইহকাল-পৰকালো নষ্ট হয়। ...তোমাৰ দৰে যদি অবুজন শিশু এটাই আহি এইদৰে মোৰ শুকান বুকুখনত কেতিয়াবা এক্ষন্তেক সোমায় দুণ্ডৰ কাৰণে অলপ আনন্দ দি যায়, তেনেহ'লে তাৰ পাপ লাগে নে নালাগে সেই কথা মই ক'ব নোৱাৰো।"

সেউতী বায়ে মাথো তেওঁৰ শুকাই যোৱা বুকুত যে মৰম-ব্যথা আছে, তাৰ উমান ল'ব খুজিছিল মাথো। মাতৃ-পুত্ৰৰ নিবিড় স্নেহৰ এনাজৰী বন্ধনত নাথাকে কোনো স্বাৰ্থ, পোৱাৰ বাসনা, হেৰোৱাৰ দুখ; থাকে কেৱল প্ৰাকৃতিক ভালপোৱা আৰু গভীৰ আসক্তি। এনে এক আসক্তিয়েই ওপজিছিল সেউতীৰ সোণৰ প্ৰতি। কিন্তু হীন সমাজ ব্যৱস্থা আৰু অন্ধদৃষ্টিৰ বলি হ'ব লগা হ'ল তেওঁ। সেউতীৰ বিৰুদ্ধে পৰম্পৰাগত সমাজৰ অবিচাৰৰ প্ৰতিনিধি সোণৰ আইতাক গৰ্জি উঠিছে এনেদৰে ঃ

"বেটী! কলংকিনী, কুলটা। সমাজৰ আৱৰ্জনা। লোকৰ ঘৰৰ ল'ৰাৰ ওপৰত তাই এইদৰে চকু দিয়ে কেলৈ? তাইৰ যদি ঘৰ-সংসাৰ কৰিবলৈ ইমান হাবিয়াস আছিল নিজৰ গাটো সেইদৰে চুৰা খেদাইছিল কেলৈ? ........এই ভদ্ৰ পাৰাখনৰ ইমান ওচৰত তাইক সেইদৰে কেতিয়াও থাকিবলৈ দিব নোৱাৰি।"

মৰমে মৰমৰ ভাষাহে বুজে। সান্নিপাত জ্বৰত আক্ৰান্ত সোণক এবাৰ মাত্ৰ চোৱাৰ আশাৰে এইগৰাকী মমতাময়ী নাৰীয়ে অপমান-লাঞ্ছনা-গ্লানি সহিও বাৰে বাৰে বিফল হৈছে। আনকি তেওঁৰ বিৰুদ্ধে মিছা মোকৰ্দ্দমা ৰুজু কৰাতে ক্ষান্ত নাথাকি সোণৰ আইতাক-মাক-দেউতাকে পুলিচ লগাই ঘৰ লণ্ড-ভণ্ড কৰিছে— ভেঁটি মাটিৰ পৰা উৎখাত কৰিব বিচাৰিছে। তেনে পৰিস্থিতিতো নীৰৱে দুখ-অপমান সহি সোণৰ মংগল কামনা কৰি চিপজৰী লৈ আপোনঘাতী হ'ব লগা হোৱা পৰিস্থিতিৰ মূলতে হৈছে তথাকথিত সমাজব্যৱস্থা। অশিক্ষা, অজ্ঞানতা, কু-সংস্কাৰে সামাজিক বৈষম্যৰ দুৱাৰ কটকটীয়াকৈ বান্ধি ৰাখে। নাৰী জীৱনৰ অভিশাপৰ অন্তৰালত নাৰীৰ ভূমিকাই থাকে সৰহ। সেউতী বাইৰ কৰুণ জীৱন গাথা ৰক্ষণশীল অবিবেচক সমাজৰ অন্যায়-অবিচাৰৰ যে ফল, তাত অকণো সন্দেহ নাই। মৃত্যুৰ মাজেৰে তেওঁ দেখুৱাই গৈছে নাৰী হৃদয়ৰ উচ্চতা আৰু মমত্বৰ নিদৰ্শন।

'অবুজ মায়া'ত সোণ আৰু সেউতী বাইৰ ৰাগ-অনুৰাগৰ জোৱাৰ-ভাটাই স্নেহ-প্ৰীতিৰ নদীদ্বীপ সৃষ্টি কৰাত প্ৰবল বাধাৰূপে দেখা গৈছে আইতাক নামৰ চৰিত্ৰটো। নৈষ্ঠিক সমাজৰ পুৰাতন ধ্যান-ধাৰণাৰ প্ৰতিনিধি তেওঁ। তেওঁ অসহনশীল, মায়া-মমতা থাকিও অন্ধ। পৰস্পৰ হিংসা-হিংসি, খেয়াল-খেয়ালি আদি সমাজ এখনৰ সংকীৰ্ণ পৰিধি চুবুৰী একোটাত অধিক প্ৰকট হৈ পৰে। তদানিন্তন গুৱাহাটীত পৰস্পৰৰ মাজৰ সম্পৰ্কটো কম ঘনবসতিৰ কাৰণে হৈ উঠিছিল সম্ভৱ। সেয়ে ইঘৰ-সিঘৰৰ ভিতৰখন পৰস্পৰে জানিছিল। কিন্তু সামাজিক অৱধাৰণা আৰু প্ৰমাদৰ বশৱৰ্তী হৈও মানুহে মানুহ সম্পৰ্কে ভুল ধাৰণা পোষণ কৰে। এনে ভুলৰ বশৱৰ্তী হৈ সত্য-অসত্য বিচাৰ নকৰাকৈ সোণৰ আইতাকহঁতে সেউতী বাইক শোচনীয় পৰিণতিৰ ফালে ঠেলি পঠিয়ালে। সোণৰ বাবে হাঁহি হাঁহি প্ৰাণ দিয় সেউতী বাইৰ উদাৰতা আৰু হৃদ্যতাৰ উচ্চতাৰ ওচৰত তেওঁলোক তেনে নিষ্প্ৰভ।

অম্লমধুৰ স্মৃতি ৰোমন্থন কৰিবলৈ গৈ গল্পকাৰ ৰমা দাশে জীৱন্ত অতীতকেই প্ৰত্যক্ষ কৰা নাই, সমাজ বহিস্কৃত এগৰাকী নাৰীৰ অন্তৰৰ মাতৃসুলভ কমনীয়তা, সন্তনাৰ প্ৰতি ওপজা অহৈতুক মৰমৰ প্ৰতিদান ৰূপে জিনৰ জীৱন দান কৰাৰ অনন্য সাধাৰণ ঘটনাৰ নিখুঁট ৰূপায়ণেৰে তৎকালীন গল্প পাঠকক নতুনত্বৰ সোৱাদ দিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

কোনটো চৰিত্ৰক গল্পটোৰ মুখ্য চৰিত্ৰ হিচাপে বিবেচনা কৰিব পাৰি?

.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................

### ৩.৮ 'অবুজ মায়া' গল্পটোৰ তত্ব আৰু বৈশিষ্ট্য

গল্পকাৰ ৰমা দাসে প্ৰথম পুৰুষত বাল্যকালৰ জীয়া ঘটনা এটি কাহিনীৰ ঠাচত দাঙি ধৰিছে অতি নাটকীয়ভাৱে। গল্পটোৰ সমাপ্তিও নাটকীয় আৰু কাব্যিক। আদি অন্ত উৎকণ্ঠা বিৰাজমান। ইয়াৰ আৰম্ভণিলৈ চালে আকৰ্ষণীয় কাব্যিক ভংগিমা এটি চকুত পৰে। ফৰিংফুটা জোনাক ৰাতি আকাশৰ চপৰা-চপৰি শুকুলা মেঘৰ গাত ঐৰাৱত হাতীৰ খোজ দেখিবলৈ পোৱা বাল্যকালৰ মধুৰ দিনলৈ পাঠকক তেওঁ অতৰ্কিতে লৈ যায়। গল্পটো শেষ নোহোৱা পৰ্যন্ত পাঠকো তেঁৱে অতীততে সোমাই থাকিবলৈ বাধ্য হৈ পৰে। সেউতী বায়ে ৰমা দাসৰ স্মৃতিত দ' সাঁচ পেলাই থৈছে। সমাজৰ চকুত অসতী মহিলাগৰাকীৰ নিবিড় সান্নিধ্যলৈ আহি 'সোণ' নামৰ মইটোৱে আত্মপ্ৰজয়েৰে অনুভৱ কৰিছিল যে আনে ভবাৰ দৰে তেওঁ বেয়া মানুহ নাছিল। সেয়ে তেওঁৰ বুকুত ক্ষন্তেকৰ বাবে মুখ গুজি অনুভৱ কৰা মাতৃ গংগাৰ স্নেহশীতল স্পৰ্শাসুখ গল্পকাৰে বহুমূলীয়া ৰত্নৰ দৰে আজীৱন ধাৰণ কৰি ৰাখিছে। সোণক বচোৱাৰ কাৰণেই সেই মহিলা গৰাকীয়ে দেহ ত্যাগ কৰিলে। এক মৌন উছৰ্গা — যাৰ কিন্তু ৰাজহুৱা স্বীকৃতি নাছিল। সেউতী বাইৰ হৃদয়ৰ উচ্চতাই হৈছে গল্পটোৰ ঘাই সৌন্দৰ্য। তেওঁ ল'ৰাহঁতক মনৰ কথা কৈছে এইদৰে ঃ 'তোমালোকক সাখী ৰাখি মই আজি ক'লো যে, মই মৰিলে যদি সঁচাকৈয়ে সোণৰ কিবা উপকাৰ হয়, তেনেহ'লে মই হাঁহি হাঁহি এই দেহা বিসৰ্জন দিবলৈ প্ৰস্তুত আছোঁ। হাঁহি হাঁহি নিঃশেষ হৈ যোৱা সেউতী বায়ে সোণক দি গ'ল অনামী যন্ত্ৰণা আৰু মমতা ভালপোৱাৰ গৌৰৱ। অতীত স্মৃতিৰ এই গৌৰৱ ৰমা দাশৰ মানৱাত্মাৰ অনুসন্ধানৰ এচমকা উজ্জ্বল পোহৰ বুলি পাৰি।

কাহিনীৰ পৰিণতিতো এককে নাটকীয়তাৰে গল্পকাৰে আত্মিক অন্তৰ্দ্বন্দ্বৰ ছবিখনেই প্ৰকট কৰি তুলিছে ঃ 'মই আজিও কেতিয়াবা সময় পালে ভাবিবলৈ যত্ন কৰোঁ, সেউতী বাইৰ সেই ধুনীয়া চকুযুৰিৰ অন্তৰালত আমি সিদিনা কি বস্তুটো দেখি তেনেদৰে উদ্বাউল হৈ উঠিছিলোঁ? ই মৰম ? চেনেহ? নে তাতোকৈ গধুৰ কিবা বুজিব নোৱাৰা এটি ডাঙৰ মায়া?

দয়া, কৰুণা, মমত্ব, ত্যাগ আদি শাশ্বত গুণবোৰেহে মানুহ উচ্চলৈ তোলে। ধনৰ গৰ্বই স্বাভিমানী-অহংকাৰী কৰা মন আচলতে শূণ্য। সেউতী বাইৰ মনৰ প্ৰাচুৰ্য্যৰ উচ্চতা জুয়ে পোৱা সোণৰ দৰে উজ্জ্বল। লিখকেও এই তত্ত্বকেই ৰূপায়িত কৰিছে। চেতনা প্ৰবাহ গল্পটোৰ আন এক বৈশিষ্ট্য। 'অবুজ মায়া'ৰ ৰচনা কাল আৰু ছপা আকাৰে চলোৱাৰ মাজত অন্তৰ প্ৰায় বিশ বছৰৰ। ১৮৭২ শকৰ (১৯৫০) 'বৰদৈচিলা' ব'হাগ সংখ্যাত প্ৰকাশ হোৱাৰ কথা ৰমা দাশে জানিবলৈ দিছে। প্ৰেম, হিংসা, বিবেক, পাপবোধ আদি হৃদয়বৃত্তিবোৰে মানুহৰ জীৱনত যি প্ৰতিক্ৰিয়া, পৰিস্থিতিৰ সৃষ্টি কৰে — সেয়াই হৈছে এই গল্পটোৰো ঘাই উপজীব্য।

### ৩.৯ সাৰাংশ (Summing Up)

আৱাহন যুগত অসমীয়া সাহিত্যত গল্প-উপন্যাসৰ যোগেদি নতুন বিষয়বস্তু আৰু জীৱন-জগত সম্পৰ্কে লিখকৰ নতুন দৃষ্টিভঙ্গী আৰু বিশ্লেষণৰ সূত্ৰপাত হয়। এই আৱাহন যপগৰে এজন গল্পকাৰ হ'ল ৰমা দাশ। আধুনিকতাৰ প্ৰলেপত নতুনকৈ সৃষ্টি হোৱা নগৰীয়া মধ্যবিত্তৰ ৰোমাণ্টিক কল্পনা, অবৈধ প্ৰেম, যৌন লালসা আদি বিষয়বোৰৰ স্থূলতা দাশৰ গল্পৰ অন্যতম উপজীব্য। গল্পকাৰৰ এটা অন্যতম গল্প হ'ল 'অবুজ মায়া'। কৈশোৰৰ মধুময় স্মৃতিয়ে অতৰ্কিতে জীৱনক পৰিচালিত কৰি মানসিক আনন্দ আৰু ধুমুহাৰ মাজত ব্যক্তিক যে অস্থিৰ কৰি তোলে, তাৰ নিখুঁত প্ৰতিফলন এই গল্পটোৰ মাজত দেখিবলৈ পোৱা যায়।

## ৩.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অসমীয়া সাহিত্যত যুগ সৃষ্টি কৰিব পৰা কি কি বৈশিষ্ট্য 'আৱাহন'ত পৰিলক্ষিত হয়?

২) ৰমা দাশৰ চুটিগল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? এই বৈশিষ্ট্যসমূহ 'অবুজ মায়া' গল্পটিত কেনেদৰে ফুটি উঠিছে?

৩) ৰমা দাশৰ চুটিগল্পৰ কি কি বৈশিষ্ট্য 'অবুজ মায়া'ত প্ৰকাশ পাইছে আলোচনা কৰা।

৪) 'আৱাহন' আৰু ৰমা দাশ— এই বিষয়ে এটি বিশ্লেষণ আগবঢ়াওক।

৫) 'অবুজ মায়া' ৰমা দাশৰ অন্তৰ্জীৱনৰ দাপোণস্বৰূপ— বিচাৰ কৰক।

৬) 'অবুজ মায়া' গল্পটিৰ বিষয়বস্তু আলোচনা কৰক।

৭) 'অবুজ মায়া' গল্পটিৰ চৰিত্ৰ চিত্ৰণ সম্পৰ্কে আলোচনা কৰক।

৮) 'অবুজ মায়া'ৰ প্ৰধান চৰিত্ৰ কোনটো বুলি ভাবা? সেউতী বাইৰ জীৱনৰ কাৰুণ্য তেওঁৰ ভাগ্য নে সমাজ ব্যৱস্থাৰ ফল — আলোচনা কৰা।

## ৩.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


উদয় দত্ত ঃ *চুটি গল্প*

পৰাগ ভট্টাচাৰ্য ঃ *গল্পৰ প্ৰসংগ আৰু অসমীয়া গল্প সাহিত্য*

ত্ৰৈলোক্যনাথ গোস্বামী ঃ *আধুনিক গল্প সাহিত্য*

ষ্টুডেণ্টচ্ ষ্টোৰচ্ ঃ *ৰমা দাশৰ গল্প সমগ্ৰ*

নগেন শইকীয়া ঃ *চিন্তা-চৰ্চা*

Birinchi Kr. Barua : *History of Assamese Literature*

Hem Barua : *Assamese Literature*


* * *

## চতুৰ্থ বিভাগ

## যোগেশ দাস ঃ 'পৃথিৱীৰ অসুখ'

**বিভাগৰ গঠন ঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ ৰামধেনু যুগৰ অসমীয়া চুটিগল্প
৪.৪ চুটিগল্প হিচাপে যোগেশ দাস
৪.৫ যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ' গল্পটোৰ বিষয়বস্তু
৪.৬ 'পৃথিৱীৰ অসুখ' গল্পটোৰ কাহিনী আৰু ঘটনাবিন্যাস
৪.৭ 'পৃথিৱীৰ অসুখ'ৰ প্ৰধান চৰিত্ৰকেইটাৰ আলোচনা
৪.৮ সাৰাংশ (Summing Up)
৪.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৪.১ ভূমিকা (Introduction)

আগৰ বিভাগটিত ৰমা দাশৰ 'অবুজা মায়া' গল্পটিৰ সবিশেষ পৰ্যালোচনা কৰা হৈছে। এই বিভাগটিত যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ' নামৰ গল্পটিৰ আলোচনা আগবঢ়োৱা হ'ব।

ৰামধেনু যুগৰ এজন উল্লেখযোগ্য গল্পকাৰ যোগেশ দাস। ভালেসংখ্যক গল্পপুথিৰে তেওঁ অসমীয়া গল্পসাহিত্যলৈ অনবদ্য বৰঙনি আগবঢ়াই থৈ গৈছে। তেওঁৰ এটা উল্লেখযোগ্য গল্প হ'ল 'পৃথিৱীৰ অসুখ'। এই বিভাগটিত গল্পটিৰ বিষয়বস্তু, কাহিনী আৰু চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে আলোচনা কৰা হৈছে। গল্পটিৰ বিষয়বস্তুত সোমোৱাৰ আগতে ৰামধেনু যুগৰ চুটিগল্পৰ বৈশিষ্ট্য আৰু গল্পকাৰ যোগেশ দাসৰ চমু পৰিচয় দাঙি ধৰা হৈছে।

### ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰি আপোনালোকে —

- ৰামধেনু যুগৰ অসমীয়া চুটিগল্পৰ বিষয়বস্তু বিচাৰ কৰিব পাৰিব;
- গল্পকাৰ হিচাপে যোগেশ দাসৰ মূল্যায়ণ কৰিব পাৰিব;
- যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ' চুটিগল্পটিৰ বিষয়বস্তু আৰু কাহিনী বিশ্লেষণ কৰিব পাৰিব; আৰু
- গল্পটিৰ চৰিত্ৰসমূহ ফঁহিয়াই চাব পাৰিব।

## ৪.৩ ৰামধেনু যুগৰ অসমীয়া চুটিগল্প

যোগেশ দাস ৰামধেনু যুগৰ গল্পকাৰ। অসমীয়া চুটিগল্পৰ বিৱৰ্তন আৰু সমৃদ্ধিক এই যুগটোৰ ভূমিকা নিঃসন্দেহে প্ৰণিধানযোগ্য। সমাজবাদ আৰু মনস্তত্বক আশ্ৰয় কৰি অসমীয়া চুটিগল্পই বিষয়বস্তু আৰু ৰচনা-ৰীতিৰ দিশেৰে নতুন পৰীক্ষা-নিৰীক্ষাৰ সূচনা হোৱা 'আৱাহন' যুগৰ পিছত 'ৰামধেনু' অৰ্থাৎ যুদ্ধোত্তৰ যুগত পৰিপুষ্টি লাভ কৰা বুলি ক'ব পাৰি। ১৯৪৮ খ্ৰীষ্টাব্দত ইন্দ্ৰকমল বেজবৰুৱা আৰু মহেশ্বৰ নেওগৰ সম্পাদনাত আৰম্ভ হৈ চাৰি বছৰৰ অন্তত ৰাধিকামোহন ভাগৱতীয়ে পঞ্চম বছৰত সাময়িকভাবে সম্পাদনাৰ দায়িত্ব লোৱাৰ পিছত এৰাধৰাকৈ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু আব্দুল মালিকৰ সম্পাদনাত একাধাৰে ১২৬টা সংখ্যা ওলোৱা ৰামধেনু আলোচনীখনত প্ৰকাশ পায় মুঠ ১৬৮টা গল্প। ই সঁচাকৈয়ে অসমীয়া চুটিগল্পৰ এক উৎসৱেই।

ইতিমধ্যে মাৰ্ক্স-এংগেল্‌চৰ শ্ৰেণীহীন-শোষণহীন সমাজনৈতিক আদৰ্শৰে বাস্তৱবাদী সমাজ চেতনাৰ ধাৰাটো কেইগৰাকীমান গল্পকাৰে আগবঢ়াই আনিছিল। তাৰ সৈতে সংযুক্ত হ'ল জীৱন-জগত-মানুহ সম্পৰ্কে নতুন পৰীক্ষা কিছুমান। ক্ষীপ্ৰ নহ'লেও সমাজ জীৱনত দেখা পোৱা নতুন পৰিবৰ্তনত ইন্ধন যোগোৱা কাৰকৰূপে দেখা দিলে যৌথ পৰিয়ালৰ ভাঙোন, অৰ্থনৈতিক বৈষম্য, সৰ্বসাধাৰণৰ মাজত ৰাজনৈতিক চেতনাৰ বৃদ্ধি আৰু শিক্ষিত শ্ৰেণীৰ বৌদ্ধিক জগতক প্ৰভাৱিত কৰা নানা দ্বন্দ্ব-সন্দেহ, অস্থিৰতা, অবিশ্বাস, দ্বিধা আদি। এই যুগতেই সৰ্বাধিক বৈজ্ঞানিক যুক্তিবাদ আৰু মানৱতাবাদৰ নতুন সূত্ৰ আৰু তত্বৰ আধাৰত গল্পৰ মাজেৰে জীৱন সত্যৰ অন্বেষণ আৰম্ভ হয়। অস্তিত্ববাদী চিন্তাৰ প্ৰভাৱ, ব্যক্তি স্বাতন্ত্ৰৰ পোষকতা, গণতান্ত্ৰিক মূল্যবোধ, শিপাৰ সন্ধান, ঐতিহ্য আৰু আধুনিকতাৰ সংঘাত প্ৰায়বোৰ গল্পতে পৰিদৃশ্য হ'বলৈ ধৰে। ৰচনা-ৰীতিৰ ক্ষেত্ৰত পৰম্পৰাগত আৰু পৰীক্ষামূলক দুয়োটা ধাৰাকে গল্পকাৰসকলে আকোঁৱালি লয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰামধেনু যুগৰ চুটিগল্পত কি কি বিষয়ে গুৰুত্ব লাভ কৰিছিল?

.................................................................................................................

.................................................................................................................

.................................................................................................................

## ৪.৪ চুটিগল্পকাৰ হিচাপে যোগেশ দাস

উজনিৰ ডুমডুমাৰ ওচৰৰ হাঁহচ'ৰা চাহ বাগিচাত জন্ম হোৱা যোগেশ দাসে উচ্চ শিক্ষাৰ বাবে কটন কলেজলৈ আহি তাতে লগ পায় প্ৰথিতযশা অসমীয়া ভাষা-সাহিত্যৰ কেইগৰাকীমান কাণ্ডাৰী — মহিম বৰা, বীৰেণ বৰকটকী, চন্দ্ৰপ্ৰসাদ শইকীয়া, লক্ষ্মীনন্দন বৰা প্ৰমুখ্যে তেতিয়াৰ ডেকা ছাত্ৰসকলক। অসম সাহিত্য সভাৰ একপঞ্চাশতম বিহপুৰীয়া অধিৱেশনৰ সভাপতি হিচাপে ১৯৮৫ চনটোত তেওঁ সাহিত্য সভাৰ যি গুৰিয়ালৰ দায়িত্ব বহন কৰিছিল তাত কেইটামান বিশেষ নতুন কথাই প্ৰাধান্য লাভ কৰিছিল। যেনে— (১) অসমত বসবাস কৰা লোকৰ মাজত সমন্বয় গঢ়ি তোলা, (২) অসমলৈ অহা অনাঅসমীয়া চাকৰিয়ালসকলৰ

বাবে অসমীয়া ভাষা শিক্ষা বাধ্যতামূলক কৰা, (৩) অনুবাদ সাহিত্যৰ সম্প্ৰসাৰণ আৰু (৪) অসমত বছৰি গ্ৰন্থমেলা আয়োজন কৰাৰ লগতে শিশু সাহিত্য পুথি প্ৰণয়ন আৰু প্ৰকাশ প্ৰচলন বৃদ্ধি কৰা ইত্যাদি।

চিন্তাশীল প্ৰবন্ধকাৰ, ঔপন্যাসিক, সাহিত্য সমালোচক ৰূপে দাসৰ খ্যাতি আৰু স্থান অনবদ্য। ১৯২৮ ইং চনৰ ১ এপ্ৰিলত জন্মগ্ৰহণ কৰি ১৯৯৯ ইং চনৰ ৯ চেপ্তেম্বৰত মৃত্যুবৰণ কৰা একসত্তৰ বছৰীয়া জীৱনকালত লিখক হিচাপে তেওঁৰ বহুমুখী প্ৰতিভাৰ কৃতিত্ব কেওদিশতে প্ৰকাশ পাইছে। অসম উপত্যকা বঁটা (১৯৯৪), 'পৃথিৱীৰ অসুখ' গল্প সংকলনৰ বাবে সাহিত্য অঁকাডেমী বঁটা (১৯৮০), অসম সাহিত্য সভাৰ সীতানাথ ব্ৰহ্মচৌধুৰী বঁটা (১৯৭৮) ইত্যাদিৰ অধিকাৰী যোগেশ দাসৰ সবাতোকৈ মহিমামণ্ডিত কীৰ্তি হ'ল 'ৰামধেনু'ৰ এগৰাকী যুগনিৰ্মাতা গল্পকাৰ ৰূপে পৰিচয়। আব্দুল মালিক, ৰোহিনীকুমাৰ কাকতি, ভবেন্দ্ৰনাথ শইকীয়া, মেদিনী চৌধুৰী, বীৰেশ্বৰ বৰুৱা, ৰাধিকামোহন গোস্বামী, সৌৰভ চলিহা, লক্ষ্মীনন্দন বৰা, যদু বৰপূজাৰী, চন্দ্ৰপ্ৰসাদ শইকীয়া, স্নেহ দেৱী আদি গল্পকাৰতকৈ অধিক সংখ্যক 'ৰামধেনু'ৰ সৰ্বাধিক গল্পলেখকৰ স্থান যোগেশ দাসে দখল কৰিছিল। তেওঁৰ ২৫টা গল্প ৰামধেনুত প্ৰকাশ হৈছিল। তেওঁৰ গল্পসমূহৰ কেইটামান হ'ল— 'তেতিয়া ৰাতি বাৰ', 'কলপতুৱাৰ মৃত্যু', 'পৰোৱানা', 'অজটিল', 'তৰুণস্য বৃদ্ধা ভাৰ্যা', 'মৰিশালিৰ জীয়া মানুহ', 'পোৱা সোণ', 'আবহমান', 'ভূতপূৰ্ব', 'পলৰীয়া', 'কোনেও নুবুজে', 'বাইদেউ', 'আম', 'অপত্য', 'টেমেকা', 'এজন অসৎ লোকৰ আত্মজীৱনী', 'উৰুকাৰ উকমুকৰ পোৱালী', 'মদাৰৰ বেদনা', 'বুদ্ধদেৱ', 'টংক দোকানীৰ বিপদ' ইত্যাদি।

যোগেশ দাসৰ গল্প সংকলন কেইটা হ'ল— *সঁহাৰি পাই* (১৯৫৫), *পপীয়া তৰা* (১৯৫৬), *আন্ধাৰৰ আঁৰে আঁৰে* (১৯৫৮), *ত্ৰিবেণী* (১৯৬১), *মদাৰৰ বেদনা* (১৯৬৩), *হাজাৰ লোকৰ ভীৰ* (১৯৬৫) আৰু *পৃথিৱীৰ অসুখ* (১৯৭৯)। 'যোগেশ দাসৰ নিৰ্বাচিত গল্পপুথি' গ্ৰন্থত 'মোৰ গল্প ঃ নেপথ্যৰ কথা'ত তেওঁ কৈছে যে, 'গল্প সজা কথা হ'লেও ই সঁচা কথাও হ'ব পাৰে। মই সদায় লগ পাই থকা মানুহৰ কাহিনী কওঁ, মই জনা মতে, বা মই শুনা মতে।' এই গৰাকীয়েই গল্পকাৰ যোগেশ দাস— যাৰ জীৱন আৰু গল্প সমাৰ্থক। তেওঁ জীৱনটোক, সমাজক, মানুহক যেনেদৰে অনুভব কৰে, চাক্ষুক পৰিবৰ্তনবোৰে মনত যেনেদৰে ক্ৰিয়া কৰে, তেনেদৰেই সৰু সৰু পৰিস্থিতি চিত্ৰণৰ জৰিয়তে তেওঁ সেইবিলাক প্ৰকাশো কৰে গল্পৰ ৰূপত। বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধই মানৱ জীৱনলৈ অনা পৰিবৰ্তনবোৰ তেওঁ অন্তৰ্দৃষ্টিৰে লক্ষ্য কৰি, সমাজখনত, মানৱ চৈতন্যত তাৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়াৰ বিভিন্ন ৰূপ গল্পৰ মাজেদি দাঙি ধৰিছে। নতুন পৰিবৰ্তিত সমাজখনৰ দ্বিধা-দ্বন্দ্ববোৰ সংবেদনশীলভাৱেই তেওঁ অংকন কৰিছে। ইতিমধ্যে ভালেমান সমালোচকে যোগেশ দাসৰ ব্যক্তিত্বৰ সৰলতাই তেওঁৰ প্ৰতিটো গল্পক উষ্ণতা দিয়াৰ কথা নোকোৱাকৈ থকা নাই। সৰলতা তেওঁৰ চুটিগল্পৰ ঘাই আধাৰ। পূৰ্বে উল্লেখিত 'ৰামধেনু'ত প্ৰকাশিত গল্পসমূহৰ উপৰিও পিছৰ সময়ছোৱাত আৰু ভালেমান বিখ্যাত গল্প তেওঁ লিখিছে। 'ছিন্নমূল', 'পৃথিৱীৰ অসুখ', 'গদাধৰ টি ষ্টল', 'বংশ ধ্বংসৰ ইতিবৃত্ত', 'ষ্টফ'ৰ্ড দম্পত্তিৰ ভাৰত ত্যাগ', 'শেলুৱা শিলত গজা', 'বৰদেউতা', 'গৰাখহনীয়া' আদি গল্পকেইটা সূক্ষ্ম জীৱন বীক্ষণ আৰু ৰসসৃষ্টিৰ ক্ষেত্ৰত অনুপম। তেওঁ এই গল্পসমূহত কাহিনী (Story), চৰিত্ৰায়ণ (Character) আৰু ধাৰণাৰ প্ৰাধান্য (Story of Impression) তিনিওটাই পোৱা যায়। ভিন ভিন সামাজিক, পাৰিবাৰিক আৰু মনস্তাত্বিক পৰিস্থিতিৰ ওপৰত চৰিত্ৰবোৰ অংকন কৰোঁতে ক'তো উজুটি নোখোৱাকৈ কথাবোৰ কৈ গৈছে। গ্ৰাম্য অথবা নগৰীয়া জীৱনৰ পৰিৱেশ চিত্ৰণত থলুৱা কথ্য

ভাষাৰ প্ৰয়োগত তেওঁৰ যি দক্ষতা আৰু অকৃত্ৰিমতা, সেই ভাষাই লক্ষ্মীনাথ বেজবৰুৱাৰ জঁতুৱা ভাষালৈ মনত পেলাই দিয়ে। ‘তেওঁৰ গল্পত মাধুৰ্য থাকিলেও বৈচিত্ৰ্য নাই’ বুলি সমালোচকসকলে ক’ব খুজিলেও সেয়াই একমাত্ৰ গল্প সমালোচনাৰ কাৰক হ’ব নোৱাৰে। প্ৰতিগৰাকী গল্পকাৰৰ নিজস্ব ৰচনা ৰীতি আৰু অভিনৱত্ব থাকে। কুৰি শতিকাৰ প্ৰায় পাঁচটা দশকৰ নিয়মীয়া গল্পকাৰজন কোন বুলি সুধিলে যোগেশ দাসৰ নামটিয়েই মনলৈ আহে। ‘ৰামধেনু’ৰ নিয়মীয়া পাঠকসকলে প্ৰতিটো সংখ্যাতে দাসৰ গল্পলৈ আশাৰে বাট চাইছিল বুলি ক’লেও ভুল কোৱা নহ’ব। তেওঁৰ প্ৰগাঢ় ব্যক্তিত্বৰ সৰলতাই প্ৰতিটো গল্পকে মহীয়ান কৰি ৰাখিছে।

যোগেশ দাসৰ গল্পত সংহত প্লট, চৰিত্ৰৰ অন্তৰ্মুখিতা স্বচ্ছ জীৱন বীক্ষণ, সৰল সাৱলীল বৰ্ণনা শৈলী, অনালংকাৰ চাতুৰ্থহীন ভাষাৰ বৈভৱ, পৰিবেশ সৃষ্টিৰ নৈপুণ্য আদি গুণবোৰ স্পষ্ট। মানুহৰ প্ৰাত্যহিক জীৱনৰ সুখ-দুখ, ঘৃণা-ভালপোৱা, আনন্দ-অৱসাদ আদি কথাবোৰ কিছুমান অৰ্থপূৰ্ণ পৰিস্থিতিৰ মাজেদি ফঁহিয়াই চাই গল্পকাৰে নিজস্ব জীৱন দৃষ্টিও প্ৰকাশ কৰিছে। ‘পৃথিৱীৰ অসুখ’ এইবোৰ গুণৰ ব্যতিক্ৰম নহয়। যোগেশ দাসৰ গল্প কোৱাৰ সৰলতাই গল্পটোৰ উল্লেখযোগ্য বৈশিষ্ট্য।

**আত্মমূল্যায়ন প্ৰশ্ন**

যোগেশ দাসৰ গল্পৰ ঘাই বৈশিষ্ট্যকেইটা উল্লেখ কৰা ?

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ৪.৫ যোগেশ দাসৰ ‘পৃথিৱীৰ অসুখ’ গল্পটোৰ বিষয়বস্তু

‘পৃথিৱীৰ অসুখ’ সাধাৰণ মানুহৰ জীৱন্ত কাহিনী। ভাড়াতীয়া হিচাপে অজয় চলিহা নামৰ চৰকাৰী বিষয়া এজনে নিবাৰণ বৰুৱাৰ ঘৰত থাকিবলৈ আহি আহৰণ কৰা বিচিত্ৰ অভিজ্ঞতাৰ মননশীল বিশ্লেষণেই গল্পটোৰ মূল বিষয়। মানুহৰ পৃথিৱীখনত কত বিচিত্ৰ মানুহ; বিচিত্ৰ ৰুচি, অভ্যাস, ইচ্ছা-আকাংক্ষা। সাদৃশ্য থাকিলেও কোনো কাৰো লগত সম্পূৰ্ণকৈ নিমিলে। সেইজন অজয় চলিহাই চাকৰিসূত্ৰে অপৰিচিত চহৰখনলৈ আহি চৰকাৰী অতিথিশালাত সাময়িকভাৱে আশ্ৰয় লৈ ভাড়াঘৰৰ অন্বেষণত নানা তিতা-কেঁহা অভিজ্ঞতা বোটোলাৰ পিছত মানুহৰ মুখৰোচক নানা কথাকো আওকাণ কৰি নিবাৰণ চলিহাৰ চৌহদৰ পুৰণি ঘৰটোতে থাকিবলৈ ল’লে। ভাড়াঘৰত থকা লোকৰ প্ৰাত্যহিক জীৱনৰ কথা দাঙি ধৰা গল্পটোৰ উদ্দেশ্য নহয়। উদ্দেশ্য হৈছে সমাজৰ চকুত সন্ত্ৰাস সৃষ্টিকাৰী অতিশয় বেয়া মানুহ ৰূপে খ্যাত বদমেজাজী মাতাল নিবাৰণ বৰুৱা আৰু তেওঁৰ বাইদেৱেক তথাকথিত পাগলী মনোৰমা দুৱৰাক ভিতৰৰ পৰা ফঁহিয়াই চোৱা।

মানুহৰ পৃথিৱীখনত মানুহৰ ক’ত যে অসুখ ! ব’হেমিয়ান অপ্ৰকৃতিষ্ঠ এহাল বিধবা বায়েক আৰু অবিবাহিত ভায়েকৰ জীৱনৰ মৰ্ম্মছেদ হৈছে এই গল্পটো। দুয়ো ইজন সিজনৰ অৱলম্বন হৈয়ো তেওঁলোকৰ জীৱনশৈলী কিন্তু সমান্তৰাল। ভদ্ৰ সমাজখনে সততে মাতাল গুণ্ডা বুলি অৱমাননা কৰি অহা নিবাৰণক কেতিয়াও সহৃদয়তাৰে চোৱা নাই; এজন দাগী

অপৰাধী বুলিয়েই হেয়জ্ঞান কৰি আহিছে। সেইদৰে মনোৰমাকো সহজলভ্যা বহু বল্লভা চৰিত্ৰহীনা বুলিয়েই ভাবি আহিছে। মাটি হাকিম বিনন্দেশ্বৰ বৰুৱাৰ প্ৰতিপত্তি আৰু সম্ভ্ৰান্ত পৰিৱেশ পুতেক-জীয়েকে ধৰি ৰাখিব নোৱাৰাৰ প্ৰকৃত কাৰণ জানিব নিবিচৰা সমাজৰ চকুচৰহা প্ৰতিনিধিসকলে অজয় চলিহাক বিভ্ৰান্ত কৰিব বিচাৰিছিল যদিও যুক্তিনিষ্ঠতাৰে সমাজৰ অন্ধবিচাৰ খণ্ডন কৰি চলিহাই নিবাৰণ-মনোৰমাৰ স্খলিত পৰিস্থিতিৰ কাৰণ উদঘাটন কৰিবলৈ সমৰ্থ হৈছে। গল্পকাৰে অজয় চলিহাৰ দৃষ্টিৰ দৰ্পণত দুয়োকো প্ৰতিবিম্বিত কৰাত চৰিত্ৰ দুটাৰ স্বৰূপ স্পষ্ট হৈ উঠিছে। আনে ভবা ধৰণে নিবাৰণ মাতলামী কৰি ঘূৰি ফুৰা গুণ্ডা নহয়; আৰু মনোৰমাও সন্দেহজনকভাবে ঘূৰা-ফুৰা কৰা মতলবী নহয়। পিতৃ-মাতৃক তেনেই সৰুতে হেৰুৱাৰ লগা হোৱাত মোমায়েকহঁতৰ তত্বাৱধানত যিছোৱা কাল কটাব লগা হ'ল, সেই সময়খিনিত দুয়ো প্ৰকৃত মৰম-আদৰ আৰু শাসন-অনুসাসন পোৱা দূৰৰ কথা, ৰক্ষকৰূপী আত্মীয়সকলক মৃত দেউতাকৰ সম্পত্তি আত্মসাৎ কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰাহে দেখা পালে। কলেজীয়া ছাত্ৰাৱস্থাতে নিবাৰণে মদ খাবলৈ শিকা, বিগতদাৰ এজনত কুমাৰী মনোৰমাক সপি দিয়াৰ পৰিণতিস্বৰূপে অকাল বৈধব্যক সাৰটি লৈ শহুৰেকৰ ঘৰত নিগৃহীত হ'ব লগা পৰিস্থিতিৰ মূলতে যে স্বাৰ্থপৰ ৰোগী সমাজখনৰ ৰখীয়া প্ৰতিনিধি মোমায়েকসকলৰ কুৎসিত লালসা, তাকো গল্পকাৰে স্পষ্টকৈ দেখুৱাইছে। দাতাকৰ্ণ বিনন্দেশ্বৰ বৰুৱাৰ অতিথি সেৱা আৰু উদাৰতা গল্পটোৰ শিক্ষণৰ আন এক দিশ। কুটিল মোমায়েকহঁতৰ গৰাহৰ পৰা মুক্ত হৈ নিবাৰণে মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা বায়েকক উদ্ধাৰ কৰি অনা, সমাজখনে ত্যাগ কৰাৰ পিছতো সেই সমাজখনলৈ কৰ্ণপাত নকৰি দুয়ো দুয়োৰো অৱলম্বন হৈ অকলশৰীয়া জীৱন-যাপন কৰা, ভাড়াতীয়া অজয় চলিহাক কেৱল ভাড়াতীয়া হিচাপে নাচায় তেওঁৰ সৈতে মানৱীয় সম্পৰ্ক গঢ়ি তোলা কথাবোৰ অপ্ৰকৃতিস্থ মানুহৰ পক্ষে সম্ভৱ নহয়। তথাকথিত ভদ্ৰ সমাজখনতকৈ যে নিবাৰণ মনোৰমাৰ জীৱন অধিক অকৃত্ৰিম আৰু আঁৰ-বেৰ নোহোৱা তাকো লিখকে যুক্তি সহকাৰে দেখুৱাইছে। তথাকথিত সামাজিক মূল্যবোধৰ ধ্বজাবাহী নহৈ স্বাধীনভাৱে জীৱন-যাপন কৰি এই দুগৰাকী লোকে বৈপ্লৱিক আৰ্হিহে দেখুৱাইছে। গল্পকাৰে এক বিশেষ সন্ধিক্ষণত সমাজ-ব্যৱস্থাক ভ্ৰূকুটি কৰি মনোৰমাৰ পক্ষত থিয় হৈ কৈছে যে ঃ 'পাগল কোন ? মনোৰমা নে তেওঁক পাগল কৰা মানুহবোৰ ? ....... হুচ বা জ্ঞান নথকা মনোৰমাই আজি নিষ্ঠুৰতা আৰু স্বাৰ্থপৰতা নাজানে। হুচ বা জ্ঞান থকা মানুহে সেই দুটাৰ বাহিৰে একোকে নাজানে।' আপাত দৃষ্টিত পাগলী মনোৰমাই 'মানসিক, চিকিৎসালয়ৰ পৰিধি অকল অসম কিয় গোটেই জগতখনলৈকে বিয়পাই দিয়াহে যুগুত' বুলি কোৱা কথাষাৰৰ অন্তৰালত যি সূক্ষ্ম বিচাৰবোধ আৰু মানৱ চৰিত্ৰ অধ্যয়নৰ গভীৰতা প্ৰকাশ পাইছে, হুচ থকা মানুহ এজনে নিশ্চয় সেই কথা সহজে ক'ব নোৱাৰে। মানুহৰ পৃথিৱীখনত প্ৰকৃততে কোন অসুখী, ৰোগগ্ৰস্ততাৰো উত্তৰ গল্পকাৰে নিদিয়াকৈ থকা নাই। মোহমুক্ত হৈ ব্যক্তিয়ে ক্ষুদ্ৰ স্বাৰ্থৰ উৰ্দ্ধত জীৱন উপভোগ কৰিব নোৱাৰালৈকে মানুহৰ অসুখৰ পৰা পৃথিৱীখন মুক্ত হ'ব নোৱাৰিব। তাৰ বাবে লাগিব ত্যাগ, উদাৰতা, প্ৰেম, কৰুণা ইত্যাদি। 'পৰহিতায় সৰ্বস্ব সমপণ'-ৰ দৰে আদৰ্শ দেখুৱাব পৰা মাটি হাকিম বিনন্দেশ্বৰ বৰুৱা সেইবাবেই গ্ৰহণযোগ্য। সৰল, অনাড়ম্বৰ স্বাধীন জীৱন-যাপন কৰা নিবাৰণ-মনোৰমাহঁত প্ৰকৃততে সুখী; কাৰণ অসুখী পৃথিৱীখনৰ আওতাৰ পৰা দুয়ো নিজকে আঁতৰাই ৰাখিব পাৰিছে। গল্পটোৰ শেষত নিবাৰণে বায়েকক স্মগ্‌লাৰ সুন্দৰলালৰ কবলৰ পৰা মুক্ত কৰা দেখা যায়। ভাতৃ-ভগ্নীৰ স্নেহ আৰু দায়বদ্ধতাৰ এনাজৰী বন্ধনে দুয়োকো বান্ধি ৰখাৰ মোহনীয়তাৰে গল্পটো সামৰা হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

নিবাৰণ আৰু মনোৰমা চৰিত্ৰ দুটাৰ ট্ৰেজেডীৰ মূলবিন্দু ক'ত?

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

## ৪.৬ 'পৃথিৱীৰ অসুখ' গল্পটোৰ কাহিনী আৰু ঘটনাবিন্যাস

গল্পকাৰ যোগেশ দাসৰ পৰিকল্পিত গতানুগতিক কাহিনী বিন্যাসৰ অনুপস্থিতি গল্পটোত স্পষ্ট। নিবাৰণ-মনোৰমাৰ উশৃঙ্খল জীৱন যাত্ৰাৰ অন্তৰালত ক্ৰিয়াশীল হৈ থকা কাৰ্য কাৰণহে প্ৰত্যয়জনকভাৱে বিশ্লেষণ কৰি চোৱা হৈছে। চাকৰি সূত্ৰে নতুন চহৰখনলৈ অহা অজয় চলিহাই সৰু পৰিয়ালটোকো আনি লগত ৰাখিব পৰাকৈ ভাড়াঘৰৰ অনুসন্ধানত নামি আৱিষ্কাৰ কৰিলে পৰিত্যক্ত যেন লগা চৌহদ এটাৰ আওপুৰণি এটি সৰু ঘৰ। প্ৰাচীন সম্ভ্ৰান্ত অৱয়বৰ স্পষ্ট ৰূপ পৰিলক্ষিত হোৱা চৌহদটোৰ আনটো ঘৰত গৃহস্থৰূপে থাকে নিবাৰণ-মনোৰমা নামৰ এহাল ভায়েক-ভনীয়েক। দুয়োৰো জীৱন বুৰঞ্জীৰ প্ৰতিখিলা পাতৰ নীৰৱ পঢ়ুৱৈ হৈ অজয় চলিহাই আৱিষ্কাৰ কৰিলে যে এচাম মানুহ ভবা ধৰণে এই নিৰীহ প্ৰাণী দুটি বেয়া মানুহ কেতিয়াও হ'ব নোৱাৰে।

ঘৰটোৰ সুবিধা-অসুবিধাসমূহ আগতীয়াকৈ জনাই দি বিধবা বায়েক মনোৰমাৰ সাক্ষাতত ১৪০ টকা মাহেকীয়া ভাড়া, নিৰ্দ্ধাৰণ কৰিয়েই আন বহুতো মালিকৰ দৰে নিবাৰণে চলিহাৰ প্ৰতি দায়িত্ব শেষ হ'ল বুলি ভবা নাই। চলিহাৰ কামত আহিব বুলি পুৰণি চকী-মেজ-চালপীৰাৰো যোগান ধৰি তেওঁ সহৃদয়তাৰ পৰিচয় দিছে। তেওঁ যে দুৰ্ঘোৰ মদ্যপী আৰু নিশাচৰ তাকো নিঃসংকোচে অকণো লুকঢাক নকৰাকৈ প্ৰকাশ কৰিছে। কেনেকৈ বঙহে-মঙহ খোৱা আত্মীয় মোমায়েকহঁতৰ পাকচক্ৰত পৰি আৰু ষড়যন্ত্ৰৰ জাল ছিৰি পিতৃপ্ৰদত্ত ঘৰটো উদ্ধাৰ কৰি লগতে অকাল বৈধব্যক সাৰটি ল'বলগীয়া হোৱা বায়েক মনোৰমাকো শহুৰেকৰ ঘৰৰ অত্যাচাৰৰ পৰা মুক্ত কৰি আনি নিজৰ লগত ৰাখিলে, কি পৰিস্থিতিত পৰি তেওঁ নিজে লেতেৰা মদাহী আৰু বায়েক উন্মাদিনী হ'ব লগা হ'ল তাকো দাঙি ধৰিছে অকপটভাৱে। সেইজন নিবাৰণ হঠাতে জেলত পৰা বুলি শুনি মোকোলাই আনিবলৈ গৈ অজয় চলিহাই গম পালে যে নিবাৰণ বৰুৱাই নিৰ্দোষী আহত বন্ধুজনৰ সপক্ষে মাত মাতিবলৈ গৈহে তেওঁক আহত কৰা ভদ্ৰলোক এজনক প্ৰহাৰ কৰিছিল। সেইদৰে চলিহাৰ সহযোগত অসাধু চোৰাং ব্যৱসায়ী সুন্দৰলালৰ কবলৰ পৰা মনোৰমাক উদ্ধাৰ কৰি আনি দায়িত্ববান অভিভাৱক আৰু ৰক্ষাকৰ্তাৰ পৰিচয় দিয়া নিবাৰণে বায়েকক মৰমেৰে আকোঁৱালি লৈ 'শিয়ালী এ নাহিবি ৰাতি' নিচুকণি গীত গাই অভয় দান কৰিছে। এই ঘটনাবোৰ অজয় চলিহাৰ সন্মুখতে হৈ যোৱা ঘটনা; আৰু সেয়ে তেওঁৰ উপলব্ধিও সত্যপ্ৰসুত। আন দহজনে দুষ্টা মায়াবিনী বুলি জ্ঞান কৰা মনোৰমা অথবা বেপেৰোৱা নিবাৰণক তেনেই স্বাভাৱিক শিশু যেন লগা কৰুণ পৰিণতিৰে গল্পটো সামৰা হৈছে।

## ৪.৭ 'পৃথিৱীৰ অসুখ'ৰ প্ৰধান চৰিত্ৰকেইটাৰ আলোচনা

মূলত নিবাৰণ বৰুৱা আৰু মনোৰমা দুৱৰাৰ দুখঃবহ জীৱনৰ কৰুণ দস্তাবেজ হৈছে যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ'। মানুহৰ কাৰণে এই পৃথিৱী, এই ভুমা কিমান যে সুন্দৰ!

মানুহৰ আছে সৃষ্টিময়তা, সৌন্দৰ্যৰ প্ৰতি অনুৰাগ, পৰিশীলিত জীৱন-চৰ্যা, আৰু আছে পাৰ্থিৱ-অপাৰ্থিৱৰ প্ৰতি জ্ঞেয়-অজ্ঞেয় আকৰ্ষণ। সুন্দৰকৈ জীৱন উপভোগ কৰিব বিচৰা প্ৰতিজন মানুহেই শিল্পী। আনহাতে এই সৃষ্টিময়তাৰ মাজতেই বিৰাজমান অন্য এক কদৰ্য-স্বাৰ্থপৰ ৰূপ। সেয়ে মানুহৰ পৃথিৱীখনৰ অসুখো বেছি। সুখ-সন্ধানী মানুহৰ অসুখ বাঢ়িহে যায়— নকমে। শান্তিপ্ৰিয় মানুহৰ জীৱন স্বাৰ্থপৰ মানুহৰ বিষাক্ত ঘা লাগি দুখঃময় অসহনীয় হৈ উঠে। সমাজৰ কুটিলতা-স্বাৰ্থপৰতাৰ উৰ্দ্ধত এনে কিছুমান মানুহে স্বাধীনভাৱে জীয়াই থাকে যে তেওঁলোকৰ প্ৰকৃত মূল্যায়ন নহয়। তেনে লোকে কাকো জগৰীয়া নকৰে; নিজৰ পথত চলি থাকে, লাগিলে সমাজৰ চকুত তেওঁলোক ভালেই হওক বা বেয়াই হওক। সংহত প্লটৰ বিপৰীতে কেইটামান বিশেষ পৰিস্থিতিত নিবাৰণ আৰু মনোৰমাক কেন্দ্ৰীয় আকৰ্ষণ হিচাপে দাঙি ধৰি নিপুণ কথকতাৰ দ্বাৰা গল্পকাৰে দক্ষতাৰ পৰিচয় দিছে।

অজয় চলিহাৰ সৈতে প্ৰথম সাক্ষাতে এজন অপ্ৰকৃতিষ্ঠ মানুহৰূপে দেখা যায় নিবাৰণ বৰুৱাক। গা ধুই ওলাই অহা মানুহজনৰ গা ঢকা একমাত্ৰ টাৱেলখন সুলকি পৰাৰ পিছতো অচিনাকী চলিহাৰ সন্মুখত নিৰ্বিকাৰ ৰূপ নিশ্চয় স্বাভাৱিক নহয়। কিন্তু মদাসক্ত গুণ্ডা প্ৰকৃতিৰ মানুহজনে চলিহাৰ লগত কৰা সৌজন্যমূলক ভদ্ৰ আচৰণ, বাইদেৱেকক উদ্ধাৰ কৰি আনি সম্পূৰ্ণ নিৰ্ভৰতা আৰু অভয় দানেৰে নিজৰ আশ্ৰয়ত ৰখা, দেউতাক মাটি হাকিম বিনন্দেশ্বৰ বৰুৱাৰ উদাৰহস্ত আদৰ্শৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাব পোষণ কৰা, আন দহজন ঘৰৰ মালিকৰ দৰে ভাড়াতীয়াৰূপে নাচাই চলিহাৰ অসুবিধাসমূহ দূৰ কৰিবলৈ চেষ্টা কৰা, বন্ধুক ন্যায় দিবৰ নিমিত্তে নিজে জেলত সোমাবলৈ কুণ্ঠাবোধ নকৰা, স্মাগলাৰ এজনৰ গৰাহৰ পৰা মনোৰমাক মুক্ত কৰি অনা প্ৰভৃতি এশ এটা গুণৰ অধিকাৰী নিবাৰণ বৰুৱাজনক সঁচা মানুহ বুলি গল্পকাৰে ক'ব খুজে। ব্যাধিগ্ৰস্ত ভোগী স্বাৰ্থপৰ সমাজখনৰ প্ৰতি নিবাৰণৰ বিতশ্ৰদ্ধা অলপ কথাতে প্ৰকাশ কৰা হৈছে —

> 'আমাৰ দেউতা এজন জনাজাত মানুহ আছিল। তেখেতৰ কথাৰ মূল্য মানুহে দিয়ে। .......কিন্তু নিবাৰণ বৰুৱা বা মনোৰমা দুৱৰাৰ কথালৈতো কোনেও কৰ্ণপাত নকৰেই, সিহঁতৰ দুৱাৰলৈকে কোনো নাহে।'

নিৰ্ভৰশীল আশ্ৰয় আৰু প্ৰতিপালনৰ অভাৱত এইজন নিবাৰণ মদাপী, বেপেৰোৱা হ'ব লগা হ'ল। তাৰ বাবে স্বাৰ্থপৰ মোমায়েকহঁত দায়ী। নিবাৰণ সমাজৰ পৰা বিচ্যুত হ'ব লগা হ'ল। তাৰবাবে সমাজৰ অন্ধদৃষ্টি দায়ী। গল্পকাৰেও কথাটো স্পষ্ট কৰি দিছে—

> 'মিছা মান-সন্মানলৈ তেওঁৰ লোভ নাই। বৰং প্ৰৱঞ্চনা কৰা মুখা পিন্ধা সমাজখনক ঘৃণা কৰাটোহে তেওঁৰ পক্ষে স্বাভাৱিক। .......মদ নাখালেই ভাল মানুহ হ'ব নোৱাৰে। মদ খায়ো ইমান যুক্তিসংগত, উদাৰ, বিবেচক কেইটা মদ নোখোৱা মানুহে হ'ব পাৰিছে?'

গল্পকাৰৰ ক্ষুৰাধাৰ বিশ্লেষণত মনোৰমা দুৱৰাও জুইত পোৰা সোণৰ দৰে উজ্জ্বল। প্ৰথম দৰ্শনতে অজয় চলিহাৰ মনোৰমা এগৰাকী ব্যক্তিত্ব সম্পন্না আকৰ্ষণীয় মহিলা যেন লাগিছে। চলিহাক সন্মুখত লৈ ভায়েক-ভনীয়েকৰ মাজত ঘৰটোৰ ভাড়া নিৰ্দ্ধাৰণ সম্পৰ্কে আলাপ হৈছে আৰু মনোৰমাই পৰিত্যক্ত ঘৰটোলৈ এজন হ'লেও থাকিম বুলি ভাবি যে মানুহ আহিছে, সেই সূত্ৰে কৃতজ্ঞ হৈ ৩৫ টকাকৈ দিলেও হ'ব বুলি হৈছে। কথাষাৰত স্বপ্ৰণোদিত ব্যঙ্গ লুকাই আছে। অৱশ্যে কিছু লাগ-বান্ধ নোহোৱা কথাই তেওঁৰ মানসিক ভাৰসাম্যহীনতা প্ৰকট কৰি তুলিলেও 'শকত-আবত, নিয়মীয়া ওখ, তেজাল, ধুনীয়া মহিলাগৰাকী যে আনে ভবাৰ দৰে পাগলী

নহয়, সেয়া সত্য। কম বয়সতে বিগতদাৰলৈ বিয়া দিয়া, অকালতে বৈধব্যক আকোঁৱালি লোৱা, শিশু সন্তানৰ মৃত্যু, শহুৰেকহঁতৰ অত্যাচাৰ ইত্যাদি কাৰণত বিকৃত মস্তিস্কা হৈ পৰাটোৱে স্বাভাৱিক। এইবোৰ তেওঁৰ জীৱনৰ ওপৰেদি বাগৰি যোৱা একোছাটি বা-মাৰলিও। গল্পকাৰে কৈছে তেওঁ জীয়াই থাকিও জীৱনৰ পৰা উপেক্ষিতা। সমাজৰ যিসকলে মনোৰমাক পাগলীৰ ভাও কি বেয়া মতলবত ঘূৰি ফুৰা দুষ্টা চৰিত্ৰৰ বুলি ভাবে; সেইসকলে কিন্তু তেওঁক ওচৰৰ পৰা প্ৰত্যক্ষ কৰা নাই। লোকক বদনাম দিয়াতে এচাম সদাব্যস্ত। অনুভবী গল্পকাৰে তাৰ বিপৰীতে জোকৰ মুখত চূণ-কালি সনাৰ চলেৰে ক'ব খোজে যে মনোৰমাৰ বদনাম ৰটা সকলৰ যৌন ব্যভিচাৰ আৰু যৌন বিকৃতিৰ ঘটনাৰ হয়তো লেখ দিয়াই টান হ'ব। মনোৰমাৰ কৰুণ পৰিণতি নিবাৰণৰ কথাৰ পৰাই স্পষ্ট।

> 'ডাক্তৰে কয়, মনত ডাঙৰ আঘাত পায়েই বাইদেউৰ এনেকুৱা অৱস্থা হ'বলৈ পালে। ......নিচেই কম বয়সতে বুঢ়া দৰালৈ বিয়া দিয়াত তাইৰ সকলো আশা-আকাংক্ষাৰ মূৰত কুঠাৰাঘাত পৰিল। ...গোৰটো-ঢকাটো খোৱা হেনো নিত্য-নৈমিত্তিক হৈছিল। ......এটা ল'ৰা হৈ মৰিল। তাৰ পিছত গিৰিয়েকো মৰি থাকিল। .......শেষত তাই তাল ৰাখিব নোৱাৰিলে —মূৰ বেয়া হৈ গ'ল।'

মনোৰমাই যেতিয়া পগলা ফাটেকখনে গোটেই অসমকে আগুৰি পেলাব বুলি সজোৰে কয়, তাৰ সত্যতাক গল্পকাৰেও নুই কৰিব পৰা নাই। অজয় চলিহাৰ মুখেৰে তেওঁ কোৱাইছে।

> 'কিছুমান স্বাৰ্থপৰ মানুহৰ নিষ্ঠুৰতাৰ বলি মনোৰমা। ......পাগল কোন? মনোৰমা নে তেওঁক পাগল কৰা মানুহবোৰ? ....... হুচ বা জ্ঞান নথকা মনোৰমাই আজি নিষ্ঠুৰতা আৰু স্বাৰ্থপৰতা নাজানে। হুচ বা জ্ঞান থকা মানুহে সেই দুটাৰ বাহিৰে একোকে নাজানে।'

এতেকে নিবাৰণ আৰু মৰোৰমা চৰিত্ৰৰ সৃষ্টি সমাজৰ বিবেক দংশন কৰিব পৰা গল্পকাৰৰ এক বলিষ্ঠ প্ৰয়াস।

**আত্মমূল্যায়ন প্ৰশ্ন**

নিবাৰণ আৰু মৰোৰমা চৰিত্ৰদুটিৰ মাজেৰে গল্পকাৰে প্ৰকৃততে সমাজৰ কি কথা বুজাব বিচাৰিছে? (৫০ টামান শব্দৰ ভিতৰত উত্তৰ লিখক।)

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

## ৪.৮ সাৰাংশ (Summing Up)

ৰামধেনু যুগৰ এজন প্ৰভাৱশালী গল্পকাৰ হ'ল যোগেশ দাস। গ্ৰাম্য অথবা নগৰীয়া জীৱনৰ পৰিবেশ চিত্ৰণত, থলুৱা কথ্য ভাষাৰ প্ৰয়োগত গল্পকাৰ দাসৰ দক্ষতা অপৰিসীম। তেওঁৰ প্ৰগাঢ় ব্যক্তিত্বৰ সৰলতাই তেওঁৰ প্ৰতিটো গল্পকে মহীয়ান কৰি ৰাখিছে।

অজয় চলিহা নামৰ বিষয়া এগৰাকী নিবাৰণ বৰুৱাৰ ঘৰত থাকিবলৈ আহি আহৰণ কৰা বিচিত্ৰ অভিজ্ঞতাৰ মননশীল বিশ্লেষণে হ'ল যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ' গল্পটিৰ মূল বিষয়। মোহমুক্ত হৈ ব্যক্তিয়ে ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰিব নোৱাৰালৈকে মানুহৰ পৃথিৱীখন অসুখৰ পৰা মুক্ত হ'ব নোৱাৰে। তাৰবাবে লাগিব ত্যাগ, উদাৰতা, প্ৰেম, কৰুণা ইত্যাদি। অসুখীয়া পৃথিৱীৰ পৰা নিজকে আঁতৰাই ৰাখিব পাৰিলেহে মানুহে প্ৰকৃত সুখ পাব পাৰে। গল্পকাৰে গল্পৰ মাজেৰে এই কথাখিনিকে উপস্থাপন কৰিছে।

## ৪.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১) গল্পকাৰ যোগেশ দাসৰ গল্পপুথিসমূহৰ পৰিচয় দাঙি ধৰি তেওঁৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

২) 'পৃথিৱীৰ অসুখ' গল্পটিৰ বিষয়বস্তু পৰ্যালোচনা কৰক।

৩) গল্পকাৰ যোগেশ দাসৰ চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰি সেই বৈশিষ্ট্যসমূহ 'পৃথিৱীৰ অসুখ' গল্পটিত কেনেদৰে ৰূপায়িত হৈছে বুজাই লিখক।

৪) 'পৃথিৱীৰ অসুখ' গল্পটিৰ নামাকৰণ গল্পটিৰ চৰিত্ৰসমূহৰ কাৰ্যকলাপে কেনেদৰে সাৰ্থক কৰিছে, ফঁহিয়াই দেখুৱাওক।

৫) 'পৃথিৱীৰ অসুখ' গল্পটিৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰি দেখুৱাওক।

৬) 'পৃথিৱীৰ অসুখ' এটা মনোৰম গল্প নে কেইটামান বিশেষ পৰিস্থিতিৰ চিত্ৰণ— ফঁহিয়াই দেখুওৱা।

## ৪.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


যোগেশ দাস : *গৰীয়সী*

ত্ৰৈলোক্যনাথ গোস্বামী : *আধুনিক গল্প সাহিত্য*

প্ৰহ্লাদ বৰুৱা : *অসমীয়া চুটিগল্পৰ অধ্যয়ন*

হোমেন বৰগোহাঞি (সম্পা.) : *অসমীয়া গল্প সংকলন (পাতনি)*

হোমেন বৰগোহাঞি (সম্পা.) : *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)*

কুমুদ গোস্বামী : *যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্প*


* * *

পঞ্চম বিভাগ

# মহিম বৰা ঃ ‘এখন নদীৰ মৃত্যু’

**বিভাগৰ গঠন ঃ**


৫.১ ভূমিকা (Introduction)

৫.২ উদ্দেশ্য (Objectives)

৫.৩ গল্পকাৰ হিচাপে মহিম বৰা

৫.৪ এখন নদীৰ মৃত্যু ঃ এটি আলোচনা

৫.৫ সাৰাংশ (Summing Up)

৫.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

৫.৭ প্ৰসঙ্গ পুথি (Reference/Suggested Readings)


## ৫.১ ভূমিকা (Introduction)

কুৰি শতিকাৰ ষাঠীৰ দশকটো অসমীয়া গল্প সাহিত্যৰ ইতিহাসত অতি তাৎপৰ্যপূৰ্ণ। এই দশকটোত কেইবাগৰাকীও যশস্বী গল্পকাৰে অসমীয়া গল্প সাহিত্যৰ জগতত প্ৰভূত জনপ্ৰিয়তা আৰু প্ৰতিষ্ঠা লাভ কৰে। তেওঁলোকৰ ভিতৰত ভবেন্দ্ৰনাথ শইকীয়া, সৌৰভ কুমাৰ চলিহা, লক্ষ্মীনন্দন বৰা আৰু মহিম বৰাৰ নাম বিশেষভাৱে উল্লেখযোগ্য। যুদ্ধোত্তৰ কালতে বৰদৈচিলা নামৰ আলোচনীত গল্পকাৰ হিচাপে মহিম বৰাই আত্ম প্ৰকাশ কৰে আৰু পৰৱৰ্তী কালত এগৰাকী প্ৰতিভাবান গল্পকাৰ ৰূপে স্বীকৃত হয়। এই বিভাগত পাঠ্য নিৰ্দিষ্ট ‘এখন নদীৰ মৃত্যু’ গল্পটিৰ আধাৰত মহিম বৰাৰ গল্প প্ৰতিভা সম্পৰ্কে এটি আভাস দিবলৈ যত্ন কৰা হৈছে।

## ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগত আমি মহিম বৰাৰ গল্প আৰু পাঠ্য নিৰ্দিষ্ট ‘এখন নদীৰ মৃত্যু’ নামৰ গল্পটিৰ বিষয়ে আলোচনা আগবঢ়াইছোঁ। বিভাগটো অধ্যয়ন কৰি আপোনালোকে—

- মহিম বৰাৰ গল্প সাহিত্যৰ বিষয়ে জানিব পাৰিব;
- ‘এখন নদীৰ মৃত্যু’ গল্পটিৰ বিষয়বস্তু ব্যাখ্যা কৰিব পাৰিব; আৰু
- ‘এখন নদীৰ মৃত্যু’ গল্পৰ তাৎপৰ্য উপলব্ধি কৰিব পাৰিব।

## ৫.৩ গল্পকাৰ হিচাপে মহিম বৰা

ৰামধেনু যুগৰ এগৰাকী জনপ্ৰিয় গল্পকাৰ মহিম বৰা। জীৱনৰ কেতবোৰ সৰু-সুৰা ঘটনা আৰু পৰিস্থিতিৰ অৱলম্বনত গল্প ৰচনা কৰি তেওঁ পাঠক সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। কিছুমান চিনাকী চৰিত্ৰ আৰু চিনাকী পৰিৱেশ চিত্ৰধৰ্মী ৰূপত তেওঁৰ গল্পত চিত্ৰিত

হৈছে। পৰিবেশ চিত্ৰণত বিশেষভাৱে দক্ষ মহিম বৰাৰ গল্পৰ পৰিৱেশ বাস্তৱধৰ্মী আৰু নৈসৰ্গিক। নৈসৰ্গিক বৰ্ণনাও প্ৰায়েই প্ৰতীক ধৰ্মী। মহিম বৰাৰ শ্ৰেষ্ঠ গল্প হিচাপে বিবেচিত 'কাঠনিবাৰীৰ ঘাট' গল্পটোৰ মাজতো পৰিবেশ অতি বাস্তৱ আৰু জীৱন্ত। এই গল্পৰ বৰ্ণনা ইমানেই নিখুঁত যে গোটেই ঘটনাটো চকুৰ আগতে ঘটি থকা যেন লাগে। ত্ৰৈলোক্যনাথ গোস্বামীয়ে এনে মন্তব্য কৰিছে যে পৰিৱেশৰ ওপৰত অধিক জোৰ দিয়াত গল্পটোৰ চৰিত্ৰসমূহ অসম্পূৰ্ণ হৈ ৰ'ল। কিন্তু উল্লেখনীয় যে 'কাঠনিবাৰীৰ ঘাট' গল্পটোত পৰিবেশেই হ'ল মুখ্য। পৰিবেশৰ ক্ৰিয়াশীলতাহে ইয়াত ঘাঁই কথা। পৰিবেশেই গল্পটোৰ উৎকণ্ঠা অদ্যোপান্ত ধৰি ৰাখিব পাৰিছে। তদুপৰি ফলশ্ৰুতিৰ একময়তাই গল্পটোক অৰ্থবহ কৰি তুলিছে।

'কাঠনিবাৰীৰ ঘাট' গল্পৰ দৰে 'টোপ' গল্পটোও এটা পৰিবেশ প্ৰধান গল্প। গল্পটোৰ বিষয়বস্তু তেনেই সাধাৰণ। গ্ৰাম্যজীৱনৰ বৰশীবোৱাৰ এটা সাধাৰণ ঘটনাকে তেওঁ শিল্পগুণেৰে সমৃদ্ধ কৰি সজাই-পৰাই উলিয়াইছে।

হাস্যৰসৰ প্ৰকাশ মহিম বৰাৰ গল্পৰ এক লক্ষণীয় দিশ। এই ক্ষেত্ৰত তেওঁ লক্ষ্মীনাথ বেজবৰুৱা আৰু মহীচন্দ্ৰ বৰাৰ উপযুক্ত উত্তৰসুৰী। একোটা বিশেষ চৰিত্ৰৰ মাজেৰে হাস্যৰস পৰিস্ফুট কৰাত তেওঁ সিদ্ধহস্ত। এনে হাস্যৰস প্ৰকাশক গল্প 'চক্ৰৰৎ', 'ফাদাৰ এণ্ড ছন কোম্পানী', 'অপৰাজিত' আদি। কিন্তু এই গল্পকেইটিৰ হাস্যৰসৰ যোগান ধৰা চৰিত্ৰকেইটি গভীৰভাৱে বিশ্লেষণ কৰিলে, চৰিত্ৰকেইটিৰ অন্তৰালত থকা কাৰুণ্যই পাঠকৰ হৃদয় স্পৰ্শ কৰে।

'চক্ৰৰৎ' গল্পত হৰিনাথৰ চাইকেল মেৰামতি আৰু উৰঁলি যোৱা চাইকেলখনৰ বৰ্ণনাই হাস্যৰসৰ যোগান ধৰে। পিছতহে হৰিনাথৰ জীৱন সংগ্ৰামৰ কাৰুণ্য পাঠকে উপলব্ধি কৰিব পাৰেগৈ।

মহিম বৰাৰ এটি বিখ্যাত গল্প হ'ল 'তিনিৰ তিনি গ'ল'। গল্পটোৰ বৰ্ণ অতি গতিশীল। চিত্ৰধৰ্মী বৰ্ণনা আৰু ভাবেদ্দীপক কাহিনীয়ে গল্পটোক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। এই গল্পতে পূৰ্ণকান্তৰ সংগ্ৰামী জীৱনৰ কৰুণ সুৰে পাঠকৰ মন সেমেকাই তোলে।

সংযত আৰু বাস্তৱ চৰিত্ৰ সৃষ্টিত বৰাৰ অসাধাৰণ প্ৰতিভা প্ৰকাশ পাইছে। এই চৰিত্ৰসমূহৰ মাজত বৰাৰ স্বকীয় অভিজ্ঞতাৰ প্ৰভাৱ অনুভূত হয়। চৰিত্ৰৰ লগত খাপ খোৱা বচন ভঙ্গী, ভাৱ জগত আৰু মানসিক দ্বন্দ্ব আদিৰ প্ৰতি বিশেষ সচেতনতাৰে বৰাই গল্পত চৰিত্ৰ সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা দেখা যায়।

গ্ৰাম্য সমাজ-জীৱনৰ প্ৰতি বিশেষ আকৰ্ষণ বৰাৰ গল্পত পৰিলক্ষিত হয়। তেওঁৰ অধিকাংশ গল্পই গ্ৰাম্য সমাজৰ পটভূমিতে ৰচিত। আধুনিক সমাজ জীৱনৰ জটিল দিশৰ চিত্ৰণ বৰাৰ গল্পত খুউব কম। যৌৱনৰ মাদকতা ভৰা প্ৰেম, মানুহৰ জীৱনৰ সংগ্ৰাম, সমাজৰ অমানৱীয় কাৰ্যত বৃদ্ধজনৰ অপৰাধবোধ, নতুন প্ৰজন্মৰ কৰ্ম বিমুখতা, তথাকথিত প্ৰগতিয়ে ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া এটা জনগোষ্ঠীৰ দৰিদ্ৰতা, নতুন প্ৰজন্মৰ পৰিবৰ্তিত মানসিকতাৰ লগত নিজকে খাপ খুৱাব নোৱাৰা, বৃদ্ধৰ নৈতিক বিপৰ্যয় আদি বিচিত্ৰ বিষয় বস্তুৱে তেওঁৰ গল্পত স্থান লাভ কৰিছে।

মহিম বৰাৰ গল্পৰ ভাষা নিভাঁজ। সহজ-সৰল অথচ প্ৰকৃত ভাব প্ৰকাশক শব্দৰাজিয়ে তেওঁৰ বক্তব্যক স্পষ্ট কৰি তোলে। বৰাৰ গল্পৰ ভাষা সম্পৰ্কত প্ৰহ্লাদ কুমাৰ বৰুৱাই *অসমীয়া চুটিগল্পৰ অধ্যয়ন* শীৰ্ষক গ্ৰন্থত মন্তব্য কৰিছে — "এই গৰাকী লেখকৰ ভাষা ইমানেই গ্ৰাম্য ভাষাৰ ওচৰ চপা যে, অসমীয়া ভাষাৰ বিশুদ্ধ ৰূপ মহিম বৰাৰ গল্পৰ মাজেদি প্ৰতিফলিত হৈছে।"

কিন্তু এটা কথা ঠিক যে তেওঁ কোনো জটিল তত্ত্বৰ মাজলৈ বিষয়বস্তুক টানি নিনিয়ে। সৰু সৰু চৰিত্ৰ, সৰু সৰু ঘটনাৰ মাজেৰে তেওঁৰ গল্পত গভীৰ জীৱনবোধ জিলিকি উঠে। জীৱনক বুজিবলৈ জটিল তত্ত্বৰ প্ৰয়োজন নাই। গ্ৰাম্য জীৱনৰ সৰু বৰ অভিজ্ঞতাই তাৰ বাবে যথেষ্ট। সেই দৃষ্টিৰে মহিম বৰাৰ গল্পৰ মাজেদিও জীৱনৰ গভীৰ উপলব্ধি কিছুমান প্ৰকট হৈ উঠিছে। ভালকৈ চালে স্পষ্ট হৈ পৰে যে তাতেই গল্পকাৰ হিচাপে মহিম বৰাৰ সফলতা।

বৰাৰ বৰ্ণনা ভঙ্গী মনোগ্ৰাহী। এই বৰ্ণনাৰ মাজত আছে কাব্যিক ব্যঞ্জনা আৰু জীৱনবোধৰ গভীৰতা। অৱশ্যে তেওঁৰ সকলোবোৰ গল্পৰ ক্ষেত্ৰত এই মন্তব্য প্ৰযোজ্য নহয়। চিত্ৰকল্প প্ৰয়োগৰ ক্ষেত্ৰতো বৰাৰ গল্পসমূহ অনন্য।

**আত্মমূল্যায়ন প্ৰশ্ন**

মহিম বৰাৰ গল্পৰ মূল আকৰ্ষণ কি? (৫০ টা শব্দৰ ভিতৰত উত্তৰ কৰক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৫.৪ এখন নদীৰ মৃত্যু ঃ এটি আলোচনা

মহিম বৰাৰ সাৰ্থক গল্পসমূহৰ ভিতৰত অন্যতম 'এখন নদীৰ মৃত্যু'। স্বাধীনতাৰ পিছত পৰিকল্পনাৰ ধনেৰে দেশৰ প্ৰগতিৰ হেতু কলং নৈৰ পাৰত মথাউৰি বন্ধা হ'ল। এই মথাউৰিৰ বাবে কলং নৈৰ বুকু ক্ৰমাৎ শুকাই আহিল। চহৰৰ ধনী মানুহখিনি কলং নৈৰ পানীৰ পৰা ৰক্ষা পৰিল। তাৰ বিপৰীতে নৈৰ আনটো পাৰত বাস কৰা নদীয়াল মানুহখিনিৰ জীৱনলৈ বিপৰ্য্যয় নামি আহিল। নদীৰ মৎস্য টুটিল, পথাৰত ৰস জীপ নোহোৱা হৈ শস্য টুটিল, গছ-গছনি নাইকিয়া হোৱাত ইন্ধন স্বৰূপ খৰি-খেৰৰ অভাৱ হ'ল, ঘাঁ-পানীৰ অভাৱত গৰু-মহৰ গাখীৰ কমিল। কলঙৰ ওপৰত দলং নিৰ্মাণ হোৱাত নাৱেৰে যাত্ৰী পাৰ কৰি পেট প্ৰৱৰ্ত্তোৱাজনৰো জীৱিকাৰ অভাৱ ঘটিল। মুঠতে কলং নদীৰ পাৰৰ নদীয়াল মানুহখিনিক দৰিদ্ৰ, দুৰ্দ্দশা আৰু দুৰ্ভাগ্যই ছানি ধৰিলে। ড° হীৰেন গোঁহায়ে কৈছে — "ইয়াৰ সকলোৰে মূলতে এমুঠি মানুহৰ সুবিধাৰ বাবে ব্যাপক জনগণৰ সুখ-দুখ আওকাণ কৰা উন্নয়নৰ পন্থা।"

এখন নদীৰ মৃত্যু গল্পটি আৰম্ভ হৈছে নাটকীয়ভাৱে। কলং নদীৰ বন্ধ, খাৰুৱা পানীত মাছ মাৰি ঘৰলৈ অহা ধনেশ্বৰৰ শৰীৰত নদীৰ বন্ধ পানীয়ে খজুৱতিৰ সৃষ্টি কৰা কথাকেইটাৰ মাজেৰে নদীখন শুকাই যোৱাৰ কথা প্ৰকাশ পাইছে। ধনেশ্বৰ, ধনেশ্বৰৰ পত্নী, চুবুৰীয়া নদীয়াল তিৰোতা কেইগৰাকীৰ আচাৰ-আচৰণ, কথা-বতৰা আদিৰ মাজত এটা বিশেষ জনগোষ্ঠীৰ গ্ৰাম্য বিশেষত্ব মনোগ্ৰাহী ৰূপত প্ৰতিফলিত হৈছে। লগে লগে নদীখন শুকাই যোৱাত তেওঁলোকে সন্মুখীন হোৱা জ্বলন্ত সদস্যাসমূহৰ আভাস চৰিত্ৰসমূহৰ বাৰ্তালাপৰ মাজেৰে দাঙি ধৰা হৈছে। ধনেশ্বৰৰ পিতৃ সাতোলা বুঢ়াৰ মতে চকুৰ আগতে জীয়া নৈখন বন্ধ কৰাটো এক প্ৰকাৰ ৰাজ উৎপীড়ন। নদীৰ পানীৰ সোঁত বন্ধ হৈ যোৱাৰ লগে লগে নদীৰ পাৰৰ এই নদীয়াল মানুহখিনিৰ সাতামপুৰুষীয়া জীৱিকাৰ পথ প্ৰায় ৰুদ্ধ হৈ গৈছে। দৰিদ্ৰতাৰ পীড়াত মানুহখিনি, সমাজখন জই পৰিছে। কলং নৈৰ মৃত্যু, এই থলুৱা সমাজখনৰ অৱক্ষয়ৰ প্ৰতীক স্বৰূপ। গল্পটোত সু-

নিৰ্দিষ্ট কোনো কাহিনী নাই। ইয়াৰ কেন্দ্ৰীয় ভাৱ দৈনন্দিন জীৱনৰ কথা-বতৰা আৰু স্মৃতিৰ মাজেৰে প্ৰতিফলিত হৈছে। কলঙৰ বুকু শুকাই স্থবিৰ হোৱাৰ দৰেই, মাছমৰীয়া সমাজখনো স্থবিৰ হৈ পৰিছে। গল্পটোত বিষয়ৰ উপস্থাপন সুন্দৰ আৰু ব্যঞ্জনাময়। গল্পকাৰৰ ভাষাত 'সোঁত নোহোৱা নদীক জাঁজিয়ে, বিহ মেটেকাই, আগৰা গছে ছাটি ধৰিবই।' এই মন্তব্য দ্ব্যৰ্থক, কলং নদীৰ লগে লগে ই কলং পাৰৰ নদীয়াল সমাজখনকো কটাক্ষ কৰিছে। নতুন প্ৰজন্মৰ কৰ্ম বিমুখতাই ক্ৰমশঃ স্থবিৰ কৰি তোলা নদীয়াল সমাজখনক এই ব্যঞ্জনাৰে প্ৰকাশ কৰিছে। এনে ভাৱধাৰাৰ প্ৰতিফলনে গল্পটোক বিশ্বজনীন তাৎপৰ্য অৰ্জনত সহায়তা কৰিছে। লক্ষ্য আৰু উদ্দেশ্যৰ একময়তাই গল্পটোক ৰসোত্তীৰ্ণ কৰি তুলিছে। 'এখন নদীৰ মৃত্যু' গল্পটো থিয় হৈ আছে তাৰ হৃদয়সংবাদী কাহিনী আৰু মনোৰম বৰ্ণনাৰ ভেটিত। ইয়াত কলং এখন নদীয়েই নহয়, বৰং নদীয়াল মানুহখিনিৰ বা তাৰ দুপাৰৰ অজস্ৰ মানুহৰ জীৱন, জীৱনৰ গতি। কলঙত দিয়া দলংখন আৰু দুয়োকাষৰ মথাউৰিয়ে তেওঁলোকৰ জীৱনৰ গতি স্তব্ধ কৰি দিছে। এমুঠি মানুহৰ সুখৰ বাবে জীৱনত দিয়া ভেটাৰ প্ৰতীক হিচাপে থিয় দিছে কলঙৰ দুপাৰৰ মথাউৰি দুটা।

গল্পটোৰ বৰ্ণনা সঁচাই প্ৰাণস্পৰ্শী। কোনো পাচতি নকৰাকৈ পোনছাটেই লেখকে আমাক ঘটনাৰ মাজলৈ টানি নিছে আৰু তেওঁৰ বৰ্ণনাৰে গোটেই সমাজখন আৰু সমাজখনে ভোগা-দুৰ্দ্দশাৰ লগত আমাক পৰিচয় কৰাই দিছে —

> 'ধনেশ্বৰে জালখন চোতালত মেলি দি মাছৰ পাঁচিটো পিৰালি কাঁথিতে থৈ চোতালত তালৈ থৈ দিয়া পানীকলহ হুৰমূৰাই মূৰত ঢালিলে।...

> 'তথাপি ভৰিৰ খুজৰতি আৰম্ভ হলেই। বিৰক্তিত তাৰ উজলা দাঁতকেইটা আৰু উজ্জ্বল হৈ ওলাই আহিল।'

এইদৰে প্ৰথম দুটা দফাতে ধনেশ্বৰৰ মাছমৰীয়া জীৱনৰ সংগ্ৰামৰ লগত পৰিচয় কৰাই দি উঠি তেওঁৰ গালিৰ মাজেৰে এই দুৰ্দ্দশাৰ কাৰণ অৰ্থাৎ গল্পটোৰ মূল কথাটো তেওঁ প্ৰায় স্পষ্ট কৰি দিছে —

> "এনেকুৱা মূৰ্খ-মতি দেশ থাকেনে? জীয়া নদী এখন কোনোবা দেশত মাৰি পেলায়নে? কটাৰ-পো কটা খোৱাহঁতে ইয়ালৈকে দেশখন স্বাধীন কৰি লৈছিল নে? আধাঘণ্টা পানীত থিয় হ'লেই গোটেইখন বখলা বখল হয়।"

এই বখলাবখল হোৱাৰ কাৰণ হ'ল পানী শুকাই যোৱা কলঙত গজি উঠা বিহ মেটেকা। এই বিহ মেটেকা কেবল কলঙৰ বুকুতে গজা নাই। গোটেই দেশখনতে বিহ মেটেকাই ছানি ধৰিছে। গল্পকাৰে বহুবাৰ বিহ মেটেকাৰ কথা উল্লেখ কৰি যেন সেই সত্যকে উদঙাই দেখুৱাইছে।

গ্ৰাম্য শব্দৰে সজাই-পৰাই তেওঁ চৰিত্ৰসমূহকো জীৱন্ত কৰি তুলিছে। অৱশ্যে চৰিত্ৰবোৰক গুৰুত্ব সহকাৰে তেওঁ অংকন কৰিব বিচৰা নাই। কিন্তু তেওঁৰ বৰ্ণনাই কিছুমান চিত্ৰ সজীৱ কৰি তুলিছে। ধনেশ্বৰৰ বাপেকৰ বাৰ্দ্ধক্য তেওঁ দেখুৱাইছে এইদৰে —

> "চুলিবিলাক চুটিকৈ কটা; চুলি নুবুলি আই সবাহত দিয়া পিঠাগুৰিৰ পাত এখনহে বুলিব পাৰি।"

মহিম বৰাৰ গল্পত সচৰাচৰ থকা কাৰুণ্য অধিক প্ৰাঞ্জল হৈ উঠিছে শেষৰ বৰ্ণনাখিনিত—

> "তাচ পাতবিলাক কেতিয়াবাই সিহঁতৰ হাতৰপৰা সৰি পৰিছিল। খেলত আজি স্পৃহা নাই। উদাস আৰু হতাশভাৱে নৈখনৰ বুকুলৈ চাই ৰ'ল প্ৰত্যেকটোৱেই। অকাল বৈধব্য আৰু অকাল বাৰ্দ্ধক্যৰ স্থবিৰতা লৈ স্থিৰ, নিশ্চল হৈ পৰি আছে কলংখন, সিহঁতৰ ঠিক চকুৰ আগতে।"

এয়াই যেন অসমৰ সাধাৰণ গ্ৰাম্য মানুহখিনিৰ ভাগ্য। চকুৰ আগতে সকলো অন্যায় ঘটি থকাৰ পিছতো স্থিৰ, নিশ্চল হৈ ৰয় তেওঁলোকৰ প্ৰতিবাদ। তেওঁলোকৰ আশাক এনেদৰেই ডিঙি চেপি ধৰা হয়। কিন্তু তেওঁলোকৰ কৰিবলৈ একো নাথাকে। নিৰ্বাক, নিশ্চুপ হৈ ৰয় সকলো দেখিও।

## ৫.৫ সাৰাংশ (Summing Up)

ৰামধেনু যুগৰ এগৰাকী খ্যাতিমান গল্পকাৰ মহিম বৰা। হাস্যৰসৰ প্ৰকাশ, নৈসৰ্গিক আৰু বাস্তৱ পৰিৱেশ সৃষ্টি, গ্ৰাম্য সমাজৰ ওচৰ চপা ভাষা, বিচিত্ৰ চৰিত্ৰ সৃষ্টিৰে অসমীয়া গল্প সাহিত্যত তেওঁ এগৰাকী জনপ্ৰিয় গল্পকাৰ।

এখন নদীৰ মৃত্যু মহিম বৰাৰ এটি উল্লেখযোগ্য গল্প। গল্পটিত প্ৰগতিৰ নামত বান্ধ দি স্থবিৰ কৰি তোলা কলং নদী আৰু তাৰ পাৰত বাস কৰা নদীয়াল সমাজখনৰ দুৰ্দ্দশাৰ চিত্ৰ ব্যঞ্জনা ধৰ্মিতাৰে বিবৃত হৈছে। অতি মৰ্মস্পৰ্শীভাৱে লেখকে কলঙত দিয়া মথাউৰিৰ ফলত নদীয়াল গাঁওখনৰ জীৱনলৈ নামি অহা দুৰ্দ্দশাক প্ৰকট কৰি দেখুৱাইছে। গল্পটোৰ বৰ্ণনাৰ মাজত স্পষ্ট হৈ পৰিছে তেওঁৰ ক্ষোভ। স্বাধীনোত্তৰ কালত হোৱা অসম আঁচনিৰ ফলত সাধাৰণ মানুহৰ জীৱনলৈ অহা দুৰ্দ্দশাৰ এক জীৱন প্ৰতিচ্ছবি 'এখন নদীৰ মৃত্যু' গল্পটো।

## ৫.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। "ব্যঞ্জনাধৰ্মী - বক্তব্যৰ বাবেই মহিম বৰাৰ 'এখন নদীৰ মৃত্যু' গল্পটো উপাদেয় হৈ উঠিছে"— কথাফাঁকিৰ সাৰ্থকতা বিচাৰ কৰা।

২। এখন নদীৰ মৃত্যু গল্পত পৰম্পৰাগত গ্ৰাম্য সমাজ জীৱন কেনেদৰে প্ৰতিফলিত হৈছে?

## ৫.৭ প্ৰসঙ্গ পুথি (Reference/Suggested Readings)


হোমেন বৰগোহাঞি (সম্পা.) : *অসমীয়া সাহিত্যৰ বুৰঞ্জী*

নগেন শইকীয়া (সম্পা.) : *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*

হীৰেন গোঁহাই (সম্পা.) : *মহিম বৰাৰ চুটিগল্প*

ত্ৰৈলোক্য নাথ গোস্বামী : *আধুনিক গল্প-সাহিত্য*


* * *

# ষষ্ঠ বিভাগ
# ভৱেন্দ্ৰনাথ শইকীয়া ঃ 'ঢোৰা সাপ'

**বিভাগৰ গঠন ঃ**

৬.১ ভূমিকা (Introduction)
৬.২ উদ্দেশ্য (Objectives)
৬.৩ ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প
৬.৪ 'ঢোৰা সাপ' গল্পৰ বিষয়বস্তু আৰু বৈশিষ্ট্য
৬.৫ সাৰাংশ (Summing Up)
৬.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
৬.৭ প্ৰসঙ্গ পুথি (Reference/Suggested Readings)

## ৬.১ ভূমিকা (Introduction)

অসমীয়া সাহিত্যৰ এগৰাকী আগশাৰীৰ গল্পকাৰ হ'ল — ভবেন্দ্ৰনাথ শইকীয়া। 'ৰামধেনু' আলোচনীৰ মাজেৰে তেওঁ গল্প সাহিত্যৰ জগতত প্ৰৱেশ কৰে। তেওঁৰ গল্পত সাধাৰণ বিষয় এটাই বৰ্ণনাৰ চমকপ্ৰদ উপস্থাপনেৰে অসাধাৰণ হৈ উঠে। সাধাৰণ মানুহৰ দুখ-কষ্ট, নিঃসঙ্গতাবোধ, সামাজিক অবিচাৰত নিঃপীড়িত মানুহৰ দুৰ্দশা, সংস্কাৰৰপৰা সৃষ্টি হোৱা আত্মবেদনা আদি ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ মূল বিষয়বস্তু। বিশেষকৈ মানুহৰ অন্তৰ্জগতৰ ছবি আঁকাত তেওঁ সিদ্ধহস্ত। ভাষাৰ সহজ-সৰল ৰূপ, সাৱলীল প্ৰকাশভংগী তেওঁৰ গল্পৰ বিশেষত্ব। সূক্ষ্ম পৰ্যবেক্ষণ তেওঁৰ সাহিত্যৰ এক সাধাৰণ বৈশিষ্ট্য। এই বৈশিষ্ট্য তেওঁৰ গল্প, উপন্যাস, নাটক, শিশু সাহিত্য, জীৱনবৃত্ত, চলচ্চিত্ৰ সকলোতে পোৱা যায়।

ভবেন্দ্ৰনাথ শইকীয়াৰ 'ঢোৰা সাপ' গল্পটো প্ৰথম প্ৰকাশ হৈছিল 'ৰামধেনু'ত। 'ৰামধেনু'ৰ একাদশ বছৰ, চতুৰ্থ সংখ্যা( ১৮৮০ শক)ত এই গল্পটো প্ৰকাশ পাইছিল। শইকীয়াৰ শিল্প বৈশিষ্ট্য আৰু কথা বৈচিত্ৰ্যৰ ৰূপ এই গল্পটোত পোৱা যায়। ইয়াত এজনী ত্ৰিশোৰ্ধ, অকালতে বুঢ়ী হোৱা অবিবাহিতা নাৰীৰ মনোজগতৰ ছবি দাঙি ধৰিছে। নাৰী মনস্তত্ত্ব আৰু সমাজ বাস্তৱতা এই দুটা দিশ গল্পটোৰ মূল বিষয় ৰূপে ধৰা দিছে। মানৱীয় হৃদয়বৃত্তিৰ অতি সূক্ষ্ম পৰ্যবেক্ষিত ৰূপ গল্পটোত পৰিস্ফুট হৈছে। জানেকী, চন্দ্ৰিকা, সুগন্ধী, লীলাকান্ত আদি চৰিত্ৰৰ হৃদয় বৃত্তি গল্পকাৰে আন্তৰিকতাৰে আৰু দক্ষতাৰে পঢ়ুৱৈৰ আগত দাঙি ধৰিছে। এই গল্পৰ আলোচনাত গল্পটোৰ বিষয়বস্তু, কথন কৌশলৰ লগতে ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য আৰু সৰল প্ৰকাশ ভংগীৰ ৰূপ বিচাৰ কৰা হৈছে।

## ৬.২ উদ্দেশ্য (Objectives)

এই বিভাগত ভবেন্দ্ৰনাথ শইকীয়াৰ 'ঢোৰা সাপ' গল্পৰ বিষয়ে আলোচনা কৰা হৈছে। এই বিভাগৰ আলোচনা অধ্যয়ন কৰি আপোনালোকে —

- ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প সম্পৰ্কে এটা সাধাৰণ আভাস লাভ কৰিব;

- ঢোৰা সাপ গল্পৰ বিষয়বস্তু সম্পৰ্কে ব্যাখ্য লাভ কৰিব;
- ঢোৰা সাপ গল্পৰ কথন-কৌশল সম্পৰ্কে বিচাৰ কৰিব পাৰিব;
- ঢোৰা সাপ গল্পৰ বৈশিষ্ট্য আৰু চৰিত্ৰৰ বিষয়ে ফঁহিয়াই চাব পাৰিব; আৰু
- ঢোৰা সাপ গল্পৰ মাজেৰে ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

## ৬.৩ ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প ঃ এটি পৰিচয়

অসমীয়া সাহিত্যত ভবেন্দ্ৰনাথ শইকীয়া (১৯৩২-২০০৩) একেৰাহে গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ, প্ৰৱন্ধকাৰ, শিশু সাহিত্যিক তথা আত্মজীৱনীকাৰ। 'ৰামধেনু' আলোচনীৰ মাজেৰে গল্পকাৰ হিচাপে তেওঁ আত্মপ্ৰকাশ কৰিছিল। ৰামধেনু যুগৰ পৰা বৰ্তমানলৈকে তেওঁৰ গল্প জনপ্ৰিয়। প্ৰকাশিত গল্পপুথিসমূহ হ'ল ঃ 'প্ৰহৰী', 'বৃন্দাবন', 'গহ্বৰ', 'সেন্দুৰ', 'শৃংখল', 'ভবেন্দ্ৰনাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প', 'তৰংগ', 'এই বন্দৰৰ আবেলি', 'আকাশ', 'উপকণ্ঠ' আৰু 'সান্ধ্যভ্ৰমণ'।

ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত পুংখানুপুংখ বৰ্ণনাৰ চমকপ্ৰদ উপস্থাপন পোৱা যায়। গল্পকাৰে বিষয়বস্তুৰ সকলো কথাই খুটি-নাটি বিচাৰ কৰি বৰ্ণনা কৰে। সৰু সৰু কথাৰ ওপৰত গল্পকাৰে এনেদৰে দৃষ্টি নিবদ্ধ কৰে যে তাৰ আঁৰত লুকাই থকা বহল প্ৰেক্ষাপট পঢ়ুৱৈৰ ওচৰত স্পষ্ট হৈ পৰে। তেওঁৰ প্ৰথম পৰ্যায়ৰ গল্পবোৰত ৰোমাণ্টিক পৰিস্থিতিৰ বাস্তৱ ৰূপায়ণ পোৱা যায়। স্থান বিশেষে নাটকীয় দৃষ্টিভংগী পৰিলক্ষিত হয়। 'গংগাস্নান' গল্পত এনে নাটকীয়তা পৰিলক্ষিত হয়। এই গল্পত চন্দ্ৰা আৰু তিলকৰ সুখী বিবাহিত জীৱনত হঠাতে আহি পৰে চন্দ্ৰাৰ জীৱনৰ প্ৰথম পুৰুষ প্ৰভাত। যাৰ বাবে তেওঁলোকৰ জীৱনৰ মধুৰ সম্পৰ্কৰ মাজত খেলিমেলি আহি পৰে। শেষত যেনিবা চন্দ্ৰাৰ স্বীকাৰোক্তিয়ে তেওঁলোকৰ বিবাহিত জীৱন ৰক্ষা কৰে। শইকীয়াৰ গল্পৰ বেছিভাগ চৰিত্ৰই মধ্যবিত্ত, নিম্ন মধ্যবিত্ত অথবা নিম্নশ্ৰেণীৰ সমাজখনৰ। জীৱনৰ বিভিন্ন সংঘাতে এই শ্ৰেণীটোক সহজে জুৰুলা কৰে। 'প্ৰহৰী' গল্পত পোৱা যায় বাৰে বাৰে সন্তান হেৰুওৱা এহাল দম্পত্তিৰ মনোবেদনা। দুজনী ছোৱালী হেৰুওৱাৰ পিছত যি এজনী ছোৱালী জীয়াই থাকিল, ডাঙৰ হোৱাৰ পিছত তাইকো নিয়তিয়ে কাঢ়ি নিলে। ৰজনী মাষ্টৰ আৰু ঘৈণীয়েকৰ এনে নিবাৰণ কৰিব নোৱাৰা কাৰুণ্যক গল্পকাৰে সহমৰ্মিতাৰে প্ৰকাশ কৰিছে। জীৱনৰ সৰু সৰু সংঘাতে বিপৰ্যস্ত কৰি তোলা মানুহৰ জীৱনৰ ত্ৰুটি-বিচ্যুতি ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত সুন্দৰভাৱে প্ৰকাশ পাইছে। মধ্যবিত্ত বা নিম্ন মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ জীৱন মান-সন্মান, মৰ্যাদা, অনুতাপ, সংস্কাৰৰপৰা সৃষ্টি হোৱা দুঃখবোধ আদি একো একোটা সৰু সৰু কথাক কেন্দ্ৰ কৰিয়েই ঘূৰি থাকে। তেওঁলোকৰ বাবে অতি স্পৰ্শকাতৰ এনে দিশবোৰ ভবেন্দ্ৰনাথ শইকীয়াই সূক্ষ্ম পৰ্যবেক্ষণৰ দ্বাৰা গল্পত দাঙি ধৰিছে। তেওঁৰ অধিকাংশ গল্পতে এনে সূক্ষ্ম পৰ্যবেক্ষণ পৰিলক্ষিত হয়। গল্পকাৰৰ পৰ্যবেক্ষণ শক্তিয়ে কেতিয়াবা চৌপাশৰ পৰিবেশকো সামৰি লৈছে। গল্পৰ খুটি-নাটি বৰ্ণনা কৰোঁতে কেতিয়াবা চৌপাশৰ পৰিবেশকো সঁজুলি হিচাপে ব্যৱহাৰ কৰিছে। 'শৃংখল' গল্পত পাৰ চৰাইক কেন্দ্ৰ কৰি মানৱ স্বভাৱৰ এটা দিশ তাৎপৰ্যপূণ কৰি তুলিছে। 'দুৰ্ভিক্ষ' গল্পত সৰু ৰেল ষ্টেচন এটাৰ পৰিবেশ বৰ্ণনা কৰি গল্পৰ চৰিত্ৰৰ ওপৰত তাৰ প্ৰভাৱ দেখুৱাইছে। পৰিবেশৰ প্ৰভাৱ, সামাজিক প্ৰভাৱ, অৰ্থনৈতিক জীৱনৰ প্ৰভাৱ, ভাগ্যৰ পৰিহাস এই সকলোবোৰ তেওঁৰ গল্পত ভিন ভিন ধৰণে প্ৰকাশ পাইছে।

ভবেন্দ্রনাথ শইকীয়াৰ গল্পত একোটা ক্ষুদ্ৰ পৰিস্থিতিক নিখুঁত বৰ্ণনাৰে জীৱন্ত কৰি তোলা হয়। গল্পৰ কাহিনীৰ লগত পাঠক একাত্ম হৈ পৰে। বৰ্ণনা ভংগীয়ে কাহিনীক বাস্তৱ সন্মত কৰি তোলে। তেওঁৰ 'বৃন্দাবন' গল্পটোত এনে বাস্তৱ চেতনা গভীৰভাৱে অনুভূত হয়। গল্পটো জীৱনৰ কৰুণ ৰূপৰ প্ৰতিচ্ছৱি। মনোৰমাৰ জীৱনৰ বেদনা, বৃন্দাবনৰ আনুগত্য, নিজৰাৰ শিশুসুলভ দুখবোধ আৰু সৰলতা লেখকে জীৱন্ত ৰূপত দাঙি ধৰিছে। সেইদৰে 'বানপ্ৰস্থ' গল্পৰ জীৱনবোধ অতি তীব্ৰ। গল্পটোত চাৰু আৰু তৰু নামৰ দুজনী বাই-ভনীয়ে চহৰৰ মানুহৰ ঘৰত চাকৰণী হৈ থাকি নিৰাশ্ৰয় হৈ গাঁৱলৈ উভতি অহা, দুজনী ছোৱালীৰ ভৰণ-পোষণৰ প্ৰশ্নই ৰুগ্না মাকক আতংকিত কৰি তোলা আদি খুউব সহৃদয়তাৰে উপস্থাপন কৰিছে। শেষত চাৰুৱে সন্তান জন্ম দিবলৈ অসমৰ্থ মতি ড্ৰাইভাৰৰ লগত বিয়াৰ কথা ভাবিছে। শ্লেষাত্মকভাৱে মাক আৰু ভনীয়েক তৰুৱেও মতিৰ আশ্ৰয়কে শেষ আশ্ৰয় বুলি ভাবিবলৈ বাধ্য হৈছে। দৰিদ্ৰ মানুহৰ কৰুণতা তাৎপৰ্যপূৰ্ণ ৰূপত লেখকে দাঙি ধৰিছে। সেইদৰে, 'এন্দুৰ' গল্পত মানুহৰ দীনতা আৰু জীৱনৰ জৈৱিক দাবী — এই দুয়োটাৰে প্ৰকাশ ঘটাইছে। চাউলৰ বস্তা পৰি মতিৰ মৃত্যু হয়। মতিৰ মাকে সেই বস্তাৰ চাউলেৰে পেটৰ ক্ষুধা নিবাৰণ কৰিছে যদিও এদিন অবচেতন মনত সাৰ পাই উঠিছে আৰু এটা মতিৰ কামনা। পেটৰ ক্ষুধা, জৈৱিক ক্ষুধা মানুহে কোনোটোকে অস্বীকাৰ কৰিব নোৱাৰে, এন্দুৰ গল্পৰ মাজেৰে এই কথাকে দেখুওৱা হৈছে। নাৰী মনস্তত্ত্ব, মানবীয় পৰিস্থিতিৰ কাৰুণ্য, সমাজ বাস্তৱতাৰ ৰূপ শইকীয়াৰ গল্পত নিবদ্ধ হৈছে। বিদেশৰ পটভূমিত লিখা গল্পবোৰৰ আবেদনো উল্লেখনীয়। 'নাটঘৰ' এই পৰ্যায়ৰে গল্প।

আন্তৰিক মানবীয় অনুভূতিও ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত ব্যাপ্ত হৈ আছে। বৰ্ণ বিদ্বেষৰ বিষয়ে ৰচনা কৰা 'গহ্বৰ' গল্পৰ মানৱীয় আবেদন আকৰ্ষণীয়। ৰূপকধৰ্মী এই গল্পটো হৃদযন্ত্ৰৰ স্থানান্তৰ প্ৰক্ৰিয়াৰ আধাৰত লিখা হৈছে। বৰ্ণ বিদ্বেষৰ ভয়ংকৰ ৰূপ গল্পকাৰে বলিষ্ঠৰূপত অংকন কৰিছে। মানুহৰ মাজত গঢ় লৈ উঠা বিদ্বেষ আৰু ঘৃণাই বৈজ্ঞানিক প্ৰগতিও কিদৰে অন্তঃসাৰশূন্য কৰি তোলে সেয়া শ্লেষাত্মক ৰূপত উপস্থাপিত হৈছে। এই গল্পটোক অসমীয়া সাহিত্যৰ এক অন্যতম শ্ৰেষ্ঠ মানৱতাবাদী গল্প বুলি অভিহিত কৰিব পাৰি।

## ৬.৪ 'ঢোৰা সাপ' গল্পৰ বিষয়বস্তু আৰু বৈশিষ্ট্য

'ঢোৰা সাপ' গল্পত একুৰি বাৰ বছৰীয়া অবিবাহিতা জানেকীৰ কাহিনীৰ মাজেদি সমাজ বাস্তৱতাক ফুটাই তুলিছে। এহাতে নাৰী মনৰ কিছুমান জটিল দিশ ইয়াত প্ৰতিফলিত হৈছে; আনহাতে আমাৰ সমাজ-ব্যৱস্থাৰ এক বাস্তৱ ছবিও ইয়াত পোৱা যায়। জানেকীৰ বয়স হৈছে, কিন্তু বয়সতকৈ তাই সোনকালে বুঢ়ী হৈছে, "একুৰি বছৰ বয়সৰ পৰা কেইবা ঘৰ মানুহে ঠাৰে-চিয়াৰে তাইক জনাই থৈছে,— কইনা হোৱাৰ চেহেৰা তাইৰ নাই।" ভোমোৰাৰ দৰে কেইজনমান পুৰুষ উৰি আহি তাইৰ ওচৰ পাইছিল। আকৌ উৰি গৈছিল। সাতাইশ বছৰ বয়সত চৰকাৰী ছিটাদাৰ মনোমোহন আহিছিল। অইনবাৰৰ দৰে ল'ৰা-ঘৰীয়াই পচন্দ নোহোৱা খবৰ দিয়া নাছিল। জানেকী আৰু সুগন্ধী বুঢ়ীৰ মনৰ আশাৰ সৃষ্টি হৈছিল। কিন্তু যেতিয়াই তাই জানিবলৈ পায় মনোমোহনৰ সম্পৰ্ক ভনীয়েক সাবিত্ৰীৰ লগতহে, তাই মৰ্মাহত হয়। তাৰ মাজতে বায়েকৰ দায়িত্ব পালন কৰি ভনীয়েকক পলুৱাই পঠায়। জানেকীৰ গোপন বেদনা গোপনেই ৰয়। তাইৰ ক্ষোভ এইখিনিতে — "সাবিত্ৰীৰ ওচৰ চপাৰ বাট তাই নিজেই মুকলি ৰখাৰ ব্যৱস্থা কৰিছিল, তথাপি মনোমোহন চোৰটোৱে মুকলি বাটেদি নগৈ আহোঁতে-যাওঁতে তাইক গচকি থৈ গ'ল কিয়?" বাস্তৱৰ নিঠুৰতাই জানেকীক একা-চেকা ধৰণৰ কৰি পোনপটীয়াকৈ কৈছে — "এটা

কথা নহয় ককাইটি, যদি তোৰ কিবা কথা পাতিবলগীয়া আছে, তাইৰ লগতে পাত। আৰু তোৰ পিতায়েৰ বৌৱেৰেহঁতৰ লগতো পাত।" মৌপিয়াৰ দৰে অহা তপোধৰকো তাই আঁসে দিয়া নাই। লীলাকান্তৰ তোক দেখি মোৰ ভাল লাগে ধৰণৰ কথাও তাই বিশ্বাস কৰিব পৰা নাই। বাস্তৱ জীৱন সম্পৰ্কে অতি সচেতন জানেকী, সেয়ে তাই অতি স্পষ্টভাৱে লীলাকান্তক কৈছে "এটা কাম কৰ, মোক চাবৰহে মন যায় হ'বলা তোৰ, ফটো এখনকে তুলি ল, চায়ো থাকিবি, মোৰ তালৈ অহা বদনামৰ পৰাও হাত সাৰিবি।"

এইদৰে গল্পকাৰে জানেকীৰ চৰিত্ৰটো দাঙি ধৰিছে। মনৰ জগতত বঞ্চনাৰ ফলত সৃষ্টি হোৱা ধুমুহাক জানেকীয়ে কোনোদিনেই প্ৰশ্ৰয় দিয়া নাই। নিজকে তলসৰা পাততকৈও সৰু বুলি ভবাত তাই অভ্যস্ত হৈ গৈছে। লীলাকান্তই এসময়ত উপহাৰস্বৰূপে দিয়া চাদৰখন যেতিয়া ঘৈণীয়েকৰ বাবে লীলাকান্তই খুজিবলৈ আহিছে তেতিয়াও জানেকীয়ে একো মনোকষ্ট অনুভৱ কৰা নাই। কিন্তু ওভোতাই দিয়া চাদৰখনত লগা সেন্দুৰৰ দাগটোৱে যেন জানেকীক গ্ৰাস কৰিব খুজিছে। দাগটোলৈ চাই তাৰ ভাব হৈছেঃ "যেন ওচৰৰ মানুহ ঘৰত ভোজ পাতিছে; তাইক ভোজলৈ মতা নাই, অথচ খাই এৰা চুৱা-পাতবোৰ জেওৰা পাৰ হৈ তাইহঁতৰ ফালে দলিয়াই পেলাইছে।" সেন্দুৰৰ দাগটোৱে জানেকীক উপহাস কৰা যেন লাগিল। দাগ নহয় যেন এটা অঙঠাহে, যিটোৱে তাইক দহি পেলাবলৈ উপক্ৰম কৰিছে। লীলাকান্তৰপৰা পোৱা এই বঞ্চনা এইবাৰ তাইৰ বাবে অসহনীয় হৈ উঠিল। তাইৰ এনে লাগিল মনোমোহনহঁতে তাইৰ ৰস শুহি খাবলৈহে বিচাৰিছিল, লীলাকান্তই ৰস দিবলৈ আহি কামিহাড় কেইডালতো বিষ ঢালি গ'ল। সেয়ে চাদৰখন জানেকীয়ে লীলাকান্তক ওভোতাই দিলে। লীলাকান্তই চাদৰখন ৰাখিবলৈ মৃদু অনুৰোধ জনাইছে যদিও জানেকীয়ে এইবাৰ নিজৰ স্থিতি স্পষ্ট কৰি দিছেঃ "নালাগে দে, মৰমৰ মানুহজনী থাকিব ইয়াত, তোৰ হেঁপাহৰ চাদৰখন থাকিব মোৰ বাকচত পৰি, এইবোৰ থানবান হৈ থকা কথা বেয়া, এটাইবোৰ থূপ খুৱাই ল'ব লাগে।" চাদৰখন ঘূৰাই দিয়াৰ মাজেৰে সহজ-সৰল জানেকীৰ প্ৰতিবাদী ৰূপ এটা প্ৰকাশ পাইছে।

চাদৰখন ঘূৰাই দিয়াৰ সময়ত লীলাকান্তৰ নৱবিবাহিতা পত্নী চন্দ্ৰিকাই বাহিৰত পিৰালি মচি আছিল। চাদৰখন ঘূৰাই দিবলৈ অহা জানেকী আৰু লীলাকান্তৰ কথোপকথন তাই শুনিলে। মনৰ মানুহটোক অনবৰত চাই থাকিবৰ বাবে তাই লীলাকান্তক কৈ টাউনত ফটো তুলিবলৈ গৈছিল। ফটো তুলিবলৈ যাওঁতে পিন্ধি যোৱা চাদৰখনৰ কাহিনী তাই নাজানে। নাৰীমনৰ স্বাভাৱিক সৌন্দৰ্যবোধেৰে ফুলাম পাৰি দিয়া চাদৰখনে মেৰিয়াই থকা তাইৰ গাটো ফটোখনত চাই তাই আপ্লুত হৈ পৰিছিল। যেন ফুল-পাতে ভৰপূৰ লতা এডালহে আলফুলে তাইৰ গাৰ ভাঁজে ভাঁজে বগাই গৈছে। চাদৰখনৰ প্ৰতি তাইৰ মায়া উপজিছিল; কিন্তু যেতিয়া তাইৰ ভাল লগা চাদৰখনৰ আঁৰৰ কথা জানিলে অভিমানে তাইৰ হৃদয় হেঁচা মাৰি ধৰিলে। আকৌ ফটোখন উলিয়ালে তাই। ফটোখনৰ ফুলাম পাৰি দিয়া চাদৰখন এইবাৰ এডাল ফুটুকা-ফুটুকী গাৰ প্ৰকাণ্ড সাপ যেন লাগিল। সাপডালে যেন তাইক মেৰিয়াই ধৰিছে। সাপডালে এৰিও নিদিয়ে, গিলিও নেপেলায়। পাগঘৰৰ চৰু ধুই অহা চন্দ্ৰিকাৰ হাতত ছাই লাগি আছিল। সেই ছাইৰে ফটোখনত তাই নিজে থকা অংশটোৰ ওপৰেৰে ঘহাঁই লৈ গ'ল। চৰুৰ ছাইৰ তলত সাপটোৱেই নহয়, গোটেই মানুহজনীৰ ছবিখন মনিব নোৱাৰা হৈ গ'ল।

গোটেই কাহিনীটোৰ মাজত নাৰীমনৰ আবেদনে প্ৰাধান্য লাভ কৰিছে। বঞ্চনাৰ ফলত জানেকীৰ মনত সৃষ্টি হোৱা সৰু-বৰ টৌবিলাক লেখকে খুটি-নাটি মাৰি বৰ্ণনা কৰিছে। সেইদৰে,

সুগন্ধি বুঢ়ীৰ মাজেৰে দেখুওৱা হৈছে নাতিনীয়েকহঁতক বিয়া দি উলিয়াই দিব নোৱাৰাৰ দুখবোধ। চন্দ্ৰিকাৰ মাজেৰে প্ৰকাশ পাইছে নৱ-বিবাহিতা পত্নীৰ আব্দাৰ আৰু নাৰীমনৰ স্বাভাৱিক অভিমান। নিজৰ নিজৰ আবৰ্তত প্ৰতিটো চৰিত্ৰই ঘূৰিছে। গল্পকাৰে প্ৰতিটো চৰিত্ৰকে সহানুভূতিৰে অংকন কৰিছে। চিনাকি গ্ৰাম্য পৰিৱেশত চিনাকি চৰিত্ৰৰ কাহিনী উপস্থাপন কৰা হৈছে। কিন্তু চিনাকি চৰিত্ৰৰ অন্তৰ্জগতৰ ছবিখন দাঙি ধৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

'ঢোৰা সাপ' গল্পৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ উল্লেখ কৰক। (৬০ টা মান শব্দৰ ভিতৰত )

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প বৈশিষ্ট্যপূৰ্ণ। 'ঢোৰা সাপ' গল্পতো এনে বিশিষ্টতা পৰিলক্ষিত হয়। তলত এই বিষয়ে আলোচনা কৰা হ'ল ঃ

১। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত আদি, মধ্য আৰু অন্ত এই তিনিটা স্তৰ স্পষ্ট। পৰম্পৰাবাদী গল্পকাৰসকলে গল্পত এই তিনিটা স্তৰ ৰক্ষা কৰে। 'ঢোৰা সাপ' গল্পত এই তিনিটা স্তৰ পৰিলক্ষিত হয়। অৱশ্যে আধুনিকতাবাদী গল্পকাৰসকলে এনে পৰম্পৰা স্বীকাৰ নকৰে।

২। চৰিত্ৰৰ অন্তৰ্জগতৰ ছবি অঁকাত ভবেন্দ্ৰনাথ শইকীয়া সিদ্ধহস্ত। 'ঢোৰা সাপ' গল্পতো আমি জানেকীৰ অন্তৰ্জগতৰ ছবি পাওঁ। বাহিৰত জানেকী নিৰ্বিকাৰ যদিও যি সামাজিক পৰিস্থিতিত তাইৰ মনৰ ঢৌ-ধুমুহা উঠিছে লেখকে তাক সহৃদয়তাৰে অংকন কৰিছে। চৌপাশৰ সামাজিক পৰিস্থিতি আৰু মৌপিয়াৰ দৰে অহা পুৰুষ বঞ্চনাই জানেকীক যে নিজকে তলসৰা পাততকৈও সৰু বুলি ভাবিবৰ বাধ্য কৰাইছে সেই কথা খুটি-নাটি বৰ্ণনাৰ মাজেৰে দেখুৱাইছে।

৩। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত সমাজ জীৱনৰ বাস্তৱ ছবি পোৱা যায়। 'ঢোৰা সাপ' গল্পটোও ইয়াৰ এক অন্যতম নিদৰ্শন। চৰিত্ৰৰ কথা-বাৰ্তা, মনোভাৱ, সামাজিক পৰিস্থিতি এই সকলোবোৰ আমাৰ সমাজ জীৱনৰ অতি পৰিচিত। ইয়াত উপস্থিত এই সকলোবোৰ আমাৰ সমাজ জীৱনৰ অতি পৰিচিত। ইয়াত উপস্থাপিত গ্ৰাম্যসমাজ, চন্দ্ৰিকাৰ ফটো তোলাৰ চখ, সুগন্ধি বুঢ়ীৰ বকবকনি— এই সকলোবোৰেই স্বাভাৱিক ৰূপত বৰ্ণিত হৈছে। পৰিচিত বাস্তৱ সমাজৰ প্ৰেক্ষাপটত উপস্থাপিত কাহিনীৰ লগত পাঠক একাত্ম হ'বলৈ সুবিধা হয়। 'ঢোৰা সাপ' গল্পৰ ক্ষেত্ৰতো এই কথা পৰিলক্ষিত হয়।

৪। চিত্ৰধৰ্মী কথনভংগী ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ আন এক বৈশিষ্ট্য। 'ঢোৰা সাপ' গল্পতো এনে চিত্ৰধৰ্মী কথনভংগীয়ে কাহিনীক আকৰ্ষণীয় কৰি তুলিছে। আৰম্ভণিৰ নৈসৰ্গিক দৃশ্য, লীলাকান্ত-চন্দ্ৰিকাৰ টাউনলৈ ফটো তুলিবলৈ যোৱা বৰ্ণনা, গাঁৱৰ মানুহৰ ফটো চোৱাৰ হেঁপাহ, জানেকীৰ শাৰীৰিক অৱয়ব— এই সকলোবোৰ বৰ্ণনা জীৱন্ত। উদাহৰণস্বৰূপে, জানেকীৰ ৰূপ বৰ্ণনা এই ধৰণৰ ঃ

> "ছুই চাবই নালাগে, ছালৰ তলতে থকা হাতৰ ঠাৰিৰ হাড়ডাল এনেয়ে দেখি। ডাঙৰ ডাঙৰ গাঁঠিৰ আঙুলিবোৰ কঠুৰা হৈ গৈছে, ছালবোৰ কোঁচ খাবলৈ আৰম্ভ কৰিলেই। চকু গাঁতলৈ সোমাই গৈছে, গালৰ হাড় দুডাল ঝকঝকৈ জিলিকি পৰিছে, দিন যোৱাৰ লগে লগে মুখৰ আই দাগবোৰ আৰু গভীৰ আৰু পৰিষ্কাৰ হৈ পৰিছে। কোনোবাদিনা যে যৌৱন আহিছিল দেহাত তাৰ নিস্প্ৰাণ আৰু দুৰ্বল সাক্ষী মাত্ৰহে আছে।"

৫। নিসংগ যন্ত্ৰণাবোধ আৰু কাৰুণ্য ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত পৰিলক্ষিত হয়। চৰিত্ৰভেদে, পৰিস্থিতিভেদে সকলোৰে যন্ত্ৰণা বেলেগ বেলেগ। 'ঢোৰা সাপ' গল্পতো মানৱ চৰিত্ৰৰ যন্ত্ৰণাকাতৰ অসহায় ৰূপ দেখা যায়। জানেকী, সুগন্ধি, চন্দ্ৰিকা সকলোৰে অসহায়বোধ বেলেগ বেলেগ। মূল চৰিত্ৰ জানেকীক এক যন্ত্ৰণা আৰু নিসংগতাৰ আৱৰ্ততে লেখকে থিয় কৰাইছে। তাইৰ অসহায়বোধ এইদৰে প্ৰকাশ কৰিছে ঃ

> "মাজে মাজে জানেকীয়ে ভাৱে, বৰ টান বেমাৰ এটা হৈ তাই মৰি গ'লেই ভাল হয়। কিন্তু তাইৰ যেন পথাৰৰ মাজৰ শিমলু গছৰ নিচিনা অফুৰন্ত আয়ুস। আৰু বেমাৰ হ'বলৈকোতো গাটোত অলপ জেগা লাগে। তিনিবছৰৰ ভিতৰত বোবা হৈ যোৱা মানুহজনীৰ গাৰ শেষ মঙহখিনিও জহি-খহি গ'ল।"

৬। মানবীয় হৃদয়বৃত্তিক অন্তৰঙ্গতাৰে উপস্থাপন ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ এক সাধাৰণ বৈশিষ্ট্য। 'ঢোৰা সাপ' গল্পতো ইয়াৰ সুন্দৰ প্ৰকাশ ঘটিছে। চন্দ্ৰিকা, লীলাকান্ত, জানেকী, তপোধৰ, মনোমোহন আদিৰ চৰিত্ৰৰ মাজেদি হৃদয়বৃত্তিৰ ছবি অন্তৰংগতাৰে আৰু দক্ষতাৰে গল্পকাৰে পাঠকৰ আগত দাঙি ধৰিছে।

৭। ভাষাৰ বলিষ্ঠ ৰূপ ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ অন্যতম বৈশিষ্ট্য। সৰল, সাধাৰণ আৰু ঘৰুৱা শব্দৰ মাজেদিয়ে তেওঁ বিষয়বস্তুক অধিক স্পষ্ট আৰু অৰ্থৱহ কৰি তোলে। সৰল, সাধাৰণ শব্দই তেওঁৰ হাতত ব্যঞ্জনাময় হৈ পৰিছে। উদাহৰণস্বৰূপে,

> "এনেয়ে চাদৰখন খুলিলে। ধুই জাপি থোৱা চাদৰ এবাৰ পিন্ধি, দুবাৰমান উঠা-বহা কৰিলে যিমান ভাঁজ পৰে, সিমান ভাঁজ পৰিছে; সৰু সৰু মিহি ভাঁজ। জানেকীৰ বুকুখনেও সৰুকৈ মোচোকা এটা খাব খুজিলে, পিছে তাই প্ৰশ্ৰয় নিদিয়ে।"

৮। কাহিনীৰ এক মসৃণ গতি শইকীয়াৰ গল্পত পৰিলক্ষিত হয়। ধীৰে-সুস্থিৰে বৰ্ণনাৰ ক'তো উজুটি নোখোৱাকৈ কাহিনী আগবাঢ়ে। লেখকে কাহিনীটো আটোমটোকাৰিকৈ নিটোলভাৱে সজায়। 'ঢোৰা সাপ' গল্পতো কাহিনীয়ে এক মসৃণ গতিত সমাপ্তিৰ পথত আগবাঢ়িছে।

৯। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত সাধাৰণ উপমাবোৰেই কেতিয়াবা কথা বস্তুক বিশেষত্বপূৰ্ণ কৰি তুলি অসাধাৰণ হৈ পৰে। মূৰ্ত-অমূৰ্তভাৱক তেওঁ নিজৰ উপমাৰ দ্বাৰাই অধিক অৰ্থৱহ কৰি তুলিছে। 'ঢোৰা সাপ' গল্পতো এনে প্ৰয়োগ দেখা যায়। যেনে —

(ক) ফুলে-পাতে ভৰপূৰ লতা এডাল যেন আলফুলকৈ তাইৰ গাৰ ভাঁজে ভাঁজে বগাই গৈছে।

(খ) চাদৰখনত এচমকা সেন্দুৰৰ দাগ; দাগটোলৈ চাই তাইৰ এনেকুৱা লাগিল যেন ওচৰৰ মানুহ ঘৰত ভোজ পাতিছে; তাইক ভোজলৈ মতা নাই, অথচ খাই এৰা চুৱা-পাতবোৰ জেওৰা পাৰকৈ তাইহঁতৰ ফালে দলিয়াই পেলাইছে।

(গ) বৰ ডাঙৰ অপাৰেচনৰ কাৰণে সাজু হৈ থকা মনোমোহনক ডাক্তৰে যেন কেৱল এপালি মিঠা ঔষধ খুৱাই দিলে।

(ঘ) তাইৰ যেন পথাৰৰ মাজৰ শিমলু গছৰ নিচিনা অফুৰন্ত আয়ুস।

(ঙ) ভৰিৰ পৰা আৰম্ভ কৰি কঁকাল আৰু বুকুৰ ওপৰেদি এডাল ফুটুকা-ফুটুকী গাৰ প্ৰকাণ্ড সাপে যেন তাইক মেৰিয়াই ধৰিছে।

১০। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ নামকৰণো তাৎপৰ্যপূৰ্ণ। শিৰোনামে সদায় কথা বস্তুৰ ইংগিত বহন কৰে। 'ঢোৰা সাপ' গল্পৰ নামকৰণেও এক তাৎপৰ্য বহন কৰিছে। জানেকীৰ ওচৰ চাপিব খোজা পুৰুষবিলাকৰ আন্তৰিকতা আছিল সাৰশূন্য। বিহ নোহোৱা সাপৰ ফোঁচফোচনিৰ দৰে। জানেকীয়ে নিজেও সেই কথা বুজিছিল ঃ "সাহ নোহোৱাটোৱেই সঁচা। অকল লীলাকান্তৰেই নহয়, জানেকীৰ ওচৰলৈ অহা কোনো এটাৰ সাহ নাছিল।" তেনেদৰে, প্ৰতিটো সম্পৰ্ককে লৈ সৃষ্টি হোৱা জানেকীৰ মনৰ হেঁপাহো অৰ্থহীন। লীলাধৰে জানেকীক দিয়া চাদৰখনো তাইৰ ওচৰত পিছত মূল্যহীন হৈ পৰিছে। সেইদৰে, চন্দ্ৰিকাৰ ফটো তোলা চখ, নিজৰ ফটো চাই চাই আত্মহাৰা হোৱা ৰূপো চাদৰখনৰ কাহিনী জনাৰ লগে লগে সাৰশূন্য হৈ পৰিছে। চন্দ্ৰিকাই জানে দেখিবলৈ আপচু, বয়স হোৱা জানেকীয়ে তাইৰ একো ক্ষতি কৰিব নোৱাৰে; কিন্তু চাদৰখনৰ আঁৰত লুকাই থকা কাহিনীটো তাইৰ বাবে অস্বস্তিকৰ। চন্দ্ৰিকা, জানেকী, সুগন্ধি, লীলাধৰ সকলো যেন বন্দী হৈ পৰিছে এডাল ঢোৰা সাপৰ মেৰপাকত। বিহ নোহোৱা ঢোৰা সাপ। কাকো গিলিও নেপেলায়, অথচ এৰিও নিদিয়ে। সমগ্ৰ গল্পটোৰ মাজত এই ভাৱ প্ৰতিধ্বনিত হৈছে।

১১। বৰ্ণনাৰ সৌন্দৰ্য থাকিলেও ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত মাজে মাজে বৰ্ণনাৰ বহুলতা পৰিলক্ষিত হয়। যিটো ক্ষেত্ৰত এটা ইংগিত দিলেই যথেষ্ট, তাতো পুংখানুপুংখ বৰ্ণনা পোৱা যায়। গল্পত ইংগিতৰদ্বাৰা পাঠকক নিজে বিচাৰ কৰিবৰ সুবিধা দিয়াটোও প্ৰয়োজনীয়। 'ঢোৰা সাপ' গল্পত বৰ্ণনাই সীমাচেৰাই যোৱা নাই যদিও স্থান বিশেষে পৰিস্থিতি বা চৰিত্ৰৰ মনোভাৱ ইংগিতৰদ্বাৰা প্ৰকাশ কৰিবপৰা গ'লহেঁতেন।

সকলো সাহিত্যিকৰ ৰচনাৰ কিছুমান নিজস্ব বৈশিষ্ট্য থাকে। সেয়া ৰচনাৰ মৌলিক বৈশিষ্ট্য। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ এনে বৈশিষ্ট্য সম্পৰ্কে ইতিমধ্যে আলোচনা কৰা হৈছে। অসমীয়া সাহিত্যত তেওঁৰ গল্পই এক শিল্প বৈশিষ্ট্য আনি দিছে। ভাষাৰ সৰলতা, বৰ্ণনা নৈপুণ্য, তীব্ৰ পৰ্যবেক্ষণ তেওঁৰ গল্পত পোৱা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

'ঢোৰা সাপ' গল্পৰ বৈশিষ্ট্য চমুকৈ উল্লেখ কৰক। (৬০ টা মান শব্দৰ ভিতৰত )

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

## ৬.৫ সাৰাংশ (Summing Up)

'ৰামধেনু' আলোচনীৰ মাজেৰে আত্মপ্ৰকাশ কৰা ভবেন্দ্ৰনাথ শইকীয়া অসমীয়া সাহিত্যত এগৰাকী আগশাৰীৰ গল্পকাৰ। প্ৰহৰী, বৃন্দাবন, গহ্বৰ, সেন্দুৰ, শৃংখল, তৰঙ্গ, এই বন্দৰৰ আবেলি, আকাশ, উপকণ্ঠ, সান্ধ্যভ্ৰমণ আদি তেওঁৰ প্ৰকাশিত গল্পপুথি। মনোৰম কথনভংগীৰ বাবেই তেওঁৰ গল্প আকৰ্ষণীয়। গল্পৰ বিষয়বস্তুৰ সকলো কথাই তেওঁৰ খুঁটি-নাটি বিচাৰ কৰি বৰ্ণনা কৰে। আমাৰ আলোচ্য 'ঢোৰা সাপ' গল্পতো এই দিশকেইটা পৰিলক্ষিত হয়। একুৰি বাৰবছৰীয়া এগৰাকী অনূঢ়া, আপচু ছোৱালীৰ কাহিনীৰ মাজেদি সমাজ বাস্তৱতাক ফুটাই তোলা হৈছে। নাৰীমনৰ আবেদনেও ইয়াত প্ৰাধ্যন্য লাভ কৰিছে। জানেকী, চন্দ্ৰিকা, সুগন্ধি বুঢ়ীৰ অন্তৰ্জগতৰ ছবি আমি ইয়াত পাঁও। বিশেষকৈ, সামাজিক পৰিস্থিতি আৰু বঞ্চনাই মূক কৰি পেলোৱা জানেকীৰ অসহায় ৰূপটো গল্পকাৰে সহৃদয়তাৰে অংকন কৰিছে। সমাজ জীৱনৰ বাস্তৱ ছবি, চিত্ৰধৰ্মী কথনভংগী, নিসংগ যন্ত্ৰণাবোৰ আৰু কৰুণতা, মানৱীয় হৃদয়বৃত্তিক অন্তৰংগতাৰে উপস্থাপন, সাধাৰণ শব্দৰে অসাধাৰণ বৰ্ণনা আদি ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য। 'ঢোৰা সাপ' গল্পতো এই বৈশিষ্ট্য পৰিলক্ষিত হয়। অৱশ্যে ঠায়ে ঠায়ে বৰ্ণনাৰ সলনি ইংগিতধৰ্মী হোৱাৰ থল আছিল। গল্পটোৰ নামকৰণো তাৎপৰ্যপূৰ্ণ। বিহ নোহোৱা ঢোৰাসাপে মেৰিয়াই থকাৰ দৰে এক অসহায়ৰূপ চৰিত্ৰবোৰৰ মাজত ফুটি উঠিছে। নাৰীমনৰ অৱলোকন, সমাজ বাস্তৱতা, বৰ্ণনা নিপুণতা আৰু সূক্ষ্ম পৰ্যবেক্ষণেৰে 'ঢোৰা সাপ' অসমীয়া সাহিত্যৰ এক উল্লেখনীয় গল্প।

## ৬.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। 'অসমীয়া গল্প সাহিত্যলৈ ভবেন্দ্ৰনাথ শইকীয়াৰ অৱদান'— শীৰ্ষক এটি প্ৰৱন্ধ যুগুত কৰা।

২। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ বিষয় বৈচিত্ৰ্য সম্পৰ্কে আলোচনা কৰা।

৩। 'ঢোৰা সাপ' গল্পত জানেকীৰ অন্তৰ্জগতৰ ছবি অংকনত লেখক সফল হৈছেনে? —বিচাৰ কৰা

৪। 'ঢোৰা সাপ' গল্পত জানেকীৰ আৰু চন্দ্ৰিকাৰ চৰিত্ৰৰ মাজৰে নাৰী মনস্তত্ত্বৰ প্ৰতিফলন কিদৰে ঘটিছে আলোচনা কৰা।

৫। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এই বৈশিষ্ট্যসমূহ 'ঢোৰা সাপ' গল্পত কিমানখিনি পৰিস্ফুট হৈছে বিচাৰ কৰা।

৬। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ কথনশৈলী সম্পৰ্কে এটি সমালোচনামূলক প্ৰবন্ধ লিখা।

### ৬.৭ প্ৰসঙ্গ গ্ৰন্থ (Reference/Suggested Readings)


ত্ৰৈলোক্যনাথ গোস্বামী : *আধুনিক গল্প-সাহিত্য*

হোমেন বৰগোহাঞি (সম্পা.) : *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড)

(——) : *অসমীয়া গল্প সংকলন* (১ম, ২য়, ৩য় খণ্ড)

প্ৰহ্লাদ কুমাৰ বৰুৱা : *অসমীয়া চুটিগল্প অধ্যয়ন*


* * *

## সপ্তম বিভাগ

## হোমেন বৰগোহাঞিঃ 'ভয়'

**বিভাগৰ গঠন ঃ**


৭.১ ভূমিকা (Introduction)
৭.২ উদ্দেশ্য (Objectives)
৭.৩ হোমেন বৰগোহাঞিৰ জীৱন আৰু কৃতি
৭.৪ হোমেন বৰগোহাঞিৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য
৭.৫ ভয়
৭.৫.১ গল্পটোৰ কাহিনীভাগ
৭.৫.২ সাধাৰণ আলোচনা
৭.৬ সাৰাংশ (Summing up)
৭.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৭.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Reading)


### ৭.১ ভূমিকা (Introduction)

আমি সকলোৱে জানো যে আধুনিক অসমীয়া সাহিত্য সৃষ্টিত 'ৰামধেনু যুগ'টোৱে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। ৰামধেনু যুগৰ ৰাজনৈতিক পৃষ্ঠভূমি, অসম তথা সমগ্ৰ ভাৰতৰ অৰ্থনৈতিক পটভূমি আৰু এইবোৰৰ বাবে সৃষ্টি হোৱা ৰূপান্তৰিত মূল্যবোধৰ দ্বন্দ্বৰ মাজত ৰচিত হোৱা ৰামধেনু যুগৰ গল্পসমূহে অসমীয়া গল্প সাহিত্যত এক বিশেষ স্থান অধিকাৰ কৰি আছে। এই সময়ছোৱতো গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল সাম্প্ৰতিক সময়ৰ এগৰাকী বিশিষ্ট কথাশিল্পী হোমেন বৰগোহাঞিয়ে। বৰগোহাঞিয়ে লিখা গল্পৰ সংখ্যা বৰ বেছি নহয় যদিও মুষ্টিমেয় কেইটামান গল্প লিখিয়েই তেওঁ অসমীয়া গল্প সাহিত্যত এক বিশেষ আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছে। তেওঁ কম সংখ্যক গল্পৰ মাজেদিয়েই এক বিশাল আৰু গভীৰ ভাৱবস্তু প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। এই কথা অসমীয়া সাহিত্যৰ ছাত্ৰ মাত্ৰেই জানে।

আমাৰ আলোচ্য এই বিভাগটোত হোমেন বৰগোহাঞিৰ এটা উল্লেখযোগ্য গল্প 'ভয়'ৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব। বৰগোহাঞিৰ গল্পসমূহৰ ভিতৰত এই গল্পটো অতি উন্নত মানৰ আৰু কাৰিকৰী কৌশলৰ ফালৰ পৰাও সফল বুলি বিবেচিত হৈ আহিছে। এই বিভাগটোত আলোচ্য গল্পটোৰ লগত জড়িত বিভিন্ন দিশৰ বিষয়ে আপোনাক ধাৰণা প্ৰদান কৰাৰ লগতে গল্পকাৰৰ জীৱন আৰু কৃতি সম্পৰ্কেও কিছু ধাৰণা প্ৰদান কৰা হ'ব। হোমেন বৰগোহাঞিৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়েও এই বিভাগটিত আলোচনা কৰা হ'ব।

### ৭.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপুনি—

- অসমৰ এগৰাকী বিশিষ্ট কথাশিল্পী হোমেন বৰগোহাঞিৰ জীৱন আৰু কৃতি সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব;

- হোমেন বৰগোহাঞিৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে সম্যক ধাৰণা লাভ কৰি তেওঁৰ গল্প কথনৰ কৌশলৰ বিচাৰ কৰিব পাৰিব;
- 'ভয়' গল্পটোৰ বিষয়বস্তু আভাস লাভ কৰি আলোচনা আগবঢ়াব পাৰিব; আৰু
- আধুনিক অসমীয়া চুটিগল্প হিচাপে 'ভয়' গল্পটোৰ বিশ্লেষণ আগবঢ়াব পাৰিব।

## ৭.৩ হোমেন বৰগোহাঞিৰ জীৱন আৰু কৃতি

অবিভক্ত লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা মহকুমাৰ বালি গাঁওত ১৯৩২ চনৰ ৭ ডিচেম্বৰ তাৰিখে হোমেন বৰগোহাঞিয়ে জন্ম লাভ কৰে। মাতৃ আইতা বৰগোহাঞি আৰু পিতৃ ইন্দ্ৰধৰ বৰগোহাঞি। তেওঁ ১৯৫০ চনত 'ডিব্ৰুগড় চৰকাৰী বিদ্যালয়'ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা থলি 'কটন মহাবিদ্যালয়'ত নামভৰ্তি কৰেহি। 'কটন মহাবিদ্যালয়'ৰ পৰাই ১৯৫২ চনত আই. এ. পৰীক্ষাত উত্তীৰ্ণ হৈ একেখন কলেজৰে ইংৰাজীত অনাৰ্ছ লৈ নাম লিখায়। ১৯৫৪ চনত তেওঁ স্নাতক উপাধি লাভ কৰে। স্নাতক হোৱাৰ পাছতে অলপ দিনৰ বাবে শিক্ষকতা কৰি ১৯৫৫ চনত 'অসম প্ৰশাসনিক সেৱা' পৰীক্ষাত উত্তীৰ্ণ হৈ উপ-প্ৰতি সমহৰ্তা হিচাপে চৰকাৰী চাকৰিত যোগদান কৰে। চাকৰি কৰি থকা কালতেই ১৯৫৮ চনত নিৰুপমা তামুলী (বৰগোহাঞি)ৰ সৈতে বিবাহপাশত আবদ্ধ হয়। স্বাধীন মনা হোমেন বৰগোহাঞিয়ে পিছে বৰ বেছি দিন চৰকাৰী চাকৰি কৰি থাকিবলৈ মন নকৰিলে। চাকৰি ইস্তফা দি তেওঁ ব্যস্ত হৈ পৰে 'নীলাচল' নামৰ সাপ্তাহিক কাকতখনৰ সৈতে। ১৯৬৮ চনৰ ২ অক্টোবৰ তাৰিখে শ্ৰীগুৰু প্ৰেছৰ পৰা প্ৰকাশ পোৱা এই কাকতখনৰ মাজেদি তেওঁ অসমীয়া সাংবাদিকতাক এক জনমুখী গতি প্ৰদান কৰিলে। সম্পাদক হিচাপে তীব্ৰ ব্যংগ আৰু ক্ষুৰধাৰ সমালোচনাৰে জনসচেতনতা সৃষ্টিৰ ক্ষেত্ৰত এই গৰাকী ব্যক্তিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

১৯৭৭ চনত এইখন কাকতৰ পৰা আঁতৰি আহি 'সাপ্তাহিক নাগৰিক' নামৰ বাতৰি কাকতখনৰ দায়িত্ব গ্ৰহণ কৰে। তেওঁ ১৯৮০ চনত পুনৰ 'লোকায়ত' নামৰ বেলেগ এখন কাকতৰ লগত জড়িত হৈ পৰে। ইয়াৰ পাছত ১৯৮১ চনত কলিকতা (অধুনা কলকাতা)ৰ পৰা প্ৰকাশিত 'আজকাল' নামৰ বাংলা দৈনিক কাকতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষ প্ৰতিনিধি হিচাপে নিযুক্ত হোৱাৰ উপৰি ১৯৮৭ চনত 'সমকাল', ১৯৮৯ চনত 'সূত্ৰধাৰ', ১৯৯১ চনত 'অসমবাণী', ১৯৯৭ চনত 'আমাৰ অসম', ২০০৪ চনত 'দৈনিক বাতৰি' আৰু ২০০৫ চনত 'সাতসৰী'ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰিছিল। অৱশ্যে পাছলৈ 'সাতসৰী'ৰ সম্পাদনাৰ দায়িত্ব ত্যাগ কৰি পুনৰ 'আমাৰ অসম' কাকতৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰে। বৰ্তমানেও তেওঁ এইখন কাকতৰে সম্পাদক হিচাপে কৰ্মৰত। লগতে স্বাস্থ্য বিষয়ক আলোচনী 'স্বাস্থ্য' (GNRCৰ পৰা প্ৰকাশিত)ৰো তেওঁ মুখ্য সম্পাদক।

১৯৫৭ চনতে তেওঁৰ প্ৰথমখন গল্পৰ সংকলন 'বিভিন্ন কোৰাছ' প্ৰকাশ পায়। ইয়াৰ পাছৰ পৰা আৰু তেওঁৰ কলম থমকি ৰোৱা নাই। সামাজিক দায়বদ্ধতাৰে সময়ৰ সৈতে সুৰ-তাল-ছন্দ মিলাই সমন্বয়ৰ সংস্কৃতিৰ সেতু গঢ়িবলৈ সদা প্ৰস্তুত এইজনা ব্যক্তিয়ে ইতিমধ্যে কেইবাটাও সন্মান লাভ কৰিছে। তাৰে ভিতৰত ১৯৭৭ চনত 'পিতা-পুত্ৰ' উপন্যাসৰ বাবে অসম 'প্ৰকাশন পৰিষদ বঁটা', ১৯৯২ চনত 'অসম উপত্যকা বঁটা, ২০০০ চনত অসম সাহিত্য সভাই প্ৰদান কৰা 'লক্ষ্মীনাথ ফুকন বঁটা', একে বছৰতে বঙ্গীয় সাহিত্য পৰিষদৰ 'হৰনাথ ঘোষ' পদক আৰু ২০০২ চনত উৎকৃষ্ট সাংবাদিকতাৰ বাবে 'জয়কৃষ্ণ ৰামদয়াল সমন্বয় বঁটা' উল্লেখযোগ্য।

প্ৰসংগক্ৰমে স্মৰণযোগ্য যে তেওঁ দুটা বছৰৰ বাবে অসম সাহিত্য সভাৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল। অসম সাহিত্য সভাৰ সাতষষ্ঠিতম আৰু আঠষষ্ঠিতম অধিবেশনৰ সভাপতি হিচাপে কৰ্মৰত অৱস্থাতে তেওঁ অসমীয়া ভাষাৰ বিশ্বকোষ প্ৰণয়ন কৰাৰ এক অভিলাষী আঁচনি গ্ৰহণ কৰিছিল। তেওঁৰ নেতৃত্বতে অসমীয়া জাতিয়ে বিশ্বকোষৰ কেইবাটাও খণ্ড এতিয়ালৈকে লাভ কৰিলে। এয়া তেওঁৰ জাতীয়তাবাদী চিন্তাৰে পৰিচায়ক।

তেওঁৰ ৰচনাৰাজীক আমি বিষয়বস্তু অনুসৰি ভাগ কৰি তলত উল্লেখ কৰাৰ ধৰণে শ্ৰেণীবিভাজন কৰিব পাৰোঁ—

**গল্প পুথি ঃ** বিভিন্ন কোৰাছ; প্ৰেম আৰু মৃত্যুৰ কাৰণে; স্বপ্ন, স্মৃতি, বিষাদ; গল্প আৰু নক্সা; অস্তিত্বৰ জ্যোৰ্তিময় চেতনা।

**উপন্যাস ঃ** সুবালা, তান্ত্ৰিক, কুশীলৱ, হালধীয়া চৰায়ে বাওঁধান খায়, পিতা-পুত্ৰ, তিমিৰতীৰ্থ, অস্তৰাগ, মৎস্যগন্ধা, সাউদৰ পুতেকে নাও মেলি যায়, নিঃসঙ্গতা, বিষণ্ণতা, এদিনৰ ডায়েৰী আৰু পত্নী নিৰুপমা বৰগোহাঞিৰ সৈতে যুটীয়াভাৱে পুৰাৰ পূৰবী নিশাৰ বিভাস।

**কবিতা পুথি ঃ** হৈমন্তী।

**প্ৰবন্ধ সংকলন ঃ** বিভিন্ন নৰক, ধূসৰ দিগন্ত, জীৱনৰ মানচিত্ৰ, জিজ্ঞাসা, আনন্দ আৰু বেদনাৰ সন্ধানত, স্বৰ্গ আৰু নৰক, ইতিহাসৰ সাক্ষী, সপ্তম দশক, সুখ-দুখ, পাঠকৰ টোকাবহী, প্ৰজ্ঞাৰ সাধনা, জীৱনৰ সাধনা, আত্মদীপো ভৱ, কথা-বাৰ্তা, বিচিত্ৰ অভিজ্ঞতা আৰু অনুভূতি, জীৱনৰ পৰা আমি কি বিচাৰো, বিপদৰ বন্ধু, জীৱন জিজ্ঞাসা, জীৱনৰ উপহাৰ, কথাৰ মূৰৰ কথা, কলগাৰ্ল, উচ্চাকাংক্ষা, আশীৰ দশকৰ দস্তাবেজ (আমিনুৰ ৰহমানৰ দ্বাৰা সম্পাদিত)।

**আত্মজীৱনী** ঃ আত্মানুসন্ধান, মোৰ সাংবাদিক জীৱন, ধুমুহা আৰু ৰামধেনু (প্ৰথম আৰু দ্বিতীয় খণ্ড)।

**শিশু/কিশোৰৰ বাবে ঃ** অ আ ক খ, কিতাপ পঢ়াৰ আনন্দ, আমাক কিতাপ লাগে, মানুহ হোৱাৰ গৌৰৱ, মোৰ প্ৰিয় মানুহ ঃ চক্ৰেটিছ, অন্তহীন প্ৰেৰণাৰ উৎস ঃ লুই পেষ্টিঅ'ৰ, আধুনিক যুগৰ জন্ম কাহিনী, প্ৰতিভাৰ সংজ্ঞা বিচৰা মানুহজন, বেঞ্জামিন ফ্ৰেঙ্কলিন।

**অনুবাদ ঃ** মোৰ প্ৰিয় পাঁচটা জাৰ্মান গল্প।

ইয়াৰ উপৰি তেওঁৰ সম্পাদনাৰে প্ৰকাশ পাইছে কেইবাখনো উল্লেখযোগ্য পুথি। তাৰে ভিতৰত 'বিংশ শতাব্দিৰ অসমীয়া সাহিত্য', 'অসমীয়া গল্প সংকলন' (প্ৰথম, দ্বিতীয় আৰু তৃতীয় খণ্ড), 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' (ষষ্ঠ খণ্ড), শ্ৰেষ্ঠ নিৰ্বাচিত অসমীয়া প্ৰবন্ধ (দ্বিতীয় খণ্ড) আদি উল্লেখযোগ্য। সম্প্ৰতি তেওঁৰ চাৰি দশকৰ ফচল ঃ উপন্যাস সমগ্ৰ, গল্প আৰু প্ৰবন্ধ সমগ্ৰ নামেৰে ৰচনাৱলীও প্ৰকাশিত হৈছে। তেওঁ এনেদৰে অসমীয়া সাহিত্যৰ প্ৰতিটো দিশতে অৱদান আগবঢ়াই আহিছে। সেইবাবেই লক্ষ্মীনাথ, জ্যোতিপ্ৰসাদ, বিষ্ণু প্ৰসাদ, পাৰ্বতীপ্ৰসাদ আদিয়ে নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ কৰি যোৱা অসমীয়া সাহিত্য-সংস্কৃতিৰ সৌধটোক চিন্তা বা যুক্তিৰে আৰু আবেগেৰে আগবঢ়াই নিয়া ব্যক্তিসকলৰ ভিতৰত এওঁক অন্যতম বুলি সমালোচকসকলে ঠাৱৰ কৰিছে। মন কৰিবলগীয়া যে বৰগোহাঞিৰ ৰচনাত বুদ্ধি আৰু ভাবৰ সুন্দৰ সংমিশ্ৰণ ঘটিছে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

অসমীয়া সাহিত্যলৈ হোমেন বৰগোহাঞিৰ অৱদান সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক। (৮০ টা শব্দৰ ভিতৰত)

..........................................................................................................
..........................................................................................................
..........................................................................................................

## ৭.৪ হোমেন বৰগোহাঞিৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য

প্ৰতিজন সৃষ্টিশীল ৰচনাকাৰৰ লিখনিৰ মাজত বিশেষ কিছুমান বৈশিষ্ট্য ফুটি উঠা পৰিলক্ষিত হয়। অৱশ্যে প্ৰতিটো গল্পৰ মাজতে যে তেওঁৰ গল্পত দেখা পোৱা সকলো বৈশিষ্ট্য ফুটি উঠে, সেইটোও নহয়। হোমেন বৰগোহাঞিৰ গল্পসমূহৰ ভাববস্তুৰ বিশালতা আৰু গভীৰতা ইমানেই বেছি যে সামগ্ৰিকভাৱে গল্পসমূহ বিচাৰ কৰি বিশেষ বৈশিষ্ট্য নিৰূপণ কৰাটো ইমান সহজসাধ্য নহয়। তথাপিতো গভীৰভাৱে অনুধাৱন কৰিলে তেওঁৰ গল্পৰ মাজত আমি কিছু বিশেষ বৈশিষ্ট্য ৰক্ষিত হোৱা দেখিবলৈ পাওঁ। তলত সেয়া একাদিক্ৰমে উল্লেখ কৰা হ'ল—

- বৰগোহাঞিৰ গল্পত দ্বিতীয় মহাসমৰৰ পাছত পাশ্চাত্যত আৰম্ভ হোৱা বিভিন্ন দৰ্শনৰ প্ৰভাৱ অনুভূত হয়। বিশেষকৈ চেতনাস্ৰোত, অৱস্থিতিবাদ, অস্তিত্ববাদ, ফ্ৰয়েডীয় তত্ত্ব, মাৰ্ক্সীয় চিন্তাধাৰাৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ অনুভূত হয়। সেইবাবেই সমালোচকসকলে মন্তব্য কৰিছে— "পঞ্চাছৰ দশকত অসমীয়া কাহিনী সাহিত্যত প্ৰথমবাৰৰ কাৰণে মানুহৰ মনোজগতলৈ যি অন্তমুৰ্খী যাত্ৰা আৰম্ভ হৈছিল, হোমেন বৰগোহাঞি আছিল তাৰে পথিকৃৎ।" হোমেন বৰগোহাঞিয়ে নিজৰ গল্পৰ বিষয়ে সমালোচনা কৰি ব্যক্ত কৰিছে — "পঞ্চাশৰ দশকত ইউৰোপীয় শিল্প-ভাৱনাৰ পৰা আহৃত অস্তিত্ববাদী জীৱন দৰ্শনে যিকেইজন অসমীয়া তৰুণ লেখকক বিশেষভাৱে প্ৰভাৱিত কৰিছিল তেওঁলোকৰ ভিতৰত হোমেন বৰগোহাঞি অন্যতম।" তেওঁৰ গল্পসমূহ পঢ়িলে সেই কথা সহজেই অনুমান কৰিব পাৰি।
- বৰগোহাঞিৰ গল্পসমূহত আমি পৰম্পৰাগত কাহিনী প্ৰধান বৰ্ণনাধৰ্মী গল্প লিখা ৰীতিৰ উমান নাপাওঁ। তাৰ বিপৰীতে অন্তৰমুখী দৃষ্টিৰ জীৱনৰ অভ্যন্তৰত জগতখনতহে তেওঁ অধিক গুৰুত্ব প্ৰদান কৰিছে। মানুহৰ মনৰ গোপন কক্ষত প্ৰৱেশ কৰি সেই মনৰ ৰহস্য উদ্ঘাটন কৰিবলৈ হোমেন বৰগোহাঞি আছিল বদ্ধপৰিকৰ। তেওঁৰ সৰহভাগ গল্পৰ মাজতে সমাজৰ বিভিন্ন পৰ্যায়ৰ নৰ-নাৰীৰ মানসিক জগতখন উদ্ভাসিত হৈ উঠিছে। তেওঁৰ গল্পসমূহৰ অধিকাংশতে অন্তৰ্মুখী জীৱনৰ চিত্ৰ সূক্ষ্ম আৰু নিখুঁত ৰূপত ফুটি উঠিছে। এক কথাত ক'ব পাৰি যে বৰগোহাঞিৰ সফল গল্পকেইটাৰ মূল উপজীব্য মানুহৰ জটিল মনস্তত্ত্ব।
- হোমেন বৰগোহাঞিৰ গল্পসমূহৰ মাজত তেওঁৰ আত্মানুসন্ধানো প্ৰতিভাত হয়। বাস্তৱ জীৱনৰ পৰা লাভ কৰা অভিজ্ঞতাৰে সজোৱা বহু গল্পত নায়কজনৰ মাজত আমি তেওঁকেই আৱিষ্কাৰ কৰোঁ। যেনে— 'এপিটাফ', 'আবেলিপৰত', 'যৌৱন', 'ইস্মাইল ছেখৰ সন্ধান'ত গল্পকেইটাৰ প্ৰধান চৰিত্ৰকেইটা।

- মৃত্যুচেতনা আৰু ৰুগ্ন মানসিকতা প্ৰকাশ তেওঁৰ গল্পৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য। তেওঁৰ গল্পৰ বহুকেইটা চৰিত্ৰই আত্মহত্যাৰ কথা ব্যক্ত কৰিছে। যেনে— 'এপিটাফ', 'অসুখ' গল্পৰ কেইবাটাও চৰিত্ৰ।
- প্ৰকৃতিৰ ৰূপ বৰ্ণনা আৰু বন্দনা বৰগোহাঞিৰ গল্পৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য। গ্ৰাম্য জীৱনৰ অপৰূপ ৰূপৰ চিত্ৰ ফুটি উঠিছে বৰগোহাঞিৰ উৎকৃষ্ট বুলি চিহ্নিত কৰা গল্পকেইটাৰ মাজত। তেওঁৰ 'হাতী', 'গৰখীয়া', 'চিনাকী গাঁও' আদি গল্পত আমি এই বৈশিষ্ট্যটো ৰক্ষিত হোৱা দেখিবলৈ পাওঁ।
- বৰগোহাঞিৰ শিল্প মানসৰ স্বৰূপ নিৰ্বাচনধৰ্মী বুলি উপেন্দ্ৰনাথ শৰ্মাই উপলব্ধি কৰে। বৰগোহাঞিৰ গল্পৰ বিষয়বস্তুৰ নিৰ্বাচনৰ ওপৰতে ভিত্তি কৰি তেওঁ এই মত পোষণ কৰিছে বুলি অনুভৱ কৰাত আমাৰ অসুবিধা নহয়। আনহাতে বৰগোহাঞিয়ে পিছৰ ডোখৰৰ গল্পত তৎকালীন সমাজৰ দাৰিদ্ৰৰ ভয়াবহ ছবি অংকন কৰি সমাজৰ বিবেকৰ জাগ্ৰত কৰিছিল বুলিও উপেন্দ্ৰনাথ শৰ্মাই অনুভৱ কৰে। 'শিশু হাঁহি', 'জললিপি' আদি গল্প ইয়াৰ উৎকৃষ্ট উদাহৰণ।
- নিঃসংগ চেতনা এওঁৰ গল্পৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য। অন্তৰ্মুখী চিন্তাৰ প্ৰকাশৰ বাবে নিঃসংগ চেতনাৰ প্ৰকাশ কৰাটো অতিকে প্ৰয়োজন। 'আনন্দৰ উৎস', 'ধুমুহা', 'ভয়' আদি গল্পবোৰত এই বৈশিষ্ট্য ৰক্ষিত হৈছে।
- বৰগোহাঞিৰ আদি স্তৰৰ গল্পসমূহত সমাজৰ অন্ধকাৰ গলিৰ চিত্ৰ সাৰ্থক ৰূপত প্ৰতিভাত হৈছিল। 'পৰ্দা', 'ইস্মাইল ছেখৰ সন্ধানত', 'অক্টোপাছ' আদি গল্পত এই দিশবোৰ বিবৃত হৈছে।
- সাম্প্ৰতিক সময়ে সৃষ্টি কৰা বিচ্ছিন্নতাবোধ, তাৰ যন্ত্ৰণা, সময় চেতনা আদিয়েও বৰগোহাঞিৰ গল্পত এক বিশেষ ভূমিকা গ্ৰহণ কৰে। 'ধুমুহা', 'আনন্দৰ উৎস', 'শূন্যতা', 'ভয়' আদি গল্প ইয়াৰ উৎকৃষ্ট উদাহৰণ।
- প্ৰতীকধৰ্মী, অৰ্থঘন ভাষাৰ প্ৰয়োগ তেওঁৰ গল্পৰ আন এক উল্লেখযোগ্য বিশেষত্ব। কম শব্দৰে অধিক অৰ্থ প্ৰকাশক বাক্যৰ গাঁথনিৰে তেওঁ সকলোকে চমকৃত কৰিছিল। 'হাতী', 'অক্টোপাচ' আদি তেওঁৰ উল্লেখযোগ্য প্ৰতীকধৰ্মী গল্প।

**আত্মমূল্যায়ণ প্ৰশ্ন**

হোমেন বৰগোহাঞিৰ গল্পত কেনেদৰে দৰ্শনৰ তত্ত্বসমূহ উদ্ভাসিত হৈছে এই বিষয়ে উদাহৰণসহ এটি প্ৰবন্ধ প্ৰস্তুত কৰক। (৮০ টা শব্দৰ ভিতৰত, প্ৰবন্ধটো প্ৰস্তুত কৰিবলৈ বিভাগটোৰ শেষত উল্লেখ কৰা প্ৰসঙ্গ গ্ৰন্থসমূহৰ সহায় লওক।)

................................................................................................................
................................................................................................................
................................................................................................................
................................................................................................................
................................................................................................................

## ৭.৫ ভয়

ইতিমধ্যে আমি ইয়াৰ আগৰ অনুচ্ছেদ কেইটাত হোমেন বৰগোহাঞিৰ জীৱন আৰু কৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰিলোঁ। লগতে তেওঁৰ গল্পসমূহত প্ৰতিভাত হোৱা বিশেষ কিছুমান বৈশিষ্ট্য সম্পৰ্কেও চমুকৈ আলোচনা কৰিলোঁ। এতিয়া আমি আমাৰ আলোচ্য 'ভয়' গল্পটোৰ বিষয়ে আলোচনা কৰিম।

### ৭.৫.১ গল্পটোৰ কাহিনীভাগ

হোমেন বৰগোহাঞিৰ গল্পসমূহৰ ভিতৰত এটা উল্লেখযোগ্য গল্প হ'ল 'ভয়'। মন কৰিবলগীয়া যে এই গল্পটোৰ বিষয়বস্তু গতানুগতিক ধৰণৰ নহয়; বহু পৰিমাণে আচহুৱা ধৰণৰ পটভূমি এটাত কাহিনীভাগ বৰ্ণিত হৈছে।

গল্পটো আৰম্ভ হৈছে সন্ধিয়া পৰত/ সূৰ্য অস্ত যাবৰ পৰত অমল বৰুৱা নামৰ ব্যক্তি এজন পশ্চিমফালে মুখ কৰি ঘৰৰ বাৰান্দাত বহি থকাৰ পৰা। তেওঁৰ মনলৈ আহিছে বহু কালৰ আগতে পঢ়া এষাৰ মন্ত্ৰ — "মোৰ মূৰত আছে এটা সূৰ্য আৰু হৃদয়ত আছে এটা ধুমুহা।" এনেদৰে বহি থাকোঁতেই কাৰোবাৰ ভৰিৰ খোজৰ শব্দত পিছলৈ ঘূৰি চাই তেওঁ এজন ব্যক্তিৰ মুখামুখি হয়। অমল বৰুৱাই তেওঁৰ পৰিচয় বিচৰাত আগন্তুকজনে ক'লে যে তেওঁৰ নাম অমল বৰুৱা। সেই কথাত প্ৰশ্নকৰ্তা অমল বৰুৱা আচৰিত হয়। দৃঢ়কণ্ঠে ঘোষণা কৰে যে পৃথিৱীত অমল বৰুৱা এজনেই আছে আৰু সেইজনেই তেওঁ। গৃহস্থ অমল বৰুৱাই যিমানেই সিজন ব্যক্তিক আওকান কৰিবলৈ যত্ন কৰে সিজনে সিমানেই দৃঢ়তাৰে তেওঁ যে অমল বৰুৱা সেই কথা ব্যক্ত কৰে।

আগন্তুক অমল বৰুৱাই গৃহস্থ অমল বৰুৱাক মনত পেলাই দিব বিচাৰে যে বহু দিনৰ আগতে বাতৰি কাকতৰ নিৰুদ্দেশৰ শিতানত তেওঁ অমল বৰুৱা নিৰুদ্দেশ হৈছে বুলি এটা বিজ্ঞাপন দিছিল। কিন্তু মানুহজনৰ চেহেৰাৰ কথা বৰ্ণনা নকৰাৰ ফলত সেই বাতৰিৰ কোনো ফল নাপালে। কিন্তু এতিয়া তেওঁ, অমল বৰুৱা নিজেই ঘূৰি আহিছে। এই কথা শুনি গৃহস্থ অমল বৰুৱাই তেনে এক বিজ্ঞাপন কেতিয়া দিছিল সেয়া মনত পেলাব নোৱাৰিলে। আগন্তুকজনে ইয়াৰে খেও ধৰি সময় সম্পৰ্কে নিজস্ব ধাৰণা প্ৰকাশ কৰি কৰি কয়— "এটা বিন্দুত সময় মোৰ কাৰণে কেতিয়াবাই স্তব্ধ হৈ গ'ল।" এনে বিৰ্তক শুনি গৃহস্থ অমল বৰুৱাই নিজৰ চোলাটো দাঙি বুকুখন উলিয়াই আগতে কোনো এক দুৰ্ঘটনাত সৃষ্টি হোৱা এটি দাগ দেখুৱাই তেওঁৰহে যে তেনে দাগ আছে আৰু তেওঁহে যে অমল বৰুৱা সেয়া প্ৰতিপন্ন কৰিব বিচাৰিলে। তেতিয়া আগন্তুক অমল বৰুৱাইও চোলাটো দাঙি একে ঠাইতে থকা ঘা ডোখৰ দেখুৱায়। তাত পাৰ্থক্য মাথোন এটাই আছিল আগন্তুক জনৰ ঘা টুকুৰা কেঁচা হৈ আছে আৰু গৃহস্থজনৰ শুকান।

সেই কথাটোক আধাৰ হিচাপে লৈ গৃহস্থজনে তেওঁহে অমল বৰুৱা বুলি প্ৰতিপন্ন কৰিব বিচাৰোতে আগন্তুকজনে কয় যে— " সময়ে সকলো ঘা শুকুৱাই পেলায়। সময়ৰ বাহিৰত থিয় দিলেই আকৌ তাৰ পৰা তেজ ওলায়, যন্ত্ৰণাত জেউতি ওলায়।" এনে অৱস্থা গৃহস্থজনে ঘৰৰ ভিতৰলৈ দৌৰ মাৰি গৈ ঘৈণীয়েকক উলিয়াই আনি তেওঁৰ পৰিচয় দিব বিচাৰে। আগন্তুকজনেও সেইগৰাকী তেওঁৰ পৰিবাৰ বুলি দাবী কৰে। প্ৰথম গৰাকী অমল বৰুৱাই তেতিয়া ঘৈণীয়েকক শাৰীৰিক বৰ্ণনাৰে নিজকে প্ৰতিষ্ঠা কৰিবলৈ জোৰ দিয়ে। দুয়োজনে নিজস্ব ধৰণে ঘৈণীয়েকৰ ৰূপৰ বৰ্ণনা দিয়ে। গৃহস্থজনে আগন্তুকৰ বৰ্ণনা শুনি ব্যক্ত কৰে যে সেই বৰ্ণনা

মানুহগৰাকীৰ নহয়। আগন্তুকজনো অকনো বিচলিত নহে — “ মই থকা ঠাইৰ পৰা চাওঁক, মই দেখাৰ নিচিনাকৈয়ে আপুনিও দেখিব।” বুলি নিজৰ মত ব্যক্ত কৰে।

আগন্তুকজনৰ আত্মবিশ্বাস দেখি প্ৰথমজন অমল বৰুৱা ক্ৰমান্বয়ে বিচলিত হৈ আহে আৰু এসময়ত এটা মুদ্ৰাৰে চিৎ-পট্ কৰি কোনজন প্ৰকৃত অমল বৰুৱা সেয়া মীমাংসা কৰিব বিচাৰে। এই পৰীক্ষাত নিয়ম স্থিৰ কৰা হয় যে, যিজনে জিকিব তেওঁকেই বিজয়ী ঘোষণা কৰা হ'ব। টছ কৰোঁতে দুৰ্ভাগ্যবশত গৃহস্থ অমল বৰুৱা পৰাজিত হয়। আগন্তুকজনে তেওঁৰ কাষলৈ ক্ৰমান্বয়ে আগুৱাই আহে। অমল বৰুৱাই নিজৰ অস্তিত্ব হেৰুৱাৰ ভয়ত প্ৰাণ-পণে বিকটভাৱে চিৎকাৰ কৰি উঠে। হঠাৎ আগন্তুকজন থমকি ৰয় আৰু পৃথিৱীৰ আটাইতকৈ কোমলতম কাতেৰে কয়— “ভয় নকৰিব। এই ভয় প্ৰত্যেক মানুহৰ সহোদয়। প্ৰত্যেক মানুহেই নিজকে এনেকৈ ভয় কৰে।” এই গল্পটোত বৰ্ণিত ঘটনাৰাজী এনেদৰেই শেষ হৈছে।

সাধাৰণতে গল্পসমূহত দেখা পোৱা কোনো ধৰণৰ বিশেষ একোটা ঘটনাৰ বৰ্ণনা এই গল্পটোত অনুপস্থিত। প্ৰকৃতাৰ্থত ক'বলৈ হ'লে গল্পটোৰ নামটোতে গল্পটোৰ মূল বিষয়বস্তু সোমাই আছে— 'ভয়'ই গল্পটোৰ মূল বিষয়বস্তু। জীৱনৰ প্ৰতিটো মুহূৰ্ততে আমি সকলোৱে এক নহয় এক অনামী ভয়ৰ গ্ৰাহত সোমাই থাকে। স্বাধীনোত্তৰ কালত এই ভয়েই যেন আমাৰ সকলোৰে সহচৰ হৈ পৰিছে। ঠিক আমাৰ ছাঁৰ দৰে। এইবাবেই গল্পকাৰে সাম্প্ৰতিক সময়ৰ মানুহৰ মানসিক অৱস্থিতিৰ কথা প্ৰতীকধৰ্মী ধৰণে প্ৰকাশ কৰিবলৈকে এই গল্পটো ৰচনা কৰিলে বুলি অনুধাৱন কৰিব পাৰি। সেই দিশৰ পৰা গল্পটোৰ নামকৰণ সাৰ্থক হৈছে।

### ৭.৫.২ সাধাৰণ আলোচনা

ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে এই গল্পটোত বিশেষ কোনো ধৰণৰ কাহিনী নাই। অমল বৰুৱা নামৰ ব্যক্তি এজনে সন্মুখীন হোৱা এক ধৰণৰ অগতানুগতি বা অস্বাভাৱিক পৰিস্থিতি বৰ্ণনা কৰি লিখা হৈছে। গল্পটো পঢ়ি থাকিলে আমাৰ ধাৰণা হয় যে ইয়াৰ বৰ্ণিত হোৱা দুজন অমল বৰুৱা প্ৰকৃততে একেজন অমল বৰুৱাৰে দুটা ৰূপ।

মন কৰিবলগীয়া যে দ্বিতীয় বিশ্বযুদ্ধৰ পাছতে সমগ্ৰ বিশ্বতে আৰম্ভ হ'ল সামাজিক মূল্যবোধৰ অৱক্ষয়— মানৱীয় মূল্যবোধৰ অধঃপতন, বস্তুবাদী ভোগবিলাসৰ আদৰণি আদি। এই ভাবধাৰাই অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতখনক প্ৰভাৱিত কৰে। এই বিশ্বযুদ্ধই লেখকসকলৰ মনোজগতলৈ কঢ়িয়াই আনিলে জীৱনৰ প্ৰতি ন ন দৃষ্টিভংগী। সমগ্ৰ পৃথিৱীতে সৃষ্টি হোৱা নৈৰাশ্যবাদ, নিঃসংগতাবোধ আদিয়েও অসমক চুই গৈছিল। সেই সময়ত সমগ্ৰ বিশ্বতে তোলপাৰ লগোৱা বিজ্ঞানৰ ন ন আৱিষ্কাৰ, যেনে— হাইজেনবাৰ্গৰ অনিশ্চয়তাৰ নীতি, আইনষ্টাইনৰ আপেক্ষিকতাবাদ, মানুহৰ অন্তৰ্লোক সম্পৰ্কে ফ্ৰয়েডৰ মনোবৈজ্ঞানিক তত্ত্ব, জাঁ পল ছাৰ্তৰ প্ৰভৃতি চিন্তানায়কৰ অস্তিত্ববাদী চিন্তা, আলবেয়াৰ কেম্যুৰ এবছাৰ্ড ধাৰণা, নীৎচে ঘোষণা কৰা ঈশ্বৰৰ মৃত্যু সম্পৰ্কীয় ধাৰণা, লুই আৰাগঁ, পল এলুৱাৰ আদিৰ পৰাবাস্তৱবাদী নৈৰাজ্যবাদ আদিয়ে সৃষ্টি কৰা জীৱনৰ অন্তঃসাৰশূন্যতা, বিশ্বাসহীনতা, ছিন্নমূল ধাৰণাৰ প্ৰভাৱ আদিয়েও অসমক চৌৱাই গৈছিল। সেইদৰে যোৱা দুয়োখন মহাযুদ্ধ, মানুহে মানুহৰ প্ৰতি কৰা আচৰণ, বিজ্ঞানৰ ন ন আৱিষ্কাৰ আদিৰ বাবে ধ্বংস হোৱা মানৱীয়তাৰ বিৰুদ্ধে তথা মানৱ সভ্যতাৰ ব্যৰ্থতা, জীৱনৰ অগতানুগতিকতা আৰু যান্ত্ৰিকতাৰ বিৰুদ্ধেও আন এক সামাজিক চেতনা সৃষ্টি হ'ল সাহিত্যৰ মাজত। প্ৰথম অৱস্থাত এইবোৰ ভাবধাৰা ভাৰতীয় তথা অসমীয়া সাহিত্যত বিৰল আছিল যদিও

লাহে লাহে পাশ্চাত্যৰ সংস্পৰ্শলৈ অহাৰ পিছৰে পৰা অসমীয়া বিভিন্ন সাহিত্যধাৰাৰ লগতে গল্প সাহিত্যলৈও প্ৰৱাহিত হ'ল। এই 'ভয়' গল্পটোতো আমি এনে ধাৰণাৰ প্ৰকাশ ঘটা দেখিবলৈ পাওঁ। জীৱনৰ অন্তঃসাৰশূন্যতা, বিশ্বাসহীনতা, ছিন্নমূল ধাৰণাৰ প্ৰভাৱ এই গল্পটোত সুন্দৰ ৰূপত প্ৰতিভাত হৈছে। গল্পটোৰ কাহিনীভাগ বিশ্লেষণ কৰিলেই আমি দেখিবলৈ পাওঁ যে অমল বৰুৱাৰ মানসিকতাত এই কথা কেইটাই ক্ৰিয়া কৰি আছিল।

যোদ্ধোত্তৰ কালতে স্বীকৃত হয় মানুহৰ চেতন মনৰ লগতে অৱচেতন মনৰ স্থিতি, লগতে মানুহৰ চেতনাৰ বহুতৰপীয়া অৱস্থিতিৰ কথাও। আধুনিক মনস্তত্ত্বৰ জনক 'ফ্ৰয়ড' আৰু 'য়ুঙে' ঊনবিংশ শতাব্দীৰ অন্ত আৰু বিংশ শতাব্দীৰ আদিতে ঘোষণা কৰা মানুহৰ চেতনাৰ বহুতৰপীয়া প্ৰকৃতি, একে সময়তেই এজন মানুহৰ চেতনাত কেইবাটাও কথাই ক্ৰিয়া কৰি থাকিব পাৰে। সেয়ে মানুহ মানুহৰ মাজত থাকিও একক আৰু নিঃসংগ। কোনেও কাৰো লগত যোগসূত্ৰ স্থাপন কৰিব নোৱাৰে কাৰণ প্ৰত্যেকেই নিজৰ নিজৰ আন্তৰিক সময়ত বাস কৰে। আজিৰ এই যান্ত্ৰিক পৃথিৱীখনত আমি সকলোৱেই একো একোটা দ্বীপত পৰিণত হৈছোঁ। আমি সামাজিকভাৱে থাকিও ইজনে সিজনৰ লগত কোনো ধৰণৰ সম্পৰ্ক গঢ়িব নোৱাৰোঁ আৰু তাৰ ফলতেই আমাৰ মনত সৃষ্টি হৈছে অনামি ভয়। এই পৰিস্থিতিৰ পৰা আমি কোনেও হাত সাৰিব পৰা নাই। এই গল্পটিতো এনে এটা পৰিস্থিতিয়েই সৃষ্টি কৰা হৈছে। দৰ্শনত ইয়াৰ Lack of Communication বুলি অভিহিত কৰা হয়। এই ভয়ৰ গ্ৰাহত পৰা মানুহে অমল বৰুৱাৰ দৰে পৰিস্থিতিৰ সন্মুখীন হয়। সামগ্ৰিকভাৱে 'ভয়' গল্পটোৰ অন্তনিৰ্হিত ভাববস্তু মানুহৰ অন্তৰ্জগতৰ লগতে সম্পৰ্কীত হৈ আছে। এক কথাত ক'ব পাৰি যে বৰগোহাঞিৰ এই গল্পটোৰ মূল উপজীব্য মানুহৰ জটিল মনস্তত্ত্ব।

এই গল্পটিত দেখা পোৱা আন এটা বিশেষ বিশেষত্ব হ'ল— সময় চেতনা। এই গল্পটোত বহু সময়ত সময়ৰ গতানুগতিক চক্ৰটোক অগ্ৰাহ্য কৰা হৈছে। পূৰ্বৰ দৰ্শনশাস্ত্ৰৰ ধাৰণা আছিল যে সময় বা কাল অজস্ৰ বিচ্ছিন্ন বিন্দুৰ এটা লানি। অথবা ক'ব পাৰি, সময় এটা বিন্দুৰ পৰা আন এটা বিন্দুলৈ জঁপিয়াই জঁপিয়াই যায়। কিন্তু ঊনাবিংশ শতিকাৰ শেষৰফালে ফৰাচী দাৰ্শনিক হেন্‌ৰি বেৰ্গচঁ আৰু মাৰ্কিন দাৰ্শনিক উইলিয়াম জেইমচে এই কথা নাকচ কৰি মন্তব্য কৰিলে এনেদৰে —

> Consciousness, then does not appear to itself chopped up in bits .. It is nothing joined; it flows ... Let us call it the stream of thought, of consciousness,or of subjective life...(Henri Bergson)
>
> ... a succession of qualitative changes, which meet in to and permeate one another, without precise outlines without any tendency to enternalise themselves in relation to one another. (William James)

বেৰ্গচেঁ এই সময়ক দুটা শ্ৰেণীত বিভক্ত কৰিছে— 'আন্তৰিক সময়' (time in mind or inner time) আৰু 'যান্ত্ৰিক সময়' (clock time or mechanical time)। দৈনন্দিন জীৱনত আমি সাধৰণতে যি সময় বিভাজন মানি চলোঁ সেয়া যান্ত্ৰিক সময় আৰু আমাৰ ব্যক্তিগত জীৱনত এনে এবিধ সময় আছে যি ঘড়ীৰ কাটাত ধৰা নিদিয়ে সেয়াই আন্তৰিক সময়। অনুভূতি জগতত বুৰ গৈ থকা প্ৰতিজন মানুহ এই আন্তৰিক সময়তেই বাস কৰে। এই গল্পটোতো অমল বৰুৱা প্ৰকৃততে বুৰ গৈ আছে তেওঁৰ আন্তৰিক সময়ত। এইখিনিতে ষ্টেফেন হকিন্সৰ এযাৰ কথা স্মৰণযোগ্য। তেওঁ 'A Brief History of Time'-ত উল্লেখ কৰিছে— "সময়ৰ গতি প্ৰবাহত

তাপগতি বিজ্ঞান (Thermodynamic), মনস্তাত্বিক (Psychological) আৰু মহাজাগতিক (Cosmological) এই তিনিটা ধাৰাৰ আমি কথা বিবেচনা নকৰোঁ যদিও সময়ৰ গতি প্ৰবাহ এই তিনিটা বিশিষ্ট ধাৰাৰ মাজেদি চলে।" আমাৰ আলোচ্য গল্পটোতো সেই বৈশিষ্ট্যটো সুন্দৰ ৰূপত ফুটি উঠিছে। সেইবাবেই আগন্তুক অমলে কৈছে — "এটা বিন্দুত সময় মোৰ কাৰণে কেতিয়াবাই স্তব্ধ হৈ গ'ল।" আৰু "মই থকা ঠাইৰ পৰা চাওঁক, মই দেখাৰ নিচিনাকৈয়ে আপুনিও দেখিব।"

দুয়োজন অমল বৰুৱাৰ মাজৰ সৃষ্টি হোৱা যুক্তি-তৰ্কই মনত পেলাই দিয়ে যে আজিৰ প্ৰতিজন মানুহৰ মনোজগতত একে ধৰণৰ নহ'লেও সামঞ্জস্য থকা অস্বাভাৱিক যুক্তি-তৰ্কৰ এখন কাজিয়া প্ৰতিটো মুহূৰ্ততে আমি বহন কৰি থাকোঁ। এয়া আধুনিকতাৰেই নামান্তৰ। এই গল্পটোতো একে ধাৰণাই ব্যক্ত হৈছে।

এই গল্পটোত এটা মাত্ৰ কেন্দ্ৰীয় ভাব আৰু এটা বিশেষ পৰিস্থিতি অংকন কৰি গল্পকাৰে চুটিগল্পৰ প্ৰধান বৈশিষ্ট্যটো সাৰ্থকভাৱে ৰক্ষা কৰিছে। মানুহৰ অন্তৰ্লীন জীৱন বীক্ষাক আধুনিক ধাৰণাৰে, বিজ্ঞানসন্মতভাৱে প্ৰকাশ কৰাৰ ক্ষেত্ৰত গল্পকাৰে সফলতা লাভ কৰিছে। গল্পটোৰ কাব্যিক অভিব্যঞ্জনাত আৰু পৰিণতিমুখী উৎকণ্ঠা ৰক্ষা কৰা গল্পকাৰে ৰসোত্তীৰ্ণভাৱে সফলতা লাভ কৰিছে।

গল্পটোৰ প্ৰতীকি ব্যঞ্জনা অতি গভীৰ আৰু আৰম্ভণিখিনি চিন্তাকৰ্ষক। 'যন্ত্ৰণাত জেউতি', 'বিষণ্ণ মৰ্মৰণি' আদি শব্দাংশ গল্পকাৰৰ নিজা সৃষ্টি আৰু এইবোৰে গল্পটোক অৰ্থঘন মাত্ৰা প্ৰদান কৰিছে। গল্পটোত ব্যৱহৃত প্ৰতীক-চিত্ৰকল্পই বৰ সুন্দৰ ব্যঞ্জনা বহন কৰিছে। সম্প্ৰতিক সময়ৰ বিভিন্ন পটভূমিৰ পৰা বুটলি অনা কেতবোৰ উপমা, চিত্ৰকল্পই কাব্যময় ব্যঞ্জানা প্ৰদান কৰিছে। উদাহৰণস্বৰূপে গল্পটোৰ দুটিমান বাক্যাংশ উল্লেখ কৰা হ'ল—

(ক) ভৰিৰ গছকত শুকান পাত মৰ্মৰাই উঠাৰ দৰে আগন্তুকৰ ভৰিৰ গছকত পিষ্ট হোৱা নীৰৱতাৰ বুকুৰ পৰা এটা বিষণ্ণ মৰ্মৰণি শব্দ উঠিল।

(খ) নিৰাশাৰ সীমাত আহি উপনীত হোৱা মানুহৰ দৰে মই শূন্য দৃষ্টিৰে তেওঁলৈ চাই পঠিয়ালোঁ।

(গ) আদিম অৰণ্যাণী ধুমুহাত আন্দোলিত। ইত্যাদি।

ইতিমধ্যে হোমেন বৰগোহাঞিৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহৰ আলোচনাৰ প্ৰসংগত আমি উল্লেখ কৰিছোঁ যে— 'নিঃসংগ চেতনা' এওঁৰ গল্পৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য। অন্তৰ্মুখী চিন্তাৰ প্ৰকাশৰ বাবে নিঃসংগ চেতনাৰ প্ৰকাশ কৰাটো অতিকে প্ৰয়োজন। এই গল্পটোতো আমি সেয়া অনুধাৱন কৰিব পাৰোঁ। গল্পটোৰ আৰম্ভণিতে অমল বৰুৱাই সুৰ্যাস্তৰ সময়ত অকলে বাৰান্দত বহি "মোৰ মূৰত আছে এটা সূৰ্য আৰু হৃদয়ত আছে এটা ধুমুহা।" বুলি ভাবি থকা কথাটোৱে আমাক তেওঁৰ নিঃসংগ চেতনাৰ কথা আমাৰ মনলৈ আনে। মন কৰিবলগীয়া যে ইয়াত বৰ্ণিত হোৱা সময়চোৱা হৈছে সন্ধিয়া, সন্ধিয়া সময়ত এজন মানুহে ডুব যাবলৈ ধৰা বেলিটোলৈ চাই এনে ধৰণে কথা পাগুলি থকা অৱস্থাটো বৰ্ণনাই ক'ব নোৱাৰাকৈ আমাৰ বুকুখনত এক গভীৰ দুখবোধৰ সৃষ্টি কৰে আৰু ক'ব নোৱৰাকৈয়ে 'মৃত্যু চেতনা'ৰ কথাও মনলৈ আনে।

এই গল্পটোত কেনো ধৰণৰ বিশেষ চৰিত্ৰ নাই বুলিয়েই ক'ব পাৰি। আধুনিক মানুহৰ অন্তৰ্লোকৰ বাৰ্তা দিবলৈকে গল্পকাৰে অমল বৰুৱাৰ চৰিত্ৰটো টানি আনিছে। অৱশ্যে সামগ্ৰিকভাৱে গোটেই গল্পটোতে গল্পকাৰে আৰম্ভণিতে সৃষ্টি কৰা পৰিস্থিতিটো বজাই ৰাখাত সফলতা লাভ কৰিছে, চৰিত্ৰটোৰ মানসিক স্থিতি প্ৰকাশ কৰাতো সফল হৈছে। সামৰণিত ক'ব পাৰি যে মানুহৰ

অন্তৰ্জগতলৈ কৰা যাত্ৰাৰ সুন্দৰ অভিযান এই গল্পটোৰ মূল উপজীৱ্য। অস্থিৰ, একাকী আৰু নিঃসংগ আৰু বিচিত্ৰ ভাবনাসমৃদ্ধ চৰিত্ৰসমূহে বৰগোহাঞিৰ আকৰ্ষণ কৰিছিল বুলি আমি ইতিমধ্যেই কৈ আহিছোঁ। এই গল্পটোতো তাৰে সাৰ্থক প্ৰকাশ ঘটিছে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

হোমেন বৰগোহাঞিৰ এই গল্পটোত কেনেদৰে 'সময় চেতনা'ৰ কথা প্ৰকাশ পাইছে সেই বিষয়ে চমুকৈ লিখক। (৭০ টা শব্দৰ ভিতৰত)

.........................................................................................................

.........................................................................................................

.........................................................................................................

## ৭.৬ সাৰাংশ (Summing up)

ৰামধেনু যুগত গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰা বিশিষ্ট কথাশিল্পী হোমেন বৰগোহাঞিয়ে লিখা গল্পৰ সংখ্যা বৰ বেছি নহয় যদিও মুষ্টিমেয় কেইটামান গল্প লিখিয়েই তেওঁ অসমীয়া গল্প সাহিত্যত এক বিশেষ আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছে। তেওঁ কম সংখ্যক গল্পৰ মাজেদিয়েই এক বিশাল আৰু গভীৰ ভাৱবস্তু প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ এটা উল্লেখযোগ্য গল্প 'ভয়'ৰ বিষয়ে এই বিভাগটোত বহলাই আলোচনা কৰা হ'ল। বিভাগটোত বৰগোহঞিৰ জীৱন তথা কৃতি সম্পৰ্কে কিছু ধাৰণা প্ৰদান কৰি তেওঁৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহৰ সম্পৰ্কেও আলোচনা সন্নিবিষ্ট হৈছে।

মানুহৰ অন্তৰ্লোকলৈ কৰা যাত্ৰাৰ সুন্দৰ অভিযান এই গল্পটোৰ মূল উপজীৱ্য। অস্থিৰ, একাকী আৰু নিঃসংগ আৰু বিচিত্ৰ ভাবনাসমৃদ্ধ চৰিত্ৰসমূহে বৰগোহাঞিৰ আকৰ্ষণ কৰিছিল আৰু এই গল্পটোতো তাৰে সাৰ্থক প্ৰকাশ ঘটিছে। লগতে এই গল্পটোত সময় চেতনাই এক বিশেষ স্থান অধিকাৰ কৰি আছে। বিভাগটোত সেই বিষয়ে যথাসম্ভৱ পৰ্যালোচনা আগবঢ়োৱা হ'ল। বিভাগটোয়ে আপোনাক বৰগোহাঞিৰ জীৱন আৰু কৃতিৰ লগতে 'ভয়' শীৰ্ষক গল্পটোৰ মূল বিষয়বস্তুৰ লগত ভালদৰে পৰিচয় কৰাই দিব। অৱশ্যে আপুনি মূল গল্পটো কেইবাবাৰো পঢ়াতো অতিকে বাঞ্ছনীয়।

## ৭.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) হোমেন বৰগোহাঞিৰ সাহিত্যকৃতি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

২) হোমেন বৰগোহাঞিৰ জীৱন আৰু কৃতিৰ বিষয়ে লিখক।

৩) হোমেন বৰগোহাঞিৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰক। আলোচনাৰ প্ৰসংগত তেওঁৰ বিভিন্ন গল্পৰ পৰা উদাহৰণ দাঙি ধৰাটো বাঞ্ছনীয়।

৪) যুদ্ধোত্তৰ যুগৰ সমাজখনৰ চিত্ৰ ভয় গল্পটোৰ মাজেদি কিদৰে ফুটি উঠিছে। বিশ্লেষণ কৰক।

৫) হোমেন বৰগোহাঞিৰ গল্পত প্ৰতীক আৰু চিত্ৰকল্পই এক বিশেষ ভূমিকা গ্ৰহণ কৰে— 'ভয়' গল্পটোৰ আধাৰত কাথাযাৰ বিচাৰ কৰক।

৬) 'ভয়' গল্পটোত হোমেন বৰগোহাঞিৰ গল্পত দেখা পোৱা কোনবোৰ প্ৰধান বৈশিষ্ট্য ৰক্ষিত হৈছে উদাহৰণসহ বিচাৰ কৰক।

৮) 'ভয়' গল্পটোত 'নিঃসংগ চেতনা', 'মৃত্যু চেতনা' আৰু 'সময় চেতনা' কেনেদৰে প্ৰতিভাত হৈছে উদাহৰণসহ বিচাৰ কৰক।

## ৭.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Reading)


ত্ৰৈলোক্যনাথ গোস্বামী ঃ *আধুনিক গল্প সাহিত্য*

উদয় দত্ত ঃ *চুটি গল্প*

মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

হোমেন বৰগোহাঞি (সম্পা.) ঃ *অসমীয়া গল্প সংকলন (প্ৰথম খণ্ড)*

প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ *অসমীয়া চুটি গল্পৰ অধ্যয়ন*

পৰাগ কুমাৰ ভট্টাচাৰ্য ঃ*আধুনিক সাহিত্য ঃ চিন্তা আৰু সৃষ্টি*

শৈলেন ভৰালী ঃ *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ*

গোবিন্দ প্ৰসাদ শৰ্মা ঃ *উপন্যাস আৰু অসমীয়া উপন্যাস*

সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*

লীলাৱতী শইকীয়া বৰা (সম্পা.) ঃ *অসমীয়া চুটি গল্পৰ প্ৰবাহ*


* * *

## অষ্টম বিভাগ
## মামণি ৰয়ছম গোস্বামী ঃ ‘সংস্কাৰ’

**বিভাগৰ গঠন ঃ**


৮.১ ভূমিকা (Introduction)
৮.২ উদ্দেশ্য (Objectives)
৮.৩ মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতি
৮.৪ মামণি ৰয়ছম গোস্বামীৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য
৮.৫ সংস্কাৰ
 ৮.৫.১ গল্পটোৰ কাহিনীভাগ
 ৮.৫.২ সাধাৰণ আলোচনা
৮.৬ সাৰাংশ (Summing Up)
৮.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৮.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Reading)


### ৮.১ ভূমিকা (Introduction)

ইতিমধ্যে আমি হোমেন বৰগোহাঞিৰ গল্পৰ বিষয়ে কৰা আলোচনাৰ প্ৰসংগত আধুনিক অসমীয়া সাহিত্য সৃষ্টিত ‘ৰামধেনু যুগ’টোৱে এক বিশেষ স্থান অধিকাৰ কৰি অহাৰ কথা উল্লেখ কৰি আহিছোঁ। অসমীয়া সাহিত্যৰ বুৰঞ্জীত প্ৰধানতঃ ঔপন্যাসিকা হিচাপে এখন উচ্চতম আসনত উপবিষ্ট মামণি ৰয়ছম গোস্বামীয়েও এই ৰামধুনে যুগতে গল্পকাৰ হিচাপে ভুমুকি মাৰিছিল। মামণি ৰয়ছম গোস্বামীয়ে বৰ বেছি গল্প লিখা নাই, অৱশ্যে মাত্ৰ এমুঠিমান গল্প লিখিয়েই তেওঁৰ গল্প কথনৰ নৈপুণ্যৰ পৰিচয় দাঙি ধৰিছে। গোস্বামীয়ে তেওঁৰ উপন্যাসসমূহৰ দৰে গল্পসমূহতো নাৰী মনৰ আতি গোপন বাৰ্তা অতি নিৰ্ভিকভাৱে পাঠকৰ আগত তুলি ধৰিছে।

আমাৰ আলোচ্য এই বিভাগটোত মামণি ৰয়ছম গোস্বামীৰ সৰ্বজন সমাদৃত গল্প ‘সংস্কাৰ’ৰ বিষয়ে বহলাই আলোচনা কৰা হ’ব। নাৰী মনস্তত্ত্ব সাৰ্থকভাৱে প্ৰকাশ পোৱা এই গল্পটোৰ লগত জড়িত বিভিন্ন দিশৰ বিষয়ে এই বিভাগটোত বহলাই আলোচনা কৰা হ’ব। লগতে মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতি সম্পৰ্কে কিছু ধাৰণা প্ৰদান কৰি তেওঁৰ গল্পত সাধাৰণভাৱে দেখা পোৱা প্ৰধান বৈশিষ্ট্যসমূহৰ সম্পৰ্কেও উল্লেখ কৰা হ’ব। বিভাগটোৰ আধ্যয়নে আপোনাক ‘সংস্কাৰ’ গল্পটোৰ বিভিন্ন দিশৰ লগত পৰিচয় কৰাই দিব।

### ৮.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপুনি—

- মামণি ৰয়ছম গোস্বামীৰ জীৱন সম্পৰ্কে ধাৰণা লাভ কৰাৰ লগতে তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে জ্ঞাত হ’ব পাৰিব;
- মামণি ৰয়ছম গোস্বামীৰ গল্পসমূহত দেখা পোৱা সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব;

- গল্পকাৰ হিচাপে মামণি ৰয়ছম গোস্বামীয়ে প্ৰধানতঃ সমাজৰ কোনবোৰ দিশ গভীৰভাৱে অনুধাৱন কৰিছিল বা তেওঁৰ গল্পকাৰ সত্বাটোক সমাজৰ কোন বোৰ দিশে আলোড়িত কৰিছিল সেই বিষয়ে ফঁহিয়াই চাব পাৰিব;
- 'সংস্কাৰ' গল্পটোৰ বিষয়বস্তুৰ আভাস লাভ কৰি আধুনিক অসমীয়া চুটিগল্প হিচাপে গল্পটোৰ বিশ্লেষণ আগবঢ়াব পাৰিব; আৰু
- 'সংস্কাৰ' গল্পটোৰ মাজেদি গল্পকাৰ মামণি ৰয়ছম গোস্বামীয়ে কেনেদৰে অতি সাহসিকতাৰে নাৰী মনৰ গোপন ভাবৰ সম্ভেদ দিছে সেই কথা অনুধাৱন কৰি সামগ্ৰিকভাৱে তেওঁৰ গল্পকাৰ সত্বাটোৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

## ৮.৩ মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতি

জ্ঞানপীঠ বঁটাৰে সন্মনিত মামণি ৰয়ছম গোস্বামী অসমীয়া সাহিত্যৰ জগতত এক উজ্বল নক্ষত্ৰ। অৱশ্যে তেওঁৰ পিতৃ প্ৰদত্ত নাম আছিল ইন্দিৰা গোস্বামী। কামৰূপৰ আমৰঙা সত্ৰৰ সত্ৰাধিকাৰ পৰিয়ালৰ সদস্য উমাকান্ত গোস্বামীৰ দ্বিতীয় পত্নী অম্বিকা দেৱীৰ গৰ্ভত ১৯৪২ চনৰ ১৪ নৱেম্বৰ তাৰিখে ইন্দিৰা গোস্বামীৰ জন্ম হৈছিল। ইন্দিৰা গোস্বামীৰ পিতৃও এগৰাকী সফল শিক্ষাবিদ আছিল। উল্লেখযোগ্য যে তেওঁ চিলেটৰ 'মুৰাৰী চান্দ কলেজ'ৰ লগতে অসমৰ ঐতিহ্যমণ্ডিত 'কটন কলেজ'ত (১৯৩২ চনৰ পৰা) অৰ্থনীতি বিভাগৰ অধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। পৰৱৰ্তী সময়ত, ১৯৫০ চনত তেওঁ অবিভক্ত অসমৰ শিক্ষাধিকাৰ ৰূপেও নিযুক্ত হৈছিল।

জৱাহৰলাল নেহৰুৰ জন্ম দিনটোতে ইন্দিৰা গোস্বামীৰ জন্ম হোৱাত পিতৃয়ে এই নাম প্ৰদান কৰিছিল আৰু মাতৃয়ে চেনেহেৰে 'মামণি' বুলি মাতিছিল। তেওঁৰ প্ৰাথমিক শিক্ষা গুৱাহাটীৰ 'লতাশিল প্ৰাথমিক বিদ্যালয়'ত আৰম্ভ হৈছিল। ১৯৫০ চনত পিতৃ অবিভক্ত অসমৰ শিক্ষাধিকাৰ হিচাপে নিযুক্ত হোৱাত তেওঁলোকৰ শ্বিলঙলৈ যায় আৰু তাৰে 'পাইন মাউণ্ট স্কুল'ত নামভৰ্তি কৰিছিল। পৰৱৰ্তী সময়ত, ১৯৫৪ চনত তেওঁলোক পুনৰ গুৱাহাটীলৈ ঘূৰি অহাত তেওঁক 'তাৰিণী চৌধুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়'ত নামভৰ্তি কৰাই দিয়া হয়। এইখন বিদ্যালয়ৰ পৰা ১৯৫৬ চনত মেট্ৰিকুলেশ্বন পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ গুৱাহাটীৰে 'সন্দিকৈ ছোৱালী মহাবিদ্যালয়'ত নামভৰ্তি কৰে। অৱশ্যে পৰৱৰ্তী সময়ত 'কটন মহাবিদ্যালয়'ৰ পৰাহে তেওঁ স্নাতক উপাধি লাভ কৰে। মহাবিদ্যালয়ত পঢ়ি থকা কালছোৱাতে তেওঁৰ সৃষ্টিশীল মনটো জাগ্ৰত হৈছিল। সেই সময়ছোৱাত তেওঁৰ 'বন হংসিনী' নামৰ অনাতাঁৰ নাটখন আকাশবাণী গুৱাহাটী কেন্দ্ৰ যোগে সম্প্ৰচাৰিত হৈছিল।

১৯৫৫ চনৰ পৰা ১৯৬০ চনৰ সময়চোৱা মামণি গোস্বামীৰ দুৰ্যোগৰ কাল আছিল। ১৯৫৫ চনত তেওঁৰ পিতৃ কৰ্কট ৰোগৰ দ্বাৰা আক্ৰান্ত হৈ মৃত্যু মুখত পৰে। ১৯৬০ চনত তেওঁৰ প্ৰিয় খুৰাক চন্দ্ৰকান্ত গোস্বামীৰো আকস্মিক বিয়োগ ঘটে। এনে বিভিন্ন ঘটনাৰ বাবে অতি সংবেদনশীল তেওঁৰ মনত বাহ লালে নিঃসংগতাবোধে। আনকি এই নিঃসংগতাবোধ ইমানে তীব্ৰ হৈ পৰিছিল যে তেওঁ আত্মহত্যা কৰিবলৈকো আগবাঢ়িছিল আৰু তাৰ ফলত সম্ভাব্য মৃত্যুৰ দুৱাৰ দলিৰ পৰা তেওঁ উভতি আহিছিল। এনে ঘটনাৰ বাবে সমাজত তেওঁ সমালোচনাৰ পাত্ৰীও হ'ল। সেই দুযোগপূৰ্ণ সময়চোৱতে, ১৯৬৫ চনত দাক্ষিণাত্যৰ পৰা অসমলৈ অহা তৰুণ অভিযন্তা মাধবেন ৰয়ছম আয়েংগাৰৰ লগত তেওঁ বিবাহপাশত আবদ্ধ হয়।

বিবাহৰ এবছৰ পূৰ্বে গুৱাহাটী বিশ্ববিদ্যালয় অসমীয়া বিভাগৰ পৰা তেওঁ স্নাতকোত্তৰ উপাধি লাভ কৰিছিল। বিয়াৰ এবছৰ পাছতে তেওঁৰ জীৱনলৈ আৰু এটা গভীৰ সংকট নামি আহে। ১৯৬৭ চনত স্বামী মাধবেন কাশ্মীৰৰ চুইনা একোৰেডাক্টৰ মেনেজাৰ ৰূপে নিয়োজিত হৈ থকা অৱস্থাত উধামপুৰলৈ যাওঁতে মটৰ দুৰ্ঘটনাত মৃত্যুক সাবটি লয়। স্বামীৰ মৃত্যুৰ পিছত তেওঁ অসমলৈ ঘূৰি আহে আৰু গোৱালপাৰাৰ 'সৈনিক স্কুল'ত শিক্ষক হিচাপে যোগদান কৰে। অৱশ্যে বৰ বেছিদিন তেওঁ সেই স্কুলত থাকিব নোৱাৰিলে। তাৰ পৰা ওলাই আহি 'তুলসী দাসৰ ৰাম চৰিত মানস আৰু মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণ ঃ এটি তুলনামূলক অধ্যয়ন' শীৰ্ষক বিষয়টিলৈ অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু তত্ত্বাৱধানত গৱেষণা আৰম্ভ কৰে। গৱেষণাৰ কামতে ১৯৬৯ চনত তেওঁ বৃন্দাবনলৈ যাত্ৰা কৰিছিল। গৱেষণা কৰি থকা কালচোৱতে, ১৯৭১ চনত তেওঁ 'দিল্লী বিশ্ববিদ্যালয়'ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত অসমীয়া বিষয়ৰ অধ্যাপিকা হিচাপে নিযুক্ত হয়। ১৯৭৩ চনত তেওঁ কৰা গৱেষণাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট উপাধি প্ৰদান কৰে। পৰৱৰ্তী সময়ছোৱাত তেওঁ সাহিত্য, সংস্কৃতি আৰু বিদ্যায়তনিক বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত হৈ সাফল্য লাভ কৰিছিল আৰু সমগ্ৰ বিশ্বতে স্বীকৃতি লাভ কৰিছিল। এই গৰাকী কথাশিল্পীয়ে ৭০ বছৰ বয়সত ২০১১ চনৰ ২৯ নৱেম্বৰ তাৰিখে শেষ নিশ্বাস ত্যাগ কৰে।

মামণি ৰয়ছম গোস্বামীয়ে সাহিত্যৰ বিভিন্ন দিশত তেওঁৰ সৃজনী প্ৰতিভাৰ স্বাক্ষৰ ৰাখি হৈ গৈছে। তেওঁৰ সাহিত্যকৰ্মসমূহ তলত দিয়া ধৰণে বিভাজিত কৰি উল্লেখ কৰিব পাৰি—

**গল্প সংকলন ঃ** চিনাকি মৰম, কইনা, হৃদয় এক নদীৰ নাম, মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প, নিৰ্বাচিত গল্প

**উপন্যাস ঃ** চেনাবৰ সোঁত, নীলকণ্ঠী ব্ৰজ, অহিৰণ, মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস; সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ ইত্যাদি (এই গ্ৰন্থত এটা গল্প 'সংস্কাৰ' আৰু দুখন উপন্যাস 'উদয়ভানুৰ চৰিত্ৰ' আৰু 'সাপৰ চালৰ জোতা' সন্নিৱিষ্ট হৈছে), দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, আধা লেখা দস্তাবেজ (আত্মজীৱনীমূলক উপন্যাস), ঈশ্বৰী জখমী যাত্ৰী ইত্যাদি (এই গ্ৰন্থত দুটি গল্প, দুখন ৰচনা আৰু ইউৰোপ ভ্ৰমণৰ ভেটিত ৰচনা কৰা 'জখমী যাত্ৰী' নামৰ উপন্যাসখন সন্নিৱিষ্ট কৰা হৈছে), তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা, দাশৰথীৰ পুত্ৰৰ খোজ, থেংফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল, উপন্যাস সমগ্ৰ (তেৰখন উপন্যাসৰ সংগ্ৰহ)।

**গৱেষণামূলক কৃতি ঃ** Ramayana from Gonga to Brahmaputra, Ravana in Kandali's Assamese Ramayana and Tulsi's Ramcharitra Manas, Comparative Study of the Characters of Ravana and Sita, Bani Kanta Kakati, History of Assamese literature since 1947, Assamese Metres, Assamese Drama, Ramabhakti in Sankardeva, Ankia Nats of Assam, Birendra Kumar Bhattacharya's novel Mritunjoy.

**অনুবাদ কৰ্ম ঃ** মুন্সী প্ৰেমচান্দৰ চুটি গল্প, আধা ঘণ্টা সময় (মালয়ালম উপন্যাস 'আৰান জল্লিকা নেৰাম'ৰ অসমীয়া অনুবাদ), কলম (হিন্দী, উৰ্দু, পাঞ্জাবী, বাংলা, কাৰ্বি গল্পৰ সংকলন), শৰীষৰূপৰ কথা (শ্ৰীজী টাজিয়া আৰু কেঙুৰ জাপানী গল্পৰ অসমীয়া অনুবাদ), জাতক কথা, আহ্নিক।

মামণি ৰয়ছম গোস্বামীৰ কেইবাখনো উপন্যাসৰ আধাৰত চলচিত্র তথা কেইবাখনো ধাৰাবাহিক নির্মাণ হোৱাৰ লগতে ৰাষ্ট্রীয়-আন্তঃৰাষ্ট্রীয় বিভিন্ন বঁটাও লাভ কৰিছে। ‘দিল্লী বিশ্ববিদ্যালয়’ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অধ্যাপিকা হিচাপে কর্মৰত ইন্দিৰা গোস্বামীয়ে ভালে সংখ্যক ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ৰ আলোচনা চক্র আৰু কর্মশালাত যোগদান কৰাৰ লগতে গৱেষণা পত্র পাঠ কৰিছিল। তেওঁ মূলতঃ ৰামায়ণী সাহিত্য সম্পর্কে গভীৰভাৱে অধ্যয়ন কৰিছিল। মামণি ৰয়ছম গোস্বামী ৰাজহুৱা জীৱনতো এগৰাকী সক্রিয় ব্যক্তি আছিল। বিভিন্ন শৈক্ষিক, সামাজিক, সাহিত্য-সংস্কৃতিৰ লগত জড়িত অনুষ্ঠান-প্রতিষ্ঠানৰ সৈতে তেওঁ সম্পর্ক ৰক্ষা কৰি চলিছিল। আনকি অসমৰ সন্ত্রাসবাদী সমস্যাৰ সমাধানৰ বাবেও তেওঁ বিশেষভাৱে যত্নপৰ হৈছিল।

মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ সাহিত কৃতিৰ বাবে বিভিন্ন সময়ত বিভিন্ন সন্মানেৰে সন্মানিত হৈছিল। তাৰে ভিতৰত উল্লেখযোগ্য কেইটিমান হ’ল— ১৯৮৩ চনত ‘মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস’ৰ সাহিত্য অকাডেমি বঁটা, ১৯৮৮ চনত তেওঁ অসম সাহিত্য সভাৰ পৰা লাভ কৰা ‘বাসন্তী দেৱী সাহিত্য বঁটা’, ১৯৮৯ চনত ‘ভাৰত নির্মাণ বঁটা’, ১৯৯৩ চনত ‘কথা’ পুৰস্কাৰ লাভ, ১৯৯৬ চনত কমল কুমাৰী ফাউণ্ডেচন বঁটা, ২০০১ চনত ভাৰতীয় সাহিত্যক্ষেত্রৰ শ্রেষ্ঠতম সন্মান ‘জ্ঞানপীঠ’ বঁটা লাভ কৰে। ২০০২ চনত ভাৰত চৰকাৰে তেওঁক ‘পদ্মশ্রী’ সন্মান আগবঢ়াইছিল যদিও ব্যক্তিগত কাৰণত তেওঁ সেয়া গ্রহণ নকৰিলে। ২০০২ চনত তেওঁক ৰবীন্দ্র ভাৰতী বিশ্ববিদ্যালয়ে ‘ডিলিট’ উপাধি প্রদান কৰে, একে বছৰতে অসমৰ আহোম ক’র্টে তেওঁলৈ ‘মহীয়সী জয়মতী বঁটা’ আগবঢ়ায়। ২০০৬ চনত দক্ষিণ কোৰিয়াৰ চিউলস্থিত ইণ্টাৰ ৰেলিজিয়াছ এণ্ড ইণ্টাৰনেচনেল ফেডাৰেশ্বন অৱ ৱৰ্ল্ড পিচে তেওঁক 'Ambassador for Peore' বঁটাৰে সন্মানিত কৰিছিল। ২০০৮ চনত ফৰাচী চৰকাৰে তেওঁলৈ Principal Prince Claus Award সন্মান আগবঢ়ায়। ২০০৯ চনত তেওঁ ‘অশোক মোডী স্মৃতি স্মৃতি সমাজ সেৱা’ বঁটাৰ দ্বাৰা সন্মানিত হয়। ২০০৯ চনত দিল্লী বিশ্ববিদ্যালয়ে তেওঁক ‘প্রফেচাৰ এমেৰিটাছ’ৰ খিতাপ প্রদান কৰিছিল। এনেদৰে বিভিন্ন বঁটা-বাহনেৰেও তেওঁ বিভিন্ন সময়ত সান্মনিত হৈছিল।

**আত্মমূল্যায়ণ প্রশ্ন**

অসমীয়া গৱেষণামূলক সাহিত্যলৈ মামণি ৰয়ছম গোস্বামীৰ অৱদান সম্পর্কে এটা টোকা প্রস্তুত কৰক। (৯০ টা শব্দৰ ভিতৰত)

.............................................................................................................

.............................................................................................................

.............................................................................................................

## ৮.৪ মামণি ৰয়ছম গোস্বামীৰ সাধাৰণ বৈশিষ্ট্য

মূলতঃ ঔপন্যাসিক হিচাপে সুউচ্চ আসন দখল কৰা মামণি ৰয়ছম গোস্বামীয়ে চুটিগল্প লিখিও যে তেওঁৰ মননশীলতাৰ পৰিচয় দাঙি থৈ গৈছে সেই বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। তেওঁৰ গল্পসমূহ অধ্যয়ন কৰিলে তাত আমি কিছুসংখ্যক বিশেষ বৈশিষ্ট্য ফুটি উঠা দেখিবলৈ পাওঁ। তলত তাৰে কেইটিমান উল্লেখ কৰা হ’ল—

- মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ উপন্যাসসমূহৰ দৰে গল্পসমূহৰ মাজেদিও মানৱতাৰ জয়গান গাইছে। মূলতঃ অন্তমুখীতাৰে জীৱনৰ বিভিন্ন দৃশ্য সাৰ্থকভাৱে তুলি ধৰাত তেওঁ সফল হৈছে। মামণি ৰয়ছমৰ “প্ৰায়বোৰ গল্পৰে কেন্দ্ৰবিন্দুত আছে সম্পৰ্কৰ প্ৰতি আগ্ৰহ আৰু একে সময়তে মৃত্যুৰ অস্তিত্ব সম্পৰ্কে সচেতনতা।” এই দুই অৱৰ্ততে তেওঁৰ গল্পসমূহ ঘূৰি থাকে। বহুসময়ত এই দুই বিপৰীতমুখী চেতনাৰ অৱস্থানৰ বাবে চেতন জগতৰ পৰা স্মৃতিৰ মুক্তি অসম্ভৱ হৈ ৰৈছে। সেইবাবে তেওঁ যেন প্ৰায়বোৰ গল্পৰ মাজেদি বাস্তৱ অভিজ্ঞতাই আনি দিয়া একো একোটা স্মৃতিৰ পৰা মুক্তি লাভৰ বাবে সংগ্ৰাম কৰি গৈছে— তেনে এক অনুভৱ হয়।
- মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ গল্পসমূহৰ মাজত দ্বন্দ্ব আৰু বিৰোধৰ সংঘাতেৰে মানুহৰ অপৰিসীম যন্ত্ৰণা আৰু বেদনাৰ প্ৰকাশ কৰিছে। তীব্ৰ সংবেদনশীলতাৰে, অন্তৰ্মুখীতাৰে জীৱনক বহুমুখী দৃষ্টিকোণৰ পৰা প্ৰতিভাত কৰিছে। চৰিত্ৰ বিশেষৰ মনৰ অন্তৰ্দ্বন্দ্ব প্ৰতিফলন কৰিবৰ বাবেই তেওঁ সংবেদনশীল অন্তৰ্মুখিতাৰ কৌশলটো ব্যৱহাৰ কৰে।
- মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ গল্পসমূহৰ নাৰী চৰিত্ৰবোৰক সাধাৰণতে দেখা পোৱা নাৰীসুলভ আচৰণৰ পৰা আঁতৰাই ৰাখিছে। অৱশ্যে তাৰ মাজেদি তেওঁ বাস্তৱ জগতত থাকিব পৰা চৰিত্ৰ এটাৰ বিশালতাৰ সম্ভাৱনীয়তাক অস্বীকাৰো কৰা নাই, অতিক্ৰমো কৰা নাই। বাস্তৱক বুজি উঠি তাকে অসম্পদিত যদিও কলাত্মক ৰূপত তুলি ধৰি, সৰ্বসাধাৰণৰ প্ৰতিবাদ আৰু যন্ত্ৰণা প্ৰকাশ কৰি পাঠকৰ মনোজগতখন আলোড়িত কৰিছে। অৰ্থাৎ জীৱনক যি ৰূপৰে তেওঁ প্ৰত্যক্ষ কৰিছে তাক সেই ৰূপতেই প্ৰকাশ কৰিছে।
- মামণি ৰয়ছম গোস্বামীৰ গল্পৰ চৰিত্ৰসমূহে মুক্তি সাধনা কৰিছে প্ৰেম আৰু যৌনতাক অৱলম্বন কৰি। Lawrence Birken এ কৈছিল— “ As economic man realised his freedom only by submitting to the low of market, so psychological man and women realize their freedom only by sumitting to the law of the sexual market.”ইয়াৰে জেৰ টানি আমি ক’ব পাৰোঁ যে মামণি ৰয়চম গোস্বামীৰ গল্পৰ চৰিত্ৰই দেহেৰে উপলব্ধি কৰিব লগা কথা দেহেৰেই উপলব্ধি কৰিছিল আৰু দেহেৰে প্ৰতিবাদ কৰিবলগীয়া কথা দেহেৰেই কৰিছিল।
- মামণি ৰয়ছম গোস্বামীৰ গল্পত সৌন্দৰ্য যেনেদৰে অনুপম ৰূপত ফুটি উঠে, ঠিক একেদৰে শ্বাসৰুদ্ধ, বীভৎস, ভয়ংকৰ পৰিৱেশো সমানে গুৰুত্ব সহকাৰে কলাত্মকভাৱে প্ৰকাশিত হয়।
- মামণি ৰয়ছম গোস্বামী গল্পত নিঃসংগ নাৰী চৰিত্ৰৰ দুৰ্দান্ত সাহস প্ৰকাশিত হয়। এয়াই তেওঁৰ গল্পৰ নাৰী চৰিত্ৰৰ চৰিত্ৰাঙ্কণৰ বৈশিষ্ট্য।
- নিৰ্মম বাস্তৱৰ প্ৰকাশতো গল্পকাৰ হিচাপে মামণি ৰয়ছম গোস্বামীয়ে সমানে গুৰুত্ব প্ৰদান কৰে। সেয়া তেওঁ চৰিত্ৰৰ শাৰীৰিক-মানসিক আচৰণৰ মাজেদি শিল্পসন্মত ভাষাৰে প্ৰকাশ কৰাত সফলতা লাভ কৰিছে। অৱশ্যে তেওঁৰ প্ৰায়বোৰ চৰিত্ৰৰ মনোজগতখন শূন্যতাবোধে ক্ৰিয়া কৰি থকা যেন অনুভূত হয়। সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তি সমানে চহোৱা তেওঁৰ গল্পৰ উৰ্বৰ ভূমিত অস্থিৰতাৰ প্ৰকাশ মনকৰিবলগীয়া।
- গল্পকাৰ গোস্বামীয়ে তেওঁৰ গল্পসমূহৰ মাজত চৰিত্ৰৰ মানসিক অৱস্থা প্ৰকাশৰ বাবে প্ৰাকৃতিক পৰিৱেশৰ ইন্দ্ৰিয়গ্ৰাহ্য উপমাৰ সহায় লয়। বহুসময়ত প্ৰাকৃতিক পৰিৱেশৰ বৰ্ণনাই কল্পচিত্ৰৰ

দৰে তেওঁৰ গল্পৰ চৰিত্ৰৰ মনোজগতখনৰ ভাৱনা সূক্ষ্মৰূপত ফুটাই তোলে। গোস্বামীৰ গল্পত প্ৰকৃতিজগতখনে এক বিশেষ ধৰণৰ বাঙ্ময় ৰূপ গ্ৰহণ কৰে। এই বৈশিষ্ট্যটোক প্ৰফুল্ল কটকীয়ে transferred personification ৰ লগত তুলনা কৰিব পাৰি বুলি মত পোষণ কৰিছে।

- গোস্বামীৰ গল্পৰ ভাষাশৈলী মন কৰিবলগীয়া। কাব্যিক ব্যঞ্জনাময় ভাষাৰ প্ৰয়োগ, প্ৰকৃতি জগতৰ আধাৰত চয়ন কৰা নিজস্ব ধৰণৰ উপমা আদিয়ে তেওঁৰ গল্পক বিশিষ্টতা প্ৰদান কৰিছে।

- আধুনিক সাহিত্যত জীৱনক নগ্নভাৱে চোৱা বা উপস্থাপন কৰা হয়। বিশেষভাৱে বাস্তৱক অধিক কাষৰ পৰা চোৱাৰ হেঁপাহত আজিকালিৰ সাহিত্যত নগ্নতাৰ প্ৰকাশ এক ধৰণৰ বিশেষ শৈলী বুলি চিহ্নিত কৰা হৈছে। গোস্বামীৰ গল্পতো আমি এই বৈশিষ্ট্যটো ৰক্ষা হোৱা দেখিবলৈ পাওঁ।

- মামণি ৰয়ছম গোস্বামীৰ গল্পসমূহত বিভিন্ন উপাদান, বিভিন্ন পৰিস্থিতি আৰু অভিজ্ঞতাৰ সুষম সমন্বয় সাধন হয়। অৱশ্যে তাৰ মাজতো তেওঁৰ গল্পসমূহৰ মাজত অন্তৰ্ভেদী বিষাদৰ সোঁত এটা অন্তঃসলীলা ফল্গুৰদৰে নিগৰি থাকে।

- গভীৰ মননশীলতা, অসামান্য অন্তদৃষ্টি, সূক্ষ্ম পৰ্যবেক্ষণ, পটভূমিৰ সংবেদনশীলতা মামণি ৰয়ছম গোস্বামীৰ গল্পবোৰত আৱলীলক্ৰমেই একীভূত হৈছে। ইয়াৰ মাজতে ফুটি উঠিছে মানৱদৰদী, অন্তৰ্মুখী আৰু সংবেদনশীল দৃষ্টিভংগী। তেওঁ গল্পসমূহত এই সকলোবোৰ জাল গোঁঠা দি গুঁঠি গুঁঠি একীভূত কৰি পেলাইছে; ইটোৰ লগত সিটোক অংগাংগী কৰি পেলাইছে। সাহিত্য আলোচনাত এই প্ৰক্ৰিয়াটোক the art of interaction বুলি কোৱা হয়।

- উদ্দেশ্যৰ একমুখীতা আৰু ফলশ্ৰুতিৰ একময়তা গোস্বামীৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য। তদুপৰি তেওঁ গল্পৰ পৰিশেষত পাঠকক প্ৰত্যয়জনকভাৱে বিস্ময়াভিভূত কৰি তোলে।

- গোস্বামীৰ গল্পসমূহৰ বহুতো গল্প পৰিস্থিতি প্ৰধান। অৱশ্যে তাত প্ৰতিটো চৰিত্ৰই পৰিস্থিতিৰ আঁৰত লুকাই নাথাকি স্বকীয়ভাৱে বিকশিত হয়। এয়া গল্পকাৰৰ সৃজনশীলতাৰ প্ৰকাশ।

- মামণি ৰয়ছম গোস্বামীৰ গল্পৰ নামকৰণ বহুলাংশে গভীৰ ভাবব্যঞ্জক। গল্পটোৰ নামকৰণৰ জৰিয়তেই গল্পকাৰ গৰাকীয়ে পাঠকক বিষয়বস্তু সম্পৰ্কে ধাৰণা প্ৰদান কৰাৰ লগতে এক গভীৰ ব্যঞ্জনা প্ৰকাশ কৰে।

- মামণি ৰয়ছম গোস্বামীয়ে গল্পত ব্যৱহাৰ কৰা উপমাবোৰ কেৱল বস্তুজাগতিক নহয়, বহুলাংশে মনোজাগতিক। ইয়াৰ মাজেদি গল্পকাৰৰ অৰ্থঘন বক্তব্য সুন্দৰ ৰূপত প্ৰকাশ পায়। উদাহৰণস্বৰূপে— 'শুকাই কৰ্কশ হোৱা বৰলৰ বাহৰ দৰে', 'কুঁহিয়াৰ চোবাই এৰা সিঠা এটুকুৰাৰ দৰে' বাক্যাংশ উল্লেখ কৰিব পাৰি।

- মন কৰিবলগীয়া যে গোস্বামীৰ অধিকাংশ উপন্যাসৰ পটভূমি অসমৰ বাহিৰৰ (কেৱল 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'খনৰ বাদে)। আনহাতে তেওঁৰ অধিকাংশ গল্পৰ পটভূমি কিন্তু অসমৰ গ্ৰাম্য সমাজখন।

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে মামণি ৰয়ছম গোস্বামীৰ গল্পত কেতবোৰ বিশেষ বৈশিষ্ট্য ৰক্ষিত হৈছে। আমাৰ আলোচ্য গল্পটোৰ আলোচনাৰ প্রসংগত এই বৈশিষ্ট্যবোৰ তাত কেনেদৰে ৰক্ষিত হৈছে সেয়া পৰৱৰ্তী অনুচ্ছেতসমূহত বহলাই আলোচনা কৰা হ'ব।

**আত্মমূল্যায়ণ প্ৰশ্ন**

মামণি ৰয়ছম গোস্বামীৰ গল্পত নাৰী মনস্তত্ত্বৰ কোনবোৰ দিশ প্রতিভাত হৈছে সেই বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক। (৭০ টা শব্দৰ ভিতৰত, প্ৰবন্ধটো প্ৰস্তুত কৰিবলৈ বিভাগটোৰ শেষত উল্লেখ কৰা প্ৰসংগ গ্ৰন্থসমূহৰ সহায় লওক।)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৮.৫ সংস্কাৰ

মামণি ৰয়চম গোস্বামীয়ে লিখা গল্পসমূহৰ ভিতৰত এটা আটাইতকৈ উল্লেখযোগ্য গল্প হ'ল 'সংস্কাৰ'। বহু সমালোচকে এই গল্পটোক ভাৰতীয় সাহিত্যৰ এক অন্যতম শ্ৰেষ্ঠ গল্প বুলিও অভিহিত কৰিব বিচাৰে। তলত অনুচ্ছেদ কেইটাত এই গল্পটোৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

### ৮.৫.১ গল্পটোৰ কাহিনীভাগ

আমাৰ আলোচ্য 'সংস্কাৰ' গল্পটোত ৰচিত হৈছে পীতাম্বৰ নামৰ ব্যক্তি এজনক কেন্দ্ৰ কৰি। অৱশ্যে গল্পটো কিন্তু চৰিত্ৰ প্ৰধান চুটিগল্প নহয়, পৰিস্থিতি প্ৰধান চুটিগল্পহে।

গ্ৰাম্য সমাজৰ এজন মুৰব্বী স্থানীয় ব্যক্তি পীতাম্বৰ মহাজনৰ বংশৰক্ষা কৰিবলৈ তেওঁৰ উত্তৰ পুৰুষৰ জন্ম নহ'ল। সেইবাবেই তেওঁ আজিকালি বৰ অস্থিৰ হৈ থাকে আৰু কিছু পৰিমাণে অস্বাভাৱিক হৈ পৰিছে। গাঁৱৰ মানুহৰ লগতে বংশ পৰিয়ালৰ লোকেও তেওঁক বেয়া ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। প্ৰথম গৰাকী ঘৈণীয়েকৰ মৃত্যুৰ দুমাহ নহওঁতেই পুত্ৰ সন্তানৰ হেঁপাহত তেওঁ দ্বিতীয় বিবাহো কৰিছিল। কিন্তু দ্বিতীয়গৰাকী পত্নীয়েও কোনো সন্তান জন্ম দিব নোৱাৰিলে আৰু তাই বৰ্তমান অসুখৰ বাবে শয্যাগত।

সেই নিৰ্দিষ্ট দিনটোত ঘৰৰ সন্মুখতে তেওঁ বহি আছিল। গল্পকাৰৰ ভাষাত তেওঁ যেন "মাটিৰ তলত কুৰকি কুৰকি এই দৃষ্টিৰে কিবা বুটলিবলৈ চেষ্টা কৰিছিল।" সেই অৱস্থাতে কৃষ্ণকান্ত পুৰোহিত আহি পীতাম্বৰৰ ঘা টুকুৰা খুচৰি দিয়েহি। আনকি বৰ্তমানৰ পৰিবাৰৰ মৃত্যু হ'লে বিবাহৰ চিন্তা কৰিছেনে নাই সেই কথাও সোধে। তেনে অৱস্থাতে দময়ন্তী নামৰ বিধবা ব্ৰাহ্মণ গৰাকী সেই ফালেদি পাৰ হৈ যায়। পুৰোহিতে তাইক কিবা সোধে। আমি প্ৰথমবাৰৰ বাবে তেতিয়াই দময়ন্তী নামৰ চৰিত্ৰটোৰ মুখামুখি হওঁ। কৃষ্ণকান্তৰ মুখেদি গম পাওঁ যে তাইৰ চৰিত্ৰ পূৰ্বেও ভাল নাছিল আৰু বৰ্তমানো বহু ধৰণৰ অসামাজিক কামত লিপ্ত হৈ থাকে। সেই সময়তে কৃষ্ণকান্তই নিজৰ বিপদৰ কথা (দুই ভাইৰ কন্দলৰ ফলত সৃষ্টি হোৱা) কোৱাৰ লগতে দময়ন্তীৰ জৰিয়তে তেওঁৰ বংশৰক্ষা কৰাৰ প্ৰস্তাৱ দিয়ে। আনকি তাইক তেওঁৰ সৈতে বিয়াত বহিবলৈ আৰু তেওঁৰ

সন্তান জন্ম দিয়াবলৈ মান্তি কৰোৱাৰ গধুৰ দায়িত্বটোও ল'ব বিচাৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে দময়ন্তীৰ এজনী ছবছৰীয়া ছোৱালীও আছে।

কৃষ্ণকান্ত পীতাম্বৰৰ ওচৰলৈ অহাৰ পাছতেই আমি গল্পটোৰ আন এটা চৰিত্ৰ— পীতাম্বৰৰ পৰিবাৰৰ লগত মুখামুখি হওঁ। অসুখৰ বাবে তাই বিছনাতে পৰি থাকে। কথা বতৰা একো নকয়; কিন্তু চকুৰ চাৱনিৰে নিজৰ মনৰ তলিখন কুৰুংকৈ তুলি ধৰে। এয়া অৱশ্যে গল্পকাৰৰ সফলতা। নিৰ্বাক চৰিত্ৰ এটাৰ চকুৰ চাৱনিৰে তাইৰ মানসিক স্থিতি ব্যক্ত কৰাত তেওঁ সফলতা লাভ কৰিছে।

পৰৱৰ্তী সময়ত কৃষ্ণকান্তই সকলো বন্দবস্ত কৰি এদিন পীতাম্বৰক দময়ন্তীৰ কাষলৈ পঠিওৱাৰ দিন ঠিক কৰে। আনকি সেই সন্তানটো যাতে তাই নষ্ট কৰি পেলাব নোৱাৰে তাৰো উচিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি কোৱাৰ লগতে শয্যাগত ঘৈণীয়েকক কানিৰ বড়ি এটা খুৱাই দিয়াৰ দিহা দিয়ে। নিৰ্দিষ্ট দিনটোত পীতাম্বৰ দময়ন্তীৰ কাষলৈ যাবলৈ ওলায়। তাইৰ সৈতে একেলগে কটায় আৰু আমি পৰৱৰ্তী সময়ত গম পাওঁ যে তাই গৰ্ভৱতী হৈছে। পীতাম্বৰেও সেই খবৰ কৃষ্ণকান্তৰ জৰিয়তে লাভ কৰে। তেওঁ এক সুন্দৰ দিবা স্বপ্নত ভোল যায়। কল্পনাৰ ৰাজ্যত বিচৰণ কৰি দময়ন্তীৰ গৰ্ভত স্থিতি লোৱা শিশুটোক যুৱক হিচাপে দেখা যায়। আনকি পুৰণা পেৰাৰ মাজত, পিতাকৰ অস্থিৰ মাজৰ পৰা বংশ পৰম্পৰাৰ চিহ্ন হিচাপে তেওঁ দি থৈ যোৱা সোণৰ মাদলিৰ সৈতে পোৱালমণি এধাৰি উলিয়াই আনি আনন্দত আত্মহাৰা হৈ থাকে। ঘৰত থকা শয্যাগত ঘৈণীয়েকক বেয়া ব্যৱহাৰ কৰে। মনৰ মাজত সমাজৰ সকলো সংস্কাৰ শেষ কৰি কেৱল মানুহৰ সমাজ গঢ়াৰ সপোনত বিভোৰ হয়। কাৰণ তেওঁৰ বংশৰক্ষাৰ বীজ বহন কৰা দময়ন্তী বাহ্মণ বিধৱা। তাই যেন সোনকালে আহি মহাজন পীতাম্বৰক বিয়া পাতিবলৈ ক'বহি এনে এটা হেঁপাহ খেদি খেদি দিন অতিবাহিত কৰে।

দময়ন্তীক পীতাম্বৰে ঢেঁখালত লগ ধৰাৰ তিনিমাহৰ পাছৰ দিন এটাত আবেলিৰ পৰাই বিৰাট ধুমুহা আহে। সেই ধুমুহাৰ মাজতো পীতাম্বৰ অনাগত পুত্ৰ সন্তানৰ কল্পনাত বিভোৰ হৈ থাকে। হঠাৎ কৃষ্ণকান্ত পুৰোহিতৰ মাত শুনি বাহিৰলৈ আহে। তেতিয়াই কৃষ্ণকান্তৰ মুখেৰে ব্যক্ত হয় — "তাই নষ্ট কৰি পেলাইছে। শূদিৰীয়াৰ বীজ তাই নকঢ়িয়ায়। তাই শাণ্ডিল্য গোত্ৰীয় বামুণ। তাই নষ্ট কৰি পেলাইছে। তোমাৰ সন্তান তাই নষ্ট কৰি পেলাইছে, পীতাম্বৰ... পীতাম্বৰ...।"

পীতাম্বৰৰ মূৰত যেন সৰগ ভাঙিহে পৰিল। ইয়াৰ পাছতেই গল্পটোৰ কাহিনীভাগ দ্ৰুত গতিৰে পৰিণতিৰ ফালে আগবাঢ়ি যায়। এদিন মাজৰাতি দময়ন্তীয়ে তাইৰ বাৰীৰ বিজুলী বাঁহৰ কাষৰ পৰা মাটি খন্দাৰ শব্দ শুনে। যি ঠাইত তাই পীতাম্বৰৰ উত্তৰ পুৰুষৰ মাংসপিণ্ডটো পুতি থৈ আহিছিল, ঠিক সেই ঠাইতে। মাক-জীয়েক দুয়ো খিৰিকীৰে চাই দেখে যে পীতাম্বৰে এটা লণ্ঠন লৈ সেই নিৰ্দিষ্ট ঠাইডোখৰ খান্দি আছে। তাই পীতাম্বৰ মহাজনক কিয় তেনে কৰিছে সেই সুধিবলৈ আটাহ পাৰে। মহাজনে একো নকৈ এবাৰ উভতি চাই পুনৰ খান্দিবলৈ ধৰে। দময়ন্তীয়ে কয় — " মই পুতি থৈছো সঁচা কথা, কিন্তু কি পাবি তাত— মাংসপিণ্ড এটাহে পৰি আছে।" পীতাম্বৰে মূৰ তুলি চাই কয়— "মোৰ সন্তান আছিল— এটা মাংসপিণ্ড টুকুৰাকে চুই চাম। মই মোৰ এই দুখন হাতেৰে মোৰ বংশধৰক চুই চাম।"

এনেদৰে অভাৱনীয় পৰিস্থিতি এটাত গল্পটোৰ পৰিসমাপ্তি ঘটিছে।

## ৮.৫.২ সাধাৰণ আলোচনা

মামণি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ' শীৰ্ষক এই গল্পটোৱে ইতিমধ্যে পাঠক সমাজত ব্যাপক সমাদৰ লাভ কৰাৰ লগতে বিভিন্ন ভাষালৈ অনূদিতও হৈছে। এই গল্পটো বিভিন্ন ধৰণে, ভিন্ ভিন্ দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিব পাৰি। উদগ্ৰ কামনা বাসনা, সামাজিক সংস্কাৰত তীব্ৰ সংঘাত, দৰিদ্ৰৰ যাতনা আদি সাৰ্থকভাৱে ইয়াত ফুটাই তোলা হৈছে।

মানবীয় আকাংক্ষাৰ বিৰোধাত্মক দ্বন্দ্ব আৰু আমাৰ সমাজত প্ৰচলিত মৌলিক সংস্কাৰ এই গল্পটোৰ মূল বক্তব্য বুলি অভিহিত কৰিব পাৰি। এফালৰ পৰা চাবলৈ গ'লে গল্পটোৰ 'সংস্কাৰ' নামটোৰ মাজতে আমি বহুমাত্ৰিক দৃষ্টিকোণ সোমাই থকা দেখিবলৈ পাওঁ। গল্পটোৰ সংস্কাৰ কেইটাও মাত্ৰাত গ্ৰথিত হৈ আছে। বহু সমালোচকে দময়ন্তীয়ে সমাজ বিপক্ষে তীব্ৰ সংগ্ৰাম কৰাৰ কথাটোত সংস্কাৰৰ প্ৰসংগ টানি আনে। আনহাতে আমি কিন্তু পীতাম্বৰৰ কথাৰ মাজতো সংস্কাৰৰ ছবি দেখিবলৈ পাওঁ। তেওঁৰ 'পুত্ৰ' কামনা এই ধৰণৰ সংস্কাৰ বাবে সৃষ্টি হোৱা মানসিকতা। "তিনিটা পুহকৰ লাগিলে ঘৰৰ চোতালৰ দূবৰি বনো জ্বলি-পুৰি শেষ হৈ যায়। তোমাৰ তিনিটা পুহকৰ লাগিছিল। চব জ্বলি পুৰি শেষ হৈ গৈছে।" — বুলি কৃষ্ণকান্তই ব্যক্ত কৰি সেই সংস্কাৰৰ কথাকে উনুকিয়াইছে। পীতাম্বৰৰ সন্তানৰ কামনা সৃষ্টি হৈছে সংস্কাৰৰ বাবে। পিতাকে দি যোৱা মণিধাৰি বাকচৰ মাজত থকা অস্থিৰ মাজৰ পৰা তুলি আনি সেই সংস্কাৰৰ কথাকেই ব্যক্ত কৰিছে। মন কৰিবলগীয়া যে দময়ন্তীৰ গৰ্ভত থকা সন্তানটো ছোৱালীওটো হ'ব পাৰে। সেয়া কিন্তু পীতাম্বৰে এবাৰো ভবা নাই। পুতেকৰ হাতত ধৰি ধনশ্ৰী নদীৰ পাৰে পাৰে ঘূৰি ফুৰাৰ কল্পনাত মত্ত হৈ আছে। পীতাম্বৰৰ বংশৰক্ষাৰ বাবে কেৱল পুত্ৰ সন্তানৰ কামনা কৰাটোও বৈষম্যমূলক সংস্কাৰৰে ফল। আনহাতে নিজৰ স্বাৰ্থৰ বাবেই তেওঁ — "উঃ সেইবোৰ শূদিৰ-বামুণ-গৰিয়া-মুছলমান নে খোলাকটিৰ তাল। মানুহহে লাগে আমাক, কাটিলে তেজ ওলোৱা মানুহ।" বুলিও চিন্তা কৰিছে। এনে বৈপৰীত্যৰ দ্বন্দ্ব মন কৰিবলগীয়া। এফালৰ পৰা চাবলৈ গ'লে এয়াও বংশৰক্ষাৰ সংস্কাৰৰ পৰাই সৃষ্টি হৈছে। পীতাম্বৰে স্বাভাৱিকভাৱে সমাজ সংস্কাৰৰ বাবে এনে চিন্তা কৰা নাই, এনে চিন্তাৰ মাজত সোমাই আছে তেওঁৰ স্বাৰ্থ। সেয়ে গল্পকাৰে শ্লেষাত্মকভাৱে ইয়াত সংস্কাৰৰ কথা উল্লেখ কৰিছে বুলি অনুধাৱন কৰাত আমাৰ অকনো অসুবিধা নহয়।

আনহাতে আন এক দৃষ্টিকোণেৰে বিচাৰ কৰিলে আমাৰ চকুত পৰে যে দময়ন্তীয়ে প্ৰতিবাৰ গৰ্ভপাত কৰা কথাটো নাৰীক যৌনতাৰ আহিলা হিচাপে ব্যৱহাৰ কৰি থকা পুৰুষকেন্দ্ৰিক মানসিকতাৰ বিৰুদ্ধে কৰা এক সজোৰ প্ৰতিবাদহে। ইতিমধ্যে আমি মামণি ৰয়ছম গোস্বামীৰ গল্পৰ বৈশিষ্ট্যৰ কথা আলোচনা কৰাৰ প্ৰসংগত Lawrence Birken-ৰ এষাৰ বক্তব্যৰ প্ৰসংগ টানি আনি উল্লেখ কৰিছিলোঁ যে গোস্বামীৰ গল্পৰ চৰিত্ৰই দেহেৰে উপলব্ধি কৰিব লগা কথা দেহেৰেই উপলব্ধি কৰে আৰু দেহেৰে প্ৰতিবাদ কৰিবলগীয়া কথা দেহেৰেই কৰে। দময়ন্তীয়েও নিজৰ জৈৱিক তাড়ণা দেহেৰেই উপলব্ধি কৰিছিল আৰু প্ৰতিবাৰ গৰ্ভপাত কৰি পুৰুষতান্ত্ৰিক সমাজখনক ব্যঙ্গ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। আনকি পীতাম্বৰক ক'ব পাৰিছিল— " মই পুতি থৈছো সঁচা কথা, কিন্তু কি পাবি তাত— মাংসপিণ্ড এটাহে পৰি আছে।" অৱশ্যে এই প্ৰতিবাদৰ লগত দময়ন্তীৰ অৰ্থনৈতিক কাৰণ এটাইও ক্ৰিয়া কৰি আছে। কিন্তু নঃসংগ নাৰী হিচাপে অংকন কৰা দময়ন্তীৰ চৰিত্ৰত আমি দুৰ্দান্ত সাহস প্ৰত্যক্ষ কৰোঁ। এয়াই গোস্বামীৰ গল্পৰ নাৰী চৰিত্ৰৰ চৰিত্ৰাঙ্কণৰ বৈশিষ্ট্য। কিন্তু এই চৰিত্ৰটোৰ প্ৰধান দুৰ্বলতা হ'ল পুৰুষকেন্দ্ৰিক সমাজখনে সৃষ্টি কৰা বৰ্ণ বিভাজন ব্যৱস্থাক তাই অতিক্ৰম কৰি যাব পৰা নাই। অৱশ্যে এই বক্তব্যৰ মূল ভত্তি

হ'ল কৃষ্ণকান্তৰ মুখত প্ৰকাশ হোৱা এষাৰ কথা— "তাই নষ্ট কৰি পেলাইছে। শূদিৰীয়াৰ বীজ তাই নকঢ়িয়ায়। তাই শাণ্ডিল্য গোত্ৰীয় বামুণ। তাই নষ্ট কৰি পেলাইছে। তোমাৰ সন্তান তাই নষ্ট কৰি পেলাইছে, পীতাম্বৰ... পীতাম্বৰ...।" কিন্তু মন কৰিবলগীয়া যে এই বক্তব্য প্ৰকাশ কৰিছে কৃষ্ণকান্তইহে, তাই নিজে নহয়। কৃষ্ণকান্তই সমগ্ৰ গল্পটোত দুবাৰ 'চতুৰ্থ বৰ্ণ'ৰ কথা উল্লেখ কৰিছে। আনহাতে দময়ন্তীৰ গৰ্ভধাৰণৰ লগত তেওঁৰ আৰ্থিক স্বাৰ্থও সাঙোৰ খাই আছে; সেয়ে এই ভাষ্য দময়ন্তীৰ ভাষ্য বুলি বিবেচনা কৰাটোও কিন্তু নিৰাপদ নহয়। কাৰণ কৃষ্ণকান্ত চৰিত্ৰটোৰ মাজত বৰ্ণবাদৰ অহংকাৰ স্পষ্ট ৰূপত ফুটি উঠিছে। এই দৃষ্টিকোণৰ পৰা দময়ন্তী চৰিত্ৰটোৰ এই দুৰ্বলতাটোক অগ্ৰাহ্য কৰিব পাৰি। দময়ন্তী চৰিত্ৰটোত সাধাৰণ নাৰীৰ মাজত দেখা পোৱা নাৰীসুলভ আচৰণ চকুত নপৰে যদিও আমি তাইৰ চৰিত্ৰটোৰ মাজত বাস্তৱ জগতত থাকিব পৰা চৰিত্ৰ এটাৰ বিশালতাৰ সম্ভাৱনীয়তাকো অস্বীকাৰ কৰিব নোৱাৰোঁ। ইয়াতেই গল্পকাৰৰ সাৰ্থকতা লুকাই আছে। এক অৰ্থত গল্পকাৰ সফল হৈছে। একোটা চৰিত্ৰৰ মাজত চিত্ৰিত হোৱা এনে বৈপৰীত্যই চৰিত্ৰবোৰক অধিক মনোগ্ৰাহী কৰি তোলে। আজিৰ সভ্যতাত আমি সকলোৰে নিজৰ দুটা বিপৰীত স্থিতিত বাস কৰোঁ। আমি ভাবো এটা, কৰো বেলেগ এটাহে। এনে মনোভাৱনা এই গল্পটোৰ মাজত সুন্দৰভাৱে প্ৰকাশ পাইছে।

এই গল্পটোৰ আন এটা দিশ অতিকে মন কৰিবলগীয়া। 'সংস্কাৰ' গল্পটোত নাৰীয়ে পুৰুষকহে অৰ্থনৈতিক সমৰ্থন আৰু যৌনতাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছে। এনে প্ৰকাশভংগী অসমীয়া সাহিত্যত বিৰল। গল্পটোত থকা বৰ্ণবাদৰ কথাখিনি বাদ দিলে ই কেৱল সামাজিক সংস্কাৰকেই সূচিত নকৰে। এগৰাকী নাৰীৰ নিজে সিদ্ধান্ত লোৱাৰ সামৰ্থ থকাৰ পিছতো দেহ আৰু আত্মা দুয়ো ক্ষেত্ৰতে নিষ্পেষিত হৈ ৰৈছে আৰু তাই প্ৰতিবাৰতে পুৰুষকেন্দ্ৰিক সমাজখনক পদানত কৰি নিজৰ সংস্কাৰ সাধনেৰে সাহসৰ সম্ভাৱনীয়তাক প্ৰতিপন্ন কৰিছে। মন কৰিবলগীয়া যে দময়ন্তীয়ে বহুসময়ত মৌনতাৰেই বহু কথা ব্যক্ত কৰিছে। তাইৰ চকুৰ চাৱনি, শৰীৰৰ অভিব্যক্তিৰে গল্পটোক গভীৰ ব্যঞ্জনা প্ৰদান কৰিছে। অৱশ্যে এই ক্ষেত্ৰত আমি পীতাম্বৰৰ দ্বিতীয় গৰাকী পৰিবাৰৰ কথা বিশেষভাৱে উল্লেখ কৰিব লাগিব।

পীতাম্বৰৰ দ্বিতীয় গৰাকী পৰিবাৰ অসুখৰ বাবে শয্যাগত অৱস্থাত আছে। সমগ্ৰ গল্পটোত তেওঁৰ মুখৰ এষাৰো বক্তব্য নাই। কেৱল চকুৰ চাৱনিৰেই বিভিন্ন সময়ত তেওঁৰ মনৰ ভাব, মনত চলি থকা দ্বন্দ্ব প্ৰকাশ কৰিছে। উদাহৰণস্বৰূপে— কৃষ্ণকান্তই পীতাম্বৰক দময়ন্তীৰ কথা প্ৰথমবাৰ কোৱাৰ সময়ত পীতাম্বৰৰ পৰিবাৰৰ কথা গল্পকাৰে প্ৰকাশ কৰিছে এনেদৰে— "...চকু দুটা ট-ট কৰে জ্বলি আছিল। কৃষ্ণকান্তই পীতাম্বৰক কি ক'ব বিচাৰিছে এই কথা জানিবলৈ তাই যেন উত্ৰাৱল হৈ আছে। দূৰৈৰপৰা অহা দৃষ্টিও যে এনে তীক্ষ্ন, হৃদয়স্পৰ্শী হ'ব পাৰে, এই কথা কৃষ্ণকান্তই আগে-পিছে গম পোৱা নাছিল।" এনেদৰে প্ৰতিটো প্ৰসংগৰ কথা চকুৰ চাৱনিৰে ব্যক্ত কৰি গল্পকাৰে চৰিত্ৰটোৰ মনৰ তলিখন কুৰুংকৈ তুলি ধৰাত সফলতা লাভ কৰিছে। সেইফালৰ পৰা আমি ক'ব পাৰোঁ যে মামণি ৰয়ছম গোস্বামীৰ গল্পত নিৰৱতাৰ ভাষাও প্ৰচণ্ড শক্তিশালী।

গল্পটোৰ প্ৰধান চৰিত্ৰ কৃষ্ণকান্ত প্ৰধানতঃ বংশৰক্ষাৰ বাবে দময়ন্তীৰ কাষ চাপিলেও তেওঁৰ মনতো যে জৈৱিক বাসনাই ভুমুকি মৰা নাছিল এনে নহয়। দেহেৰে উপলব্ধি কৰিবলগীয়া কথাখিনি কৃষ্ণকান্তইও দেহেৰেই উপলব্ধি কৰিছিল।

এই গল্পটোত বীভৎসতাৰ দিশো দৃষ্টিগোচৰ হয়। জীৱনৰ পৰিস্থিতিত মানুহে বহুসময়ত এনে নিৰ্মম কাৰ্য কৰে যে, তাত ন্যায়-অন্যায়ৰ বিচাৰ অপ্ৰাসংগিক হৈ পৰে। সেই সময়ত বীভৎসতা, নিৰ্মমতা, অতিবাস্তৱ যেন লগা ঘটনাই একমাত্ৰ সত্য যেন বিবেচিত হয়। 'সংস্কাৰ' গল্পটোতো

সেয়া প্ৰতিভাত হৈছে। কৃষ্ণকান্ত পুৰুহিতৰ ধূৰ্তালি, দময়ন্তীক পীতাম্বৰৰ সৈতে যোগাযোগ কৰাই দিবলৈ তেওঁ কৰা কাৰ্যকলাপ; পীতাম্বৰে দময়ন্তীক লগ ধৰি আহাৰ পাছত ঘৈণীয়েকৰ প্ৰতি কৰা ক্ৰুৰ আচৰণ, দময়ন্তীয়ে গৰ্ভপাত কৰিলে বুলি গম পোৱাৰ পাছত তেওঁ কৰা আচৰণ; দময়ন্তীয়ে গৰ্ভপাত কৰি সেয়া বাঁহৰ তলত পুতি থোৱা আদি বৰ্ণনাই এই বিভৎসতাৰ দিশটো তুলি ধৰে। বাস্তৱক বুজি তাকে অসম্পদিত যদিও কলাত্মক ৰূপত তুলি ধৰি পাঠকৰ মনোজগতখন আলোড়িত কৰিবলৈকে গল্পকাৰে এনে কৰিছে বুলি অনুধাৱন কৰিব পাৰি। অৰ্থাৎ জীৱনক গল্পকাৰে যি ৰূপৰে প্ৰত্যক্ষ কৰিছে সেই ৰূপতেই প্ৰকাশ কৰিছে। অৱশ্যে এটা কথা ঠিক যে, এনে শ্বাসৰুদ্ধ, বীভৎস, ভয়ংকৰ পৰিৱেশো সমানে গুৰুত্ব সহকাৰে, কলাত্মকভাৱে প্ৰকাশ কৰাত গল্পকাৰ গোস্বামী সফল হৈছে। ইতিমধ্যে আমি মামণি ৰয়ছম গোস্বামীৰ গল্পৰ বৈশিষ্ট্য আলোচনা কৰাৰ প্ৰসংগত উল্লেখ কৰিছিলোঁ যে তেওঁৰ প্ৰায়বোৰ চৰিত্ৰৰ মনোজগতখন শূন্যতাবোধে ক্ৰিয়া কৰি থকা যেন অনুভূত হয়। সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তি সমানে চহোৱা তেওঁৰ গল্পৰ উৰ্বৰ ভূমিত অস্থিৰতাৰ প্ৰকাশ মনকৰিবলগীয়া। এই কথাষাৰ আমাৰ আলোচ্য গল্পটোতো সমানে প্ৰয়োজ্য। পীতাম্বৰ, দাময়ন্তী, কৃষ্ণকান্ত বা পীতাম্বৰৰ পৰিবাৰৰ চৰিত্ৰলৈ আমি সূক্ষ্মভাৱে লক্ষ্য কৰিলেই তেওঁলোকৰ প্ৰত্যেকৰে মনত যে কিবা নহয় কিবা বেলেগ ধৰণৰ শূন্যতাবোধে যে ক্ৰিয়া কৰি আছিল সেই কথা সহজেই অনুমান কৰিব পাৰোঁ। তেওঁলোকৰ মানৰ মাজত বৈ থকা বিষাদৰ অন্তঃসলীলা ফল্গুক অনুধাৱন কৰিব পাৰোঁ।

মামণি ৰয়ছম গোস্বামীৰ গল্পত প্ৰকৃতি জগতখনে এক বিশেষ ধৰণৰ বাঙ্ময় ৰূপ পৰিগ্ৰহ কৰে বুলি আমি ইতিপূৰ্বে উল্লেখ কৰি আহিছোঁ। ‘সংস্কাৰ’ গল্পটোতো পীতাম্বৰৰ আকাংক্ষাৰ লগত প্ৰকৃতি জগতখনে সমানে বাঙ্ময় হৈ পৰিছে। জাৰ্মান বন, কচু, ভতৰা, পানেৰী লতা, কলমৌ, হেলেচি, নলকচু বাৰিষাৰ বতৰত দ্ৰুতগতিত বৃদ্ধি পোৱাৰ দৰে পীতম্বৰৰো জৈৱিক বাসনা তথা পুত্ৰ সন্তানৰ কামনা দময়ন্তীৰ কথা কৃষ্ণকান্তই কোৱাৰে পৰা দ্ৰুততৰভাৱে বৃদ্ধি পাইছে। ঠিক সেইদৰে কৃষ্ণকান্তৰো পীতম্বৰৰ পৰা সহায় লাভ কৰাৰ আকাংক্ষা স্বতঃস্ফূৰ্তভাৱে বাঢ়ি গৈছে। আনহাতে পীতাম্বৰৰ জীৱনলৈ অহা সংঘাত বোৰৰ আগজাননিও প্ৰকৃতিয়েই দিছে। উদাহৰণস্বৰূপে পীতাম্বৰে দময়ন্তীৰ ঘৰলৈ যাবলৈ ওলোৱাৰ দিনটোৰ কথা বৰ্ণনা কৰিবলৈ গৈ গল্পকাৰে লিখিছে— “আকাশত কাঠফুলাৰ বৰণ লোৱা কিছুমান ডাৰৰ বিচিত্ৰ অংগীৰে আকাশৰ পূব দিশত পৰিছিল। সেইবোৰক একোটা কামানৰ দৰে দেখা গৈছিল। আৰু সেই চন্দ্ৰমাক? কোনোবাই যেন ছাল বখলিয়াই থোৱা এজনী হৰিণা পহু। তাইৰ ফুটুকা-ফুটুকি ছালখন কামান কেইটাত যেন কোনোবাই মেৰিয়াই থৈছে। ছাল বখলিয়াই থোৱা হৰিণা পহু? লপথপ লপথপ তাইৰ মাংস— চকচকীয়া, জলমলীয়া। আহ, পীতাম্বৰ মহাজনৰ চকুত এই ছাল বখলিয়াই থোৱা হৰিণাজনী দময়ন্তীলৈ ৰূপান্তৰিত হ’ল। একেবাৰে নগ্ন হৈ থকা দময়ন্তী। সৌৱা গাভিনী ছাগলীৰ পেটৰ দৰে তাইৰ স্তনদ্বয়। সুস্বাদু বিজুলী বাঁহৰ গাঁজৰ দৰে তাইৰ শৰীৰৰ ৰং। আৰু তাইৰ ওঁঠ? কাটি থোৱা সফৰি-আমৰ দৰে দগমগীয়া তাইৰ ওঁঠ।...” এনেদৰে বিভিন্ন সময়ত প্ৰকৃতিজগতখন বাঙ্ময় হৈ উঠিছে। এই চিত্ৰকল্পটোত ব্যৱহাৰ কৰা ‘কামান’ শব্দটো গল্পকাৰে পূৰ্বেও দময়ন্তীৰ ৰূপৰ প্ৰসংগত উল্লেখ কৰিছে। কামান সাধাৰণতে ধ্বংসৰ প্ৰতীক। দময়ন্তীৰ ৰূপৰ গ্ৰাহত পৰাসকল কামানৰ আগত পৰাৰ দৰে ধ্বংস হৈ যায়, এয়া তাৰেই প্ৰতীক।

মামণি ৰয়ছমৰ “প্ৰায়বোৰ গল্পৰে কেন্দ্ৰবিন্দুত আছে সম্পৰ্কৰ প্ৰতি আগ্ৰহ আৰু একে সময়তে মৃত্যুৰ অস্তিত্ব সম্পৰ্কে সচেতনতা।” সমালোচকসকলে পোষণ কৰা এই মতৰ কথাও ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। আমাৰ আলোচ্য ‘সংস্কাৰ’ গল্পটোৰ প্ৰসংগত আমি এই কথাষাৰৰ

যথাৰ্থতা অনুধাৱন কৰিব পাৰোঁ। পীতাম্বৰৰ বংশৰক্ষাৰ কামনাৰ লগত সমানে সংলগ্ন হৈ আছে তেওঁৰ মৃত্যু সম্পৰ্কীয় ধাৰণা এটা। কাৰণ তেওঁ মৃত্যু সম্পৰ্কে সচেতন হৈয়েই তেওঁৰ উত্তৰ পুৰুষৰ কামনা কৰিছে; এই কথাষাৰতে আওপকীয়াকৈ তেওঁৰ সম্পৰ্কৰ প্ৰতি আগ্ৰহৰ কথাও সোমাই আছে। সেয়েহে ক'ব পাৰি যে মামণি ৰয়ছম গোস্বামীৰ গল্পত দেখা পোৱা এই বিশেষ বৈশিষ্ট্যটোও 'সংস্কাৰ' গল্পটোত ৰক্ষিত হৈছে।

মামণি ৰয়ছম গোস্বামীৰ আন প্ৰায়বোৰ গল্পৰ দৰে 'সংস্কাৰ' গল্পটোৰো পটভূমি অসমৰ গ্ৰাম্য সমাজ। গ্ৰাম্য সমাজখনৰ পৰা তুলি অনা প্ৰাকৃতিক পৰিৱেশৰ ইন্দ্ৰিয়গ্ৰাহ্য উপমাৰে সজোৱা (যেনে— শুকাই কৰ্কশ হোৱা বৰলৰ বাহৰ দৰে, কুঁহিয়াৰ চোবাই এৰা সিঠা এটুকুৰাৰ দৰে) ভাষাই গল্পটোত এক বিশেষ স্থান অধিকাৰ কৰি আছে। ধ্বন্যাত্মক শব্দৰ প্ৰয়োগ (যেনে— হৰাৎঙ্গ হাৰাৎঙ্গ, হুতুৰ হুতুৰ), কামৰূপী উপভাষাৰ শব্দৰ প্ৰয়োগো (যেনে— ঢেঁখাল, কাঁথি, আপি, চান) এই গল্পটোৰ এক বিশেষ বিশেষত্ব। গোস্বামীৰ গল্পসমূহৰ বহুতো গল্প পৰিস্থিতি প্ৰধান বুলি ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। 'সংস্কাৰ' গল্পটোও পৰিস্থিতি প্ৰধান গল্প। পীতাম্বৰৰ বংশৰক্ষাৰ উদ্দেশ্যক কেন্দ্ৰ কৰিয়েই বিভিন্ন পৰিস্থিতি সৃষ্টি কৰি গল্পটোৰ কাহিনীভাগ আগবঢ়াই নিয়া হৈছে। অৱশ্যে তাত কোনোটো চৰিত্ৰই পৰিস্থিতিৰ আঁৰত হেৰাই যোৱা নাই; প্ৰতিটো চৰিত্ৰই স্বকীয়ভাৱে বিকশিত হৈছে, আনকি কথা নোকোৱাকৈ থকা পীতাম্বৰৰ শয্যাগত পৰিবাৰগৰাকীও। গল্পকাৰে গল্পটোৰ শেষ অংশতো মূল উদ্দেশ্যৰ পৰা বিচলিত নহৈ পাঠকক প্ৰত্যয়জনকভাৱে বিস্ময়াভিভূত কৰি এক ধৰণৰ অগতানুগতিক ধৰণে গল্পটো পৰিসমাপ্তি ঘটাইছে। অৱশ্যে এই পৰিসমপ্তি অস্বাভাৱিক যেনো লগা নাই, কাৰণ বাস্তৱক নগ্ন ৰূপেৰে অংকন কৰা মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ যাদুকৰী ভাষাৰে পাঠকক ধৰি ৰাখিব পাৰিছে। তাতেই গল্পকাৰৰ সাৰ্থকতা। ইয়াত বাস্তৱক অধিক কাষৰ পৰা চাবৰ বাবেই জীৱনৰ নগ্ন বাস্তৱতাকো অতি প্ৰত্যয়জনকভাৱে উপস্থাপন কৰিছে।

আনন্দ বৰমুদৈয়ে মামণি ৰয়ছম গোস্বামীৰ গল্পৰ প্ৰসংগত মন্তব্য কৰিছে— "কাৰ্যকৰণ নীতি অনুসৰণ নকৰি ঘটনাৰ খণ্ডিত চিত্ৰ কাব্যিক ব্যঞ্জনাৰে একত্ৰিত কৰি ৰখাৰ বাবে তেওঁৰ গল্পৰ একোটা ঘটনাৰ পৰা একাধিক অৰ্থ উদ্ধাৰ কৰিব পাৰি।" সংস্কাৰ গল্পটোৰ বিষয়ে কৰা আলোচনাখিনিয়েই এই বক্তব্যৰ সাৰ্থকতা প্ৰতিপন্ন কৰিছে। এনেদৰে বিচাৰ কৰিলে দেখা যায় যে মামণি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ' গল্পটোক আমি অসমীয়া আধুনিক গল্পৰ এটা শ্ৰেষ্ঠ গল্প বুলি অভিহিত কৰিব পাৰোঁ।

**আত্মমূল্যায়ণ প্ৰশ্ন**

মামণি ৰয়ছম গোস্বামীৰ গল্পত প্ৰকৃতি জগতখন কেনেদৰে বাঙ্ময় হৈ উঠিছে সেয়া উদাহৰণসহ বিচাৰ কৰক। (৭০ টা শব্দৰ ভিতৰত)

.................................................................................................................
.................................................................................................................

## ৮.৬ সাৰাংশ (Summing Up)

প্ৰধানতঃ ঔপন্যাসিক হিচাপে প্ৰসিদ্ধ লাভ কৰা মামণি ৰয়ছম গোস্বামীয়ে ৰামধেনু যুগতে গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল। তেওঁ বৰ বেছি গল্প লিখা নাই যদিও মাত্ৰ এমুঠিমান

গল্প লিখিয়েই তেওঁৰ গল্প কথনৰ নৈপুণ্যৰ পৰিচয় দাঙি ধৰিছে। গোস্বামীয়ে তেওঁৰ উপন্যাসসমূহৰ দৰে গল্পসমূহতো নাৰী মনৰ আতি গোপন বাৰ্তা অতি নিৰ্ভিকভাৱে পাঠকৰ আগত তুলি ধৰিছে। তেওঁ এটা উল্লেখযোগ্য গল্প 'সংস্কাৰ'ৰ বিষয়ে এই বিভাগটোত বহলাই আলোচনা কৰা হ'ল। বিভাগটোত মামণি ৰয়ছম গোস্বামীৰ জীৱন তথা কৃতি সম্পৰ্কেও কিছু কথা আলোচনা কৰা হৈছে। মামণি ৰয়ছম গোস্বামীৰ গল্পত সাধাৰণতে দেখা পোৱা বিশেষ বৈশিষ্ট্যসমূহৰ সম্পৰ্কেও এই বিভাগটোত আলোচনা সন্নিবিষ্ট কৰা হৈছে।

'সংস্কাৰ' গল্পটো পীতাম্বৰ নামৰ ব্যক্তি এজনক কেন্দ্ৰ কৰি ৰচিত হৈছে যদিও ই মূলতঃ পৰিস্থিতি প্ৰধান চুটিগল্পহে। পীতাম্বৰে বংশৰক্ষাৰ বাবে এটা পুত্ৰ সন্তান কামনা কৰাৰ পৰিস্থিতি এটাক লৈয়ে বিভিন্ন চৰিত্ৰ আৰু পৰিস্থিতিৰ সৃষ্টি কৰি গল্পকাৰে এই গল্পটো আগবঢ়াই নিছে। তাৰ মাজেদিয়েই গল্পকাৰে সমাজৰ বিভিন্ন দিশ সাৰ্থকভাৱে তুলি ধৰাৰ লগতে নিৰ্মম বাস্তৱতাক কলাত্মকভাৱে তুলি ধৰাত সফল হৈছে। এই বিভাগটোত গল্পটোৰ বিষয়বস্তু, প্ৰকাশভংগীকে আদি কৰি ইয়াৰ লগত সম্পৰ্কীত বিভিন্ন বিষয় সম্পৰ্কে যথাসম্ভৱ পৰ্যালোচনা আগবঢ়োৱা হৈছে। বিভাগটোৱে আপোনাক মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতিৰ লগতে 'সংস্কাৰ' শীৰ্ষক গল্পটোৰ মূল বিষয়বস্তুৰ লগত ভালদৰে পৰিচয় কৰাই দিব। অৱশ্যে আপুনি মূল গল্পটো কেইবাবাৰো পঢ়াতো অতিকে বাঞ্ছনীয়।

## ৮.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) মামণি ৰয়চম গোস্বামীৰ সাহিত্যকৃতি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

২) মামণি ৰয়চম গোস্বামীৰ জীৱন আৰু কৃতিৰ বিষয়ে লিখক।

৩) আধুনিক অসমীয়া গল্প সাহিত্যত মামণি ৰয়ছম গোস্বামীৰ স্থান নিৰূপণ কৰক।

৪) মামণি ৰয়ছম গোস্বামীৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰক। আলোচনাৰ প্ৰসংগত তেওঁৰ বিভিন্ন গল্পৰ পৰা উদাহৰণ দাঙি ধৰাটো বাঞ্ছনীয়।

৫) মামণি ৰয়ছম গোস্বামীৰ গল্পসমূহত প্ৰতিফলিত অসমীয়া গ্ৰাম্য সমাজখন কেনেকুৱা? উদাহৰণসহ বুজাই লিখক।

৬) মামণি ৰয়ছম গোস্বামীৰ গল্পত নৰ-নাৰীৰ সম্পৰ্ক কি দৰে বিবৃত হৈছে? বহলাই আলোচনা কৰক।

৭) "মামণি ৰয়ছম গোস্বামীৰ গল্পত ইন্দ্ৰিয়গ্ৰাহ্য প্ৰাকৃতিক জগতখনত পৰা তুলি অনা প্ৰতীক আৰু চিত্ৰকল্পই এক বিশেষ ভূমিকা গ্ৰহণ কৰে"— 'সংস্কাৰ' গল্পটোৰ আধাৰত কথাষাৰ বিচাৰ কৰক।

৮) 'সংস্কাৰ' গল্পটোৰ পুৰুষ চৰিত্ৰ দুটাৰ এক তুলনামূলক বিশ্লেষণ প্ৰস্তুত কৰক।

৯) 'সংস্কাৰ' গল্পটোৰ নাৰী চৰিত্ৰ দুটাৰ এক তুলনামূলক বিশ্লেষণ প্ৰস্তুত কৰক।

১০) "সংস্কাৰ গল্পটো পৰিস্থিতি প্ৰধান গল্প যদিও ইয়াৰ কোনোতো চৰিত্ৰই পৰিস্থিতিৰ আঁৰত হেৰাই যোৱা নাই"— কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

১১)  “মামণি ৰয়ছম গোস্বামীৰ গল্পত সৌন্দর্য যেনেদৰে অনুপম ৰূপত ফুটি উঠে, ঠিক একেদৰে শ্বাসৰুদ্ধ, বীভৎস, ভয়ংকৰ পৰিৱেশো সমানে গুৰুত্ব সহকাৰে কলাত্মকভাৱে প্ৰকাশিত হয়।”— ‘সংস্কাৰ’ গল্পটোৰ আধাৰত এই বক্তব্যৰ যুক্তি-যুক্ততা প্ৰতিপন্ন কৰক।

## ৮.৮ প্ৰসঙ্গ গন্থ (References/Suggested Reading)


হৃদয়ানন্দ গগৈ : *আধুনিকতাৰ সন্ধানত মামণি ৰয়ছম*

ত্ৰৈলোক্যনাথ গোস্বামী : *আধুনিক গল্প সাহিত্য*

উদয় দত্ত : *চুটি গল্প*

মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*

হোমেন বৰগোহাঞি (সম্পা.) : *অসমীয়া গল্প সংকলন (প্ৰথম খণ্ড)*

প্ৰহ্লাদ কুমাৰ বৰুৱা : *অসমীয়া চুটি গল্পৰ অধ্যয়ন*

পৰাগ কুমাৰ ভট্টাচাৰ্য : *আধুনিক সাহিত্য : চিন্তা আৰু সৃষ্টি*

শৈলেন ভৰালী : *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ*

গোবিন্দ প্ৰসাদ শৰ্মা : *উপন্যাস আৰু অসমীয়া উপন্যাস*

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*

লীলাৱতী শইকীয়া বৰা (সম্পা.) : *অসমীয়া চুটি গল্পৰ প্ৰবাহ*

নিকুমণি হুছেইন : *মামণি ৰয়ছম গোস্বামী : জীৱন কৃতি আৰু কৃতিত্ব*


* * *